# ASSAM LEGISLATIVE ASSEMBLY DEBATES

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## AUGUST SESSION

## NO. 2

**THE 7th August, 2007**

Price Rs. 68·00

# CONTENTS

## AUGUST SESSION

## No. 2

## Dated, the 7th August, 2007


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1-90 |
| 2. | Point of Order | 90-92 |
| 3. | Discussion on Zero Hour Matter | 93-105 |
| 4. | Report of Business Advisory Committee | 105-106 |
| 5. | Call attention Notice | 106-112 |
| 6. | Matter Under Rule-301 | 113-115 |
| 7. | Matter Under Rule-50 | 115-130 |
| 8. | Point of Order | 131 |
| 9. | Pending Private Member's Motion | 132-141 |
| 10. | Leave of Absence | 141 |
| 11. | Statement by Minister | 141-143 |
| 12. | Adjournment | 144 |
| 13. | Annexure I to XXIV | 145-224 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## Tuesday, the 7th August, 2007

**The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Shri Tanka Bahadur Rai, Speaker in the Chair.**

## STARRED

# QUESTIONS AND ANSWERS

**(To which oral replies)**

**Mr. Speaker : Now, Starred Question No. 21, Hon'ble Member, Shri Ranjit Dutta.**

বিষয় ঃ বৰগাং নদীৰ গৰাখহনীয়া।

শ্ৰী ৰঞ্জিত দত্তই সুধিছে ঃ

*২১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

প্ৰশ্ন

(ক) বিহালী সমষ্টিৰ বৰগাং নদীৰ গৰাখহনীয়া (গাং মৌখাম) প্ৰতিৰোধৰ বাবে মুঠ কিমান টকা ধাৰ্য কৰা হৈছিল?

(খ) এতিয়ালৈকে উক্ত খহনীয়া প্ৰতিৰোধৰ কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে আৰু কিমান টকা মোকলাই দিছে?

(গ) উক্ত খহনীয়া প্ৰতিৰোধৰ কাম কৰা ঠিকাদাৰসকলক সম্পূৰ্ণ টকা আদায় দিয়া হৈছে নেকি আৰু যদি হোৱা নাই, তেন্তে কিহৰ বাবে আদায় দিব পৰা নাই?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিহালী সমষ্টিৰ অন্তৰ্গত বৰগাং নদীৰ গৰাখহনীয়া প্ৰতিৰোধৰ বাবে মুঠ ১০৪.৮৩২ লাখ টকা ধাৰ্য্য কৰা হৈছিল।

(খ) উক্ত খহনীয়া প্ৰতিৰোধৰ বাবে হাতত লোৱা দুখন আঁচনিৰ গড়ে ৮৫ শতাংশ কাম সম্পূৰ্ণ হৈছে।

উক্ত আঁচনি দুখনৰ বাবে বৰ্তমানলৈকে মুঠ ৫৭.৬০ লাখ টকা মোকলাই দিয়া হৈছে।

(গ) উক্ত খহনীয়া প্ৰতিৰোধৰ কাম কৰা ঠিকাদাৰসকলক সম্পূৰ্ণ টকা আদায় দিয়া হোৱা নাই। আঁচনিৰ বাবে ধাৰ্য কৰা সম্পূৰ্ণ ধন নোপোৱাৰ বাবে এই ধন আদায় দিব পৰা হোৱা নাই।

* **শ্ৰীৰঞ্জিত দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি তিনিটা প্ৰশ্ন কৰিছিলো। উত্তৰো পাইছো। কিন্তু কথা হ'ল গাং মৌখানৰ কামৰ কাৰণে এক কোটি আঠ লাখ আঠশ বত্ৰিশ টকা ধাৰ্য কৰা হৈছিল আৰু তাৰ ভিতৰত শতকৰা পচাশী ভাগ কাম ইতিমধ্যে শেষ হৈছে বুলি ইয়াত উল্লেখ কৰা হৈছে। সাতাৱন্ন লাখ টকা উলিয়াই দিয়া হৈছে আৰু বাকী টকা কি হ'ল? সম্পূৰ্ণ ধন নোপোৱাৰ কাৰণে এইটো ধনৰ অভাৱ হ'ব। এক কোটি চাৰি লাখ আদায় কৰা হৈছে। বাকীখিনি কেতিয়া দিব, কিয়নো তাৰ ওপৰত নিৰ্ভৰ কৰিছে ঠিকাদাৰক দিবলগীয়া কথা।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয় এই আঁচনিৰ এখন সম্পূৰ্ণ হৈছে এশ শতাংশই, বাকীখিনিৰো অলপ কাম বাকী আছে। বান নিয়ন্ত্ৰণ বিভাগৰ পৰা কোৱা হৈছে যে এই টকা সম্পূৰ্ণ পোৱা হোৱা নাই। পালেই ৰিলিজ কৰি দিয়া হ'ব। আমাৰ এই টকাতো পোৱাত কোনো গোলমাল নাই, ইফ ইট ইজ ইন অৰ্ডাৰ তেতিয়াহ'লে দিয়া যায়।

* **শ্ৰীৰঞ্জিত দত্ত ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই কৈছে পইচা সোনকালে দিয়া হ'ব। কথা হ'ল কিমানখিনি কাম সম্পূৰ্ণ হৈছে আৰু তাত গাংমৌথান

---

* **Speech not corrected**

কমিটী এটা আছিল। প্ৰটেকশ্বনৰ কাম বিলাক কৰি আছে আৰু মই নিজে জনাত শতকৰা পচাশী ভাগ কাম সম্পূৰ্ণ হৈছে। তাত থাৰ্টি পাৰ্চেণ্ট মান কাম নোহোৱাৰ কাৰণে হাইকোৰ্টত কেচ কৰিছে নেকি? সেই পি-আই-এল কেচৰ কথা চলি আছে।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ ছাৰ, সেইটো ইনফৰমেশ্যন মোৰ হাতত নাই। বিভাগৰ পৰা লৈ মাননীয় বিধায়ক ডাঙৰীয়াক জনাব পাৰিম।

* শ্ৰীৰঞ্জিত দত্ত ঃ ছাৰ, মন্ত্ৰী মহোদয়ে কেচ আছে নে নাই গম নাপায় কিন্তু গাং মৌথান কমিটীৰ ফালৰ পৰা ডি-চিৰ ওচৰত অভিযোগ কৰিছে আৰু শতকৰা ত্ৰিশ ভাগ কাম হৈছে বুলি কৈছে। কিন্তু সৰ্বসাধাৰণৰ কাৰণে থানখন প্ৰটেকশ্যন লাগে। মাজগাঁও আৰু শান্তিপুৰ অঞ্চলৰ প্ৰটেকশ্যন ভাল হৈছে; কিন্তু ৩২ লাখ টকা চৰ্ট হৈছে আৰু সেইটো ডি চিৰ মাধ্যমত ৰিলিজ কৰি দিয়াৰ কাৰণে ব্যৱস্থা ল'ব লাগে। কিয়নো আজি দুবছৰ হ'ল ঠিকাদাৰক কামৰ কাৰণে পইচা দিব পৰা নাই। বত্ৰিশ লাখ টকা ৰিলিজ হৈছে বাকী টকা ৰিলিজ হোৱা নাই।

* ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ প্ৰতিটো কামৰ ওপৰত ডি চিৰ পৰা ইনফৰমেশ্যন হৈ আমি সেই প্ৰত্যেকটো কামৰ টকা দিব পাৰিম।

## SUB. : TRIPARTITE MEETING

## SHRI UDDHAB BARMAN ASKED :

*** 22 : Will the Minister of Implementation of Assam Accord be pleased to state :**

(a) Whether the Tripartite meeting for implementation of Assam Accord was held on July 11, 2007?

(b) If so, what is the outcome of this meeting?

---

* Speech not corrected

(c) Whether the factors for delay in the implementation of the accord have been identified?

(d) If so, give details of it?

(e) What is the actual time frame for completion of updating of NRC?

**Dr. Bhumidhar Barman (Minister, Implementation of Assam Accord Department ) replied :**

(a) Yes.

(b) Minutes of the Tripartite Meeting held on 11-7-2007 are awaited.

(c) Implementation of Assam Accord is a continuous process and so far a number of achievements have been made. In some areas delay in implementation has taken place for which factors have been identified.

(d)1. In respect of delay in implementing the IBB Roads & Fencing the factors for delay are as follows :-

(i)Lengthy and cumbersome Land Acquisition proces.

(ii) Irregular flow of fund.

(iii) Tense situation in Surma sector between June 2006 to September 2006.

(iv) Adverse weather conditions during 2006-07

(v) Remote and low-lying areas.

(2) In respect of updation of NRC it is seen that citizenship is a central subject as per the Constitution of India and accordingly the matter had been taken up with the Central Government for taking required action as per law. Contral Governmenthas recently requested for submission of modalities for updating of NRC and the same is in the process of being sent.

(3) In respect of providing constitutional, legislative and administrative safeguards under Clause 6 of the Assam accord, a definition of 'Assamese People' needs to be arrived at for which all action has been initiated.

(4) The Ashok Paper Mill was sought to be revived by giving it on lease. Due to failure of lessee, M/s North East Paper Industries Ltd. (NEPIL) the Government of Assam had decided to remove them but they had obtained a stay order form the Gauhati High Court. In view of this, action of awarding consultancy to revive the Ashok Paper Mill could not be taken as the Government of India, though agreed to fund the consultancy, wanted settlement of all legal issues first. Recently the Gauhati High Court has dismissed the cases filed by the lessee (NEPIL).

(e) The actual time frame for updation of NRC can be finalised once the Central Government finalise the modalities for updating the NRC and amends the relevant laws for this purpose.

**শ্ৰী উদ্ধৱ বৰ্মন ঃ** ছাৰ, মই কেইটামান কথা জানিব বিচাৰিছো। কথা হ'ল বাংলাদেশী অনুপ্ৰৱেশকাৰী যাতে সোমাব নোৱাৰে তাৰ কাৰণে ১৯৭৮ ৰ পৰা কৈ অহা হৈছে পাৰ্টিৰ তৰফৰ পৰা আমি কৈ আছো যাতে বৰ্ডাৰ চীল কৰিব লাগে। তাৰ পিছত ১৯৮৩ চনত হোৱা অসম চুক্তিৰ দ্বাৰাও ব'ৰ্ডাৰ ফেন্সিং আৰু ৰাস্তা নিৰ্মাণৰ কথা আছিল। সেই কাৰণে বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো বাংলাদেশী বিদেশী প্ৰৱেশ কৰিব নোৱাৰাৰ কাৰণে ব'ৰ্ডাৰ ফেন্সিং আৰু ৰাস্তাঘাটত কাম কিমান হ'ল আৰু বাকী খিনি কেতিয়া হোৱাতো আশা কৰিব পাৰি।

**ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এতিয়া বাংলাদেশৰ পৰা আমাৰ ফাললৈ মানুহ অহা দেখা দেখিকৈ আহিব পৰা নাই। চোৰাচোৰিকৈ আহিব পাৰে। সেই কাৰণেই ফেন্সি, ব'ৰ্ডাৰ ৰোড পেট্ৰলিং, বি অ' পি আৰু পেট্ৰলিং আদি কৰি থকা হৈছে। এতিয়া আমাৰ মাননীয় সদস্যৰ জ্ঞাতাৰ্থে ক'ব বিচাৰিছো যে ইতিমধ্যে ফেজ ওৱাইজ ৰাস্তাৰ কামৰ কাৰণে ১৫৩.১৩৩ কিলোমিটাৰৰ কাৰণে চেংশ্বন কৰা হৈছে আৰু ১৪৫.৭৪৮ কিলোমিটাৰৰ কাম সম্পূৰ্ণ হৈছে আৰু ৩.৫৮৫ কিলোমিটাৰৰ কাম আগবাঢ়ি আছে আৰু ৩.৮০০ কিলোমিটাৰৰ কাম কৰা নাই। গতিকে এই কাম খিনিৰ ৩.৫৮৫ কিলোমিটাৰৰ কামখিনি ইতিমধ্যে হৈ যাব। তাৰ উপৰিও ফেজ টুত মুঠতে ৭৭.৫০০ কিলোমিটাৰৰ কাম মঞ্জুৰ হৈছে তাৰ ভিতৰত ৫৩.৫২৫ কিলোমিটাৰৰ কামৰ কাৰণে মঞ্জুৰী হৈছে আৰু ৩৬.৪৫৪ কিলোমিটাৰ কাম সম্পূৰ্ণ হৈছে আৰু বাকী থকা ১৭.০৭১ কিলোমিটাৰৰ কাম আগবাঢ়ি আছে। তাৰ উপৰিও ১৪.৪২৫ কিলোমিটাৰৰ কাম চলি আছে আৰু তাৰো শতকৰা পচাশী ভাগ কাম সম্পূৰ্ণপ্ৰায়।

ফেজ ওৱানত আছিল Road Completed 145.748 kms, in progress 3.585 kms, 3,800 kms, 3,800 kms not necessary. Out of (Phase II) 77,500 kms, sanctioned 53,525 kms, completed 36.454 kms balance 17,071 kms in progress 14.425 kms, yet to be made available free from

encumbrance 0.360 kms Sanctioned 150.155 kms completed 144.003 kms land dispute 2,870 kms.

Phase I- Fencing : Sanctioned-150.553 KMS completed-144.300 KMS Land Dispute-2.874 KMS, Not required-3.380 KMS.

Phsase II- Roads : Total-77.500 KMS. sanctioned 53.525 KMS, completed 36.454 KMS balance 17.071 KMS in progress 14.425 KMS (85% of E/W complete).

Phase II - Fencing : Total-71.500 KMS sanctioned 32.665 KMS. completed 10.457 KMS balance-22.208 KMS. In progress 19.562 KMS (56% works completed). Land yet to be made available free from encumbrances. এইখিনি কথা মই আপোনালোকক অৱগত কৰিলো। আমি যিখিনি কাম কৰি আছো সেইখিনিৰ সদায় মণিটৰিং কৰি আছো। আমাৰ পি ডব্লিউ ডিৰ প্ৰগ্ৰেচ ভাল। কোনো কাৰণতেই ২০০৮ চনৰ মাৰ্চ মাহৰ পিছত নাযায় তাৰ আগতেই সম্পূৰ্ণ হ'ব।

*শ্ৰী উদ্ধৱ বৰ্মন ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা এইটো জানিব পৰা গ'ল যে ফেনচিঙৰ কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই আৰু ৰাস্তাঘাট বনোৱা কামখিনিও সম্পূৰ্ণ হোৱা নাই। এন আৰ চিৰ ক্ষেত্ৰত সকলোৱে দলমত নিৰ্বিশেষে একমত। এন আৰ চিৰ কাম ছেপ্টেম্বৰত সম্পূৰ্ণ হ'ব বুলি কৈছে। তাৰ কাৰণে ষ্টেট লেভেলত এটা ডাইৰেক্টৰেট গঠন কৰা হৈছে। এই ক্ষেত্ৰত অসম গভৰ্ণমেণ্টে চাব কমিটি গঠন কৰাৰ কথাও কৈছিল আৰু চেন্ট্ৰেল গভৰ্ণমেণ্টও এখন আইন প্ৰণয়ন কৰাৰ কথা কৈছিল। এন আৰ চি সম্পূৰ্ণ নোহোৱাৰ ফলত যি সকল মানুহ যুগ যুগ ধৰি ইয়াত বসবাস কৰি আছে সেইসকল মানুহৰ কোনো নিৰাপত্তাৰ ব্যৱস্থা এতিয়ালৈকে হোৱা নাই আৰু বহুতো ক্ষেত্ৰত তেওঁলোকে সন্দেহ যুক্ত বাংলাদেশী হিচাপে নিৰ্যাতনৰ সন্মুখীন হ'বলগীয়া হৈছে। এই ক্ষেত্ৰত

* Speech not corrected

তেওঁলোকক আমাৰ চৰকাৰে ৰক্ষণা-বেক্ষণ দিয়াৰ কোনো ব্যৱস্থা কৰা নাই। সেইলোকসকলৰ ভিতৰত বেছিভাগেই গৰীব মানুহ আৰু বান আক্ৰান্ত লোক। তেওঁলোকৰ ভিতৰত বহুতো স্থানীয় ভাৰতীয় সংখ্যালঘু মানুহ ক্ষতিগ্ৰস্ত হৈছে। তেওঁলোকে ইয়াৰ পৰা জীৱন সংগ্ৰামৰ কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন জেগাত যাবলগীয়া হৈছে। সেইসকল স্থানীয় মানুহক কিবা প্ৰমাণ পত্ৰ দিয়াৰ ব্যৱস্থা আছে নেকি? অসমৰ চৰ অঞ্চলত বসবাস কৰা যিসকল লোক আছে আৰু যিসকল জনজাতীয় জনগোষ্ঠী আছে তেওঁলোকক প্ৰটেকচন দিয়াৰ প্ৰশ্ন আজি আহি পৰিছে। প্ৰশাসনিক আৰু আইনগতভাৱে সেইসকল মানুহক আমি নিৰাপত্তা দিব পৰা নাই। সেই ক্ষেত্ৰত অসম চৰকাৰে কিবা স্পষ্ট সিদ্ধান্ত গ্ৰহণ কৰিছে নেকি? এই ক্ষেত্ৰত এতিয়ালৈকে কি সিদ্ধান্ত গ্ৰহণ কৰিছে। অসমীয়াৰ সজ্ঞা ব্যাখ্যা কৰাৰ লগতে অন্যান্য জনগোষ্ঠীসমূহৰ ব্যাখ্যা কেনেকৈ কৰিব তাৰ কিবা ব্যৱস্থা আছে নেকি?

* **ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ণ মন্ত্ৰী) ঃ** ছাৰ, এই প্ৰশ্নতো আসাম একৰ্ডৰ লগত জড়িত যদিও গৃহ বিভাগৰ কথাও তাত উল্লেখ কৰা হৈছে আৰু তেখেতে এন আৰ চিৰ কথা কৈছে। এন আৰ চি আমি অতি সোনকালে সম্পূৰ্ণ কৰিব পাৰিলে আমাৰ সকলো মানুহেই উপকৃত হ'ব।

(একেলগে কেইবাজনো মাননীয় সদস্যই ক'বলৈ ধৰাত সদনত হুলস্থূল।)

* **শ্ৰীআব্দুল আজিজ ঃ** ছাৰ, ভাৰতীয় নাগৰিক হাৰাশাস্তি হোৱাৰ কাৰণ কি?

(সদনত একেলগে কেইবাজনো মাননীয় সদস্যই ক'বলৈ থিয় হোৱাত হুলস্থুল।)

**Mr. Speaker : Mr. Aziz Please Sit-down, Hon'ble Minister is Giving his reply**

* **শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চি সম্পূৰ্ণ কৰাৰ সম্পৰ্কে এটা নিৰ্দিষ্ট সময় সীমা ঘোষণা কৰিব নেকি?

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চি বিষয়টো এটা চেনজিটিভ বিষয়। এই বিষয়ত মাননীয় সদস্যসকলে যি কʼব লগা আছে

---

* Speech not corrected

ক'ব আৰু যি পৰামৰ্শ দিবলগীয়া আছে সেই বিলাক দিব আমি নোট কৰি লম। যিমান সোনকালে সম্পূৰ্ণ কৰিব পাৰি সিমান সোনকালে আমি কৰাৰ ব্যৱস্থা কৰিম। (গণ্ডগোল)

***শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চি ৰাজ্য চৰকাৰে অকলে কৰিব পাৰিব নে নোৱাৰে জনাব লাগে। আপোনালোকে কৈছে যে এন আৰ চি ৰাজ্য চৰকাৰে কৰিব। আমি কৈছো যে ৰাজ্য চৰকাৰে অকলে কৰিব নোৱাৰে। আপোনালোকে সদনক মিচ লিড কৰিছে। (গণ্ডগোল...)

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীউদ্ধৱ বৰ্মন ডাঙৰীয়াই এটা ভাল প্ৰশ্ন কৰিছে। আপোনালোকে অলপ মন দি শুনক। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে আমাক অথৰিটি দিয়ক। তেওঁলোকে আমাক চিঠি দিছে আৰু মডেলিটি কৰি জনাব দিছে। আমি মডেলিটি কেনেকুৱা কৰিব পাৰো বিভাগৰ লগত ঠিক কৰি জনাম। মাননীয় মুখ্য মন্ত্ৰীয়ে কৈছে যে কেবিনেট চাব কমিটী কৰি সেই চাব কমিটীয়ে পৰীক্ষা কৰি চুড়ান্ত কৰিব। আৰু আমি যিমান সোনকালে পাৰি সিমান সোনকালে কৰাৰ ব্যৱস্থা কৰিম।

***শ্ৰীমিশ্বন ৰঞ্জন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰিমগঞ্জ জিলাৰ কুচিয়াৰা নদী আন্তৰ্জাতিক সীমাত। ইয়াত বোৰ্ডাৰ ফেন্সিঙৰ কাম আৰম্ভ কৰিছে। তাত বান্ধ নাছিল। কেতিয়াবা বানপানী হৈছিল। এন পি চিয়ে মঠাউৰি লেভেল কৰিছে। এই বছৰ বানপানী কম হৈছে। কুচিয়াৰা নদীৰ পানী অভাৰফ্ল' হৈ বানপানী হয় ল' লেভেল হোৱা কাৰণে। মই ওখ কৰাৰ কাৰণে কৈছো যদিও মনা নাই। সেই কাৰণে এন পি চিৰ লগত যোগাযোগ কৰি হাই লেভেল কৰাৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰিলো যাতে পানী নহয়।

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এন পি চি হ'ল ভাৰত চৰকাৰৰ সংস্থা। যিহেতু মাননীয় সদস্য গৰাকীয়ে কৈছে তেখেতে এটা ডিটেইল নোট লিখিত আকাৰে দিলে ভাল হয়। তেতিয়াহ'লে আমি ব্যৱস্থা ল'ব পাৰিম।

---

*** Speech not corrected**

***শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এন আৰ চি বিষয়ত এটা কথা উত্থাপন কৰিব বিচাৰিছো যে ত্ৰিপাক্ষিক বৈঠকত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে এটা সিদ্ধান্ত লৈছিল যে ২ বছৰৰ ভিতৰত এন আৰ চি সম্পূৰ্ণ কৰা হ'ব। মাননীয় মুখ্য মন্ত্ৰীয়েও এই কথা কৈছিল। কিন্তু ইয়াৰ কাৰণে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ অনুমোদন লাগে। এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ আন্তৰিকতা নোহোৱা কাৰণে আৰু কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন নোহোৱা কাৰণে ২ বছৰৰ ভিতৰত নোহোৱাটো খাটাং। গতিকে এতিয়া শুধিব বিচাৰিছো ২ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব নে নহয়? মডেলিটি সম্পৰ্কত আমাৰ পৰামৰ্শ বিচাৰিছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কি ব্যৱস্থা লৈছে। কিমান দিনৰ ভিতৰত এন আৰ চি সম্পূৰ্ণ হ'ব। ত্ৰিপাক্ষিক বৈঠকত লোৱা সিদ্ধান্ত মতে হ'ব নে নহয়? শাসকীয় দল আৰু বিৰোধী সকলোৰে একমত যে ১৯৭১ অন্তৰ্ভুক্ত হোৱা লোকসকলক লৈ এন আৰ চি হ'ব লাগে। কেন্দ্ৰীয় চৰকাৰৰ আন্তৰিকতাতো সন্দেহ আছে। মডেলিটি বনোৱাৰ কাম সোনকালে সম্পূৰ্ণ কৰক। আৰু ত্ৰিপাক্ষিক বৈঠকৰ সিদ্ধান্ত অনুসৰি ২ বছৰৰ ভিতৰত হ'ব নে নহয় কওঁক।

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমিও মাননীয় সদস্য গৰাকীৰ লগত একমত যে এইটো অতি সোনকালে হ'ব লাগে। সময়মতে হ'ব নে নহয় এইটোত তেখেতে চৰকাৰক সন্দেহ কৰিছে। কিন্তু কথাটো তেনেকুৱা নহয়। এই ক্ষেত্ৰত চৰকাৰৰ আন্তৰিকতা আছে আৰু চৰকাৰে কাম কৰাৰ কাৰণে ইচ্ছুক। যিহেতু এই কাম কেন্দ্ৰীয় চৰকাৰৰ, তেওঁলোকে অথৰিটি দিলেহে আমি পাৰিম নহ'লে নোৱাৰো। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অথৰিটি পাম বুলি কামত আগবাঢ়িছো। ইতিমধ্যে স্ক্ৰীম প্ৰায় শেষ হৈছে। ডাটা এন্ট্ৰি আমট্ৰনে কৰি আছে। আছুৰ লগত আলোচনা কৰা মতে মডেলিটি সম্পৰ্কত কিছু কথা আহিছে। মডেলিটি সম্পৰ্কত কি কৰিব বিচাৰিছে আমাক জনাওঁক। কেবিনেটত ইতিমধ্যে মাননীয় মুখ্য মন্ত্ৰীয়ে জনাইছে যে চাব কমিটি গঠন কৰিব আৰু এই চাব কমিটিয়ে চোৱা-চিতা সংশোধন কৰিব। এইবিলাক হোৱাৰ পিছত আমি ভাৰত চৰকাৰক জনাম।

---

*** Speech not corrected**

*শ্ৰীবৃন্দাবন গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাক এটা নিৰ্দিষ্ট সময় দিব লাগে। ২ বছৰৰ ভিতৰত মডেলিটি সম্পূৰ্ণ হ'ব নে নহয়, যদি নহয় কেতিয়া হ'ব?

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী, ৰাজহ বিভাগ) ঃ এই কামটো কিমান সময় লাগিব মই এতিয়াই ক'ব নোৱাৰিম।

*ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এন আৰ চি বিষয়টো গৃহ বিভাগে চোৱাচিতা কৰে। এই বিষয়টোক ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক কৰা হৈছে। হয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী। আজি সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়া যিহেতু ইয়াত নাই গতিকে এই বিষয়টোৰ ওপৰত চৰকাৰৰ তৰফৰ পৰা এটা বিবৃতি মই দিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, ঐতিহাসিক এন আৰ চি '৫১ চনৰ পৰা '৭১ চনলৈ ভোটাৰ সকলক লৈ গঠন হ'ব। কিন্তু এই সংক্ৰান্তত বহুতো আপত্তি আহিছে। মাননীয় মন্ত্ৰী পৃথিৰী মাঝি ডাঙৰীয়াই জনাইছে যে বহুতো চাহ জনজাতি লোকৰ নাম '৭১ চনৰ ভোটাৰ লিষ্টত নাই। '৮০ চনৰ ভোটাৰ লিষ্টতহে তেওঁলোকৰ নাম সোমাইছে। মাননীয় মন্ত্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়াইও জনাইছে বহুতো জনজাতীয় লোক যিসকল ফৰেষ্ট ভিলেজৰ পৰা উঠি আহি বেলেগ ঠাইত বসবাস কৰিছে তেওঁলোকৰ নামো বাদ পৰি গৈছে। গতিকে এই বিষয়টো আমি আছু আৰু বিৰোধী দলৰ সদস্যসকলৰ লগত আলোচনা কৰিব খুজিছো। এন আৰ চি যদি গাৰ বলেৰে কৰিব খুজিছে আপোনালোকে কৰিব পাৰিব। আমি এখন কেবিনেট চাব কমিটি গঠন কৰি দিছো। এই চাব কমিটিয়ে ৰিপ'ৰ্ট দাখিল কৰিলেই আমি কেন্দ্ৰীয় চৰকাৰক জনাম। We will amend the citizen ship Act. They will empower the state Government and state Government will amend the citizenship Act. Central Government will appoint the state Government on implementing Agency. গতিকে এন আৰ চি বিষয়টো জটিল কৰি পেলাব নালাগে। এই কামখিনি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ যত্নতহে হৈছে। আজি এই বিষয়টোৰ লগত মাননীয় প্ৰধান মন্ত্ৰী মনমোহন সিং

* Speech not corrected

ডাঙৰীয়া, মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া আৰু আছু জড়িত হৈ আছে। এন আৰ চিৰ বিষয়টো আপোনালোকে জানিব নিবিচাৰে, গাৰ বলেৰে কৰিব বিচাৰিছে। মডেলিটি প্ৰস্তুত কৰা সম্পৰ্কত সদনত বিৰোধী দলৰ সদস্য সকলৰ লগত আলোচনা কৰিম। বাকীখিনি কামত বেছি সময় নালাগে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া আহিলে আমি হাউচত আলোচনা কৰিম এইটো আমাৰ ক্ৰীয়েশ্যন Government will come out with detailed statement তথাপিও সদনত আলোচনা বিচাৰিছো, আমাৰ ক'বলগীয়া আছে।

**Mr. Speaker : It is already one and half hour.**

***শ্ৰী প্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি সলনি কৰিব বিচৰা হৈছে নেকি?

***ড° হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হাজৰিকা দেৱ আপুনি অলপ ধৈৰ্য ধৰক, অসম চুক্তি সলনি কৰিব বিচৰা নাই। No, within the frame work of the Assam Accord. Modalities of the NRC will be prepared.

**Mr. Speaker : Now, Starred Question No. 23, Hon'ble Member, Shri Phanibhusan Choudhury.**

**বিষয় ঃ ভূমি আৱণ্টনৰ প্ৰস্তাৱ।**

**শ্ৰী ফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ**

*২৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহণ কৰি জনাবনে ঃ

(ক) মহকুমা ভূমি উপদেষ্টা বোৰ্ডত বিভিন্ন মহকুমা/জিলাৰ পৰা ভূমি আৱণ্টনৰ বাবে অনুমোদন জনোৱা কিমানটা প্ৰস্তাৱ ৰাজহ বিভাগত Pending হৈ আছে? (জিলা ভিত্তিত তথ্য দাখিল কৰিব)

* Speech not corrected

(খ) বঙাইগাঁও মহকুমা ভূমি উপদেষ্টা বোৰ্ডত অনুমোদন জনোৱা কিমানটা প্ৰস্তাৱ বৰ্তমান ৰাজহ বিভাগত Pending হৈ আছে আৰু কিমানটা প্ৰস্তাৱ নিষ্পত্তি কৰা হৈছে? (২০০১ চনৰ পৰা ২০০৭ চনৰ এপ্ৰিল মাহলৈ)

(গ) বঙাইগাঁৱৰ বৰপাৰা ভাটিপাৰা নামঘৰ আৰু বঙাইগাঁও বিজুলী কলাৰৱ ভূমি আৱণ্টনৰ প্ৰস্তাৱ কোন চনৰ পৰা অনুমোদন নোহোৱাকৈ ৰাজহ বিভাগত Pending হৈ আছে?

(ঘ) (গ)ত উল্লেখ কৰা প্ৰস্তাৱ দুটা অনুমোদনৰ বাবে কিমান বছৰৰ প্ৰয়োজন হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) জিলাসমূহৰ পৰা পোৱা তথ্য মতে মহকুমা ভূমি উপদেষ্টা বোৰ্ডত অনুমোদিত ২১৩০ টা ভূমি আৱণ্টনৰ প্ৰস্তাৱ ৰাজহ বিভাগত অনুমোদনৰ বাবে বিভিন্ন স্তৰত বিবেচনাধীন। (জিলা ভিত্তিত পৰিশিষ্ট 'ক' দাখিল কৰা হ'ল)।

(See Annexure-I)

(খ) ২০০১ চনৰ পৰা ২০০৭ চনৰ এপ্ৰিল মাহলৈ বঙাইগাঁও ভূমি উপদেষ্টা বোৰ্ডত অনুমোদিত ২২ টা প্ৰস্তাৱ ভূমি আৱণ্টনৰ বাবে পোৱা হৈছে। ইয়াৰে ৯ টা প্ৰস্তাৱ নিষ্পত্তি হৈছে আৰু বাকী ১৩ টা প্ৰস্তাৱ অনুমোদনৰ বাবে বিভিন্ন স্তৰত বিবেচনাধীন।

(গ) বৰপাৰা ভাটিপাৰা নামঘৰৰ প্ৰস্তাৱ অনুমোদন হৈছে আৰু বিজুলী কলাৰৱ প্ৰস্তাৱ ছেপ্টেম্বৰ, ১৯৯৮ চনত পোৱা হৈছে।

(ঘ) বৰপাৰা ভাটিপাৰা নামঘৰৰ মাটি আৱণ্টন হৈছে। বঙাইগাঁও চহৰৰ বিজুলী কলাৰৱ প্ৰস্তাৱ অনুমোদনৰ বাবে ১৯৯৯ চনৰ ৫ মে' তাৰিখে আৰ এছ এছ ৬৯৭/৯৮/১০ যোগে এক প্ৰতিবেদন উপায়ুক্তৰ পৰা বিচৰা হৈছিল। পুনৰ ৪-৮-২০০৭ তাৰিখে এক সোঁৱৰণী পত্ৰ প্ৰেৰণ কৰা হৈছে। প্ৰতিবেদন পালে বিষয়টোৰ ওপৰত বিবেচনা কৰিব পৰা হ'ব।

***শ্ৰীফণীভূষণ চৌধুৰী ঃ** অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে এতিয়াও ২১৩০ টা ভূমি আৱণ্টনৰ প্ৰস্তাৱ ৰাজহ বিভাগত পৰি আছে। আমি জনাত এতিয়াও বিভিন্ন সময়ত বছৰ বছৰ ধৰি ভূমি আৱণ্টনৰ প্ৰস্তাৱ ৰাজহ বিভাগত পৰি আছে। বিজুলী কলাৱৰ প্ৰস্তাৱটো ১৯৯৮ চনতে আহিছিল যদিও এতিয়াও নিষ্পত্তি নোহোৱাকৈ ৰাজহ বিভাগত পৰি আছে। গতিকে মই মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এতিয়ালৈকে যিবিলাক প্ৰস্তাৱ অনুমোদন নোহোৱাকৈ পৰি আছে সেই বিলাক জিলাৰ উপায়ুক্ত বা মহকুমাধিপতি সকলক নিষ্পত্তি কৰাৰ বাবে চৰকাৰে অথৰাইজ কৰি দিয়াৰ ব্যৱস্থা ল'ব নেকি?

***ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই সম্পৰ্কে আমি দেখিছো যে এনেদৰে বহুতো প্ৰস্তাৱ ৰাজহ বিভাগত নিষ্পত্তি নোহোৱাকৈ পৰি আছে। এইটো ঠিক নহয়। যিবিলাক প্ৰস্তাৱ আছে সেইবিলাক সোনকালে নিষ্পত্তি কৰাৰ বাবে সিদ্ধান্ত ল'ব লাগে। অৱশ্যে বিভিন্ন কাৰণত এইবিলাক নিষ্পত্তি নোহোৱাকৈ পৰি থাকে। কিছুমান প্ৰস্তাৱৰ কিলয়াৰিংৰ বাবে উপায়ুক্ত বা মহকুমাধিপতিসকললৈ চিঠি লিখাৰ পিছত সেইবোৰ ৰিপোৰ্ট দেৰিকৈ অহাৰ বাবে প্ৰস্তাৱবোৰ বহু দিনলৈকে পৰি থাকে। গোহাঁইঘৰৰ যিটো প্ৰস্তাৱৰ কথা কোৱা হৈছিল সেইটো হৈছে। দ্বিতীয়তে, বিজুলী কলাৱৰ প্ৰস্তাৱটোৰ ক্লিয়াৰেঞ্চ অহা নাছিল কিলয়াৰেঞ্চ আহিলে আমি সোনকালে অনুমোদনৰ ব্যৱস্থা কৰিম। ইয়াৰোপৰি যিবোৰ প্ৰস্তাৱ এতিয়ালৈকে নিষ্পত্তি নোহোৱাকৈ পৰি আছে সেইবোৰ সোনকালে নিষ্পত্তি কৰাৰ ব্যৱস্থা আমি লম। মাননীয় সদস্যজনে ভূমি আৱণ্টনৰ বাবে জিলা উপায়ুক্ত বা মহকুমাধিপতি সকলক যি কতৃত্ত দিয়াৰ কথা কৈছে এই সম্পৰ্কে আমি কও যে ১৯৮৬ চনৰ আসাম লেণ্ড ৰেভিনিউ মেনুৱেল যিখন আছে আমি সেইখন লৈয়ে চলি আছো। গতিকে সেইখন সংশোধন নোহোৱাকৈ আমি একো কৰিব নোৱাৰিম। ইয়াত মাটিবাৰীৰ কথা আছে। এতিয়া আমি এটা ব্যৱস্থা লম যে আমি এটা সময়সীমা বান্ধি দিম আৰু সেই সময় সীমাৰ ভিতৰত প্ৰস্তাৱবোৰ অনুমোদন কৰিব।

---

*** Speech not corrected**

*শ্রীফণীভূষণ চৌধুৰী ঃ প্ৰস্তাৱবোৰ নিষ্পত্তি কৰাৰ কিবা সময় সীমা আছে নেকি? যদি আছে এই ভূমি উপদেষ্টা সমষ্টিৰ মিটিং কেতিয়া বহিব লাগে?

*ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট সময় নাই। এই উপদেষ্টা সমষ্টিৰ বৈঠক এই মাহতো হ'ব পাৰে। কিন্তু কিছুমান ঠাইত আমি দেখিছো যে ভূমি উপদেষ্টা বোৰ্ডৰ বৈঠক বহু পলমকৈ হয়। সেই কাৰণে আমি চৰকাৰে এটা নীতি কৰিব খুজিছো যে ভূমি উপদেষ্টা বোৰ্ডৰ বৈঠক অন্তত তিনি মাহৰ ভিতৰত এখন বৈঠক বাহিব লাগিব আৰু যদি বোৰ্ডৰ এক তৃতীয়াংশ সদস্যই মিটিঙৰ বাবে ৰিকুইজিচন দিয়ে তেতিয়াও বোৰ্ডৰ মিটিং পাতিব লাগিব।

*ডাঃ আদিত্য লাংথাচা ঃ অধ্যক্ষ মহোদয়, আমি জনাত অসমৰ বিভিন্ন জিলাত এতিয়াও ভূমি উপদেষ্টা বোৰ্ডৰ বৈঠক অনুষ্ঠিত হোৱা নাই। বিশেষকৈ আমাৰ হোজাই মহকুমাত এই লৈ বহু খেলি মেলি হৈছে। আমি বিধায়কসকলে হোজাই মহকুমাৰ মহকুমাধিপতিক এই সম্পৰ্কে কৈ আছো যদিও আজিলৈকে এখনো মিটিং পতা নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে এনেদৰে যিবিলাক ঠাইত ভূমি উপদেষ্টা সমিতি গঠন হোৱা নাই সেইবোৰ সম্পৰ্কে মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰিব?

* শ্ৰীনুৰুল হুছেইন ঃ মাননীয় অধ্যক্ষ মহোদয় যোৱা বিধান সভাতো মন্ত্ৰী মহোদয়ে কৈছিল যে ভূমি উপদেষ্টা সমিতিৰ বৈঠক তিনি মাহৰ মূৰত হ'ব লাগে। কিন্তু সেইমতে হোৱা নাই। গতিকে কিবা বিকল্প আছে নেকি?

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ কামৰূপৰ মানুহক ভূমি উপদেষ্টা বোৰ্ডত ভূমি আৱণ্টন নিদিবৰ কাৰণে চৰকাৰে কিবা ডাইৰেকচন দিয়া আছে নেকি?

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী ৰাজহ বিভাগ) ঃ অধ্যক্ষ মহোদয়, আমি সেইটো বন্ধ কৰা নাই। ভূমিহীন মানুহক মাটি আৱণ্টন দিয়াটো বন্ধ কৰা নাই।

* Speech not corrected

*** শ্ৰীপ্ৰণৱ কলিতা ঃ** এন জি ওক দিয়াটো বন্ধ কৰিছে নেকি?

*** শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** অধ্যক্ষ মহোদয়, কামৰূপৰ দুখন। এখন মেট্ৰো আৰু এখন ৰুৰেল।

*** ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী ৰাজহ বিভাগ) ঃ** অধ্যক্ষ মহোদয়, কামৰূপৰ ৰুৰালৰ এটা অংশ গুৱাহাটীত পৰে। পলাশবাৰীৰ এটা অংশ পৰে। ভূমিহীনক মাটি দিয়াৰ বাবে মিটিং পতা আমি বন্ধ কৰা নাই।

***শ্ৰীবৃন্দাবন গোস্বামী ঃ** নগৰীয়া অঞ্চলৰ মাটি কোনোবা ব্যক্তিগত মানুহক দিয়াৰ বাবে চৰকাৰৰ আগতীয়া অনুমোদনৰ প্ৰয়োজন আছে নেকি? দ্বিতীয়তে, মিউনিচিপালিটি এলেকাৰ মাটি আৱণ্টন দিয়াৰ ক্ষেত্ৰত চৰকাৰৰ আগতীয়া অনুমোদন ল'ব লাগে নেকি?

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইবোৰ অঞ্চলত মাটি বিতৰণৰ বাবে আগতীয়াকৈ চৰকাৰৰ অনুমোদন ল'ব লাগিব। কোনোবাই যদি তেনেকুৱা কৰিছে আমি সেইটো নিশ্চয় চাম।

***শ্ৰীবৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত ৰাজহ বিভাগৰ যিজন চাব ৰেজিষ্টাৰে আগতীয়াকৈ চৰকাৰৰ অনুমোদন নোলোৱাকৈ নিজাববীয়াকৈ প্ৰায় ৯৩ লাখ টকাৰ সম্পত্তি তিনি বছৰৰ কাৰণে লিজত দি দিছে, তেওঁৰ বিৰুদ্ধে ব্যৱস্থা ল'ব লাগে। মই লিষ্ট দি দিম, আপুনি ব্যৱস্থা ল'ব।

***ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা কিবা দিলে আমি নিশ্চয় ব্যৱস্থা লম। আমি কেইজনমান চাব ৰেজিষ্টাৰক চাচপেন কৰিছো আগতে আমাৰ মাননীয় সদস্য চন্দী বসুমতাৰীয়ে কৈছে, যিসকল চাব ৰেজিষ্টাৰে প্ৰয়োজনীয় অনুমোদন নোহোৱাকৈ এনেকুৱা কৰিছে তেওঁ লোকৰ ওপৰত একচন লৈ থকা হৈছে আৰু ভৱিষ্যতেও লোৱা হ'ব।

**Mr. Speaker : Now, Starred Question No. 24, Hon'ble Member, Shri Membor Gogoi.**

**বিষয় ঃ ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া প্ৰতিৰোধ।**

**শ্ৰী মেম্বৰ গগৈয়ে সুধিছে ঃ**

*২৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহণ কৰি জনাবনে ঃ

(ক) যোৰহাট জিলাৰ টীয়ক সমষ্টিৰ শগুনপৰাৰ পৰা হাতীশাললৈকে ব্ৰহ্মপুত্ৰৰ বানত গৰাখহনীয়া হোৱাটো চৰকাৰে জানেনে? কি ব্যৱস্থাৰ যোগেদি উক্ত খহনীয়া নিৰাময় কৰিব বিচৰা হৈছে?

(খ) যদি ব্যৱস্থা লোৱা হৈছে, এতিয়া কি পৰ্যায়ত আছে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় জানে।

অতিকৈ খহনীয়াগ্ৰস্ত এলেকাত অৰ্থাৎ শগুনপাৰা, তিনিঘৰীয়া আৰু জপংগাঁও অঞ্চলত গৰাখহনীয়া প্ৰতিৰোধৰ বাবে R.C.C porcupine সম্বলিত আঁচনি এখন কাৰ্যকৰী কৰা হৈছে।

(খ) উক্ত গৰাখহনীয়া প্ৰতিৰোধ ব্যৱস্থাৰ কাম যোৱা ১৫/৭/২০০৭ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে আৰু আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

***শ্ৰী মেম্বৰ গগৈ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল শগুনপাৰাৰ পৰা হাতীশাললৈ বহ্মপুত্ৰৰ গৰাখহনীয়াৰ কিবা ব্যৱস্থা লৈছে নেকি, তাৰ উত্তৰত ব্যৱস্থা লোৱা হৈছে বুলি কোৱা বাবে মই ধন্যবাদ জনাইছো। হাতীশালৰ আৰু যি ৮ কিঃ মিঃ থাকিল সেইখিনিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনালো। এই স্কিম ধৰা হৈছে এম, এন, আৰ হেডত। এম, এন, আৰলৈ ঠিকাদাৰেও ভয় খাই অফিচাৰেও ভয় খায়। এম, এন, আৰৰ টকাটো সোনকালে ৰিলিজ কৰিবলৈ মই ৰাজহমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

---

*** Speech not corrected**

*ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যি কথা কৈছে সেইটো সঁচাকৈয়ে গুৰুত্বপূৰ্ণ বিষয়। এই বিষয়ত মই জনাব খুজিছো... পঢ়ি দিয়ে। (কপি গাঁঠি দিয়া হ'ল)।

যোৰহাট জিলাৰ টিয়ক সমষ্টিৰ অন্তৰ্গত শস্ত্ৰাপৰাৰ পৰা হাতীশাললৈকে ব্ৰহ্মপুত্ৰ নদীৰ গৰাখহনীয়া বিগত ১৯৯২ চনৰ পৰা আৰম্ভ হোৱা পৰিলক্ষিত হয়। ২০০৪ চনৰ পৰা এই খহনীয়াৰ প্ৰকোপ বৃদ্ধি হৈছে।

শগুনপাৰা, তিনিঘৰীয়া আৰু জপংগাঁও এলেকাত গৰাখহনীয়াৰ প্ৰকোপৰ প্ৰতি লক্ষ্য ৰাখি জৰুৰীকালীনভাৱে এখন আঁচনি M&Rশিতানত হাতত লোৱা হৈছে। আঁচনিখন হৈছে M&R to Brahmaputra dyke from Mukaloui to Jhanjimukh for 2007-08 (Anti erosion measures at Sagunpara, Tinigharia and Japang gaon area)', প্ৰাক্কলন মূল্য- ৫৫,০০ লাখ টকা। আঁচনিখনৰ জৰিয়তে অতিশয় খহনীয়াগ্ৰস্ত অঞ্চলৰ ১০৮০ মিটাৰ দৈৰ্ঘ্যৰ পাৰত RCC Porcupine দিয়াৰ ব্যৱস্থা কৰা হৈছে। আঁচনিখনৰ প্ৰাৰম্ভিক কামখিনি ১৫-৭-২০০৭ তাৰিখৰ পৰা আৰম্ভ কৰা হৈছে আৰু আগষ্ট মাহৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

তাৰোপৰি, শগুনপৰাৰ পৰা হাতীশাললৈকে বিস্তৃৰ্ণ এলেকাক ব্ৰহ্মপুত্ৰ নদীৰ বান আৰু গৰাখহনীয়াৰ পৰা সুৰক্ষা দিবলৈ— "R/S to B/Dyke from Jhanjimukh to Neamati Ph-I including dowel along Modoijan PWD Road and Anti crosing works at Sagunpara area" নামৰ ১১৬২.৯৭ লাখ টকা প্ৰাক্কলন মূল্যৰ আঁচনি এখন ৩৮ তম কাৰিকৰী উপদেষ্টা সমিতিয়ে অনুমোদন জনাইছে। আঁচনিখন যথোচিত বাৰ্ষিক পৰিকল্পনাত অন্তৰ্ভুক্তি তথা প্ৰয়োজনীয় পুঁজিৰ আৱণ্টন সাপেক্ষে কাৰ্যকৰী কৰিব পৰা যাব।

* Speech not corrected

*শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ ইৰোচনৰ ওপৰত ক'বলৈ দিব নেকি ছাৰ?

**Mr. Speaker : (To Shri Girindra Baruah. This question is Purely of your Constituency.)**

**বিষয় ঃ Resarve Land.**

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

*২৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহণ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত Resarve Land. হিচাপে থকা মাটিৰ পৰিমাণ কিমান? (সদনৰ মেজত সমষ্টি ভিত্তিত বিতং তথ্য দাখিল কৰিব)

(খ) এতিয়ালৈকে সৰুক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত Resarve Land ত কিমান মাটিৰ পট্টা ভূমিহীন লোকসকলক দিয়া হৈছে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰপেটা জিলাত মুঠ সংৰক্ষিত (Resarve Land) মাটিৰ পৰিমাণ ৯১,৪৮৯ বিঘা ০ কঠা ১২ লেচা।

সমষ্টিভিত্তিত মাটিৰ পৰিমাণ তলত দেখুৱা হ'ল—

(১) বৰপেটা সমষ্টিত—— ৩৯৪৬ বিঘা ০ কঠা ৭ লেচা।

(২) চেঙা সমষ্টিত—— ৫০৪৭ বিঘা ২ কঠা ১৭ লেচা।

(৩) বাঘবৰ সমষ্টিত—— ১৮৭২৯ বিঘা ৩ কঠা ১৫ লেচা।

(৪) জনীয়া সমষ্টিত—— ২৫৯১ বিঘা ১ কঠা ১৫ লেচা।

(৫) সৰভোগ সমষ্টিত—— ১৯২২৭ বিঘা ০ কঠা ১২ লেচা।

(৬) সৰুক্ষেত্ৰ সমষ্টিত—— ৩২১৩৩ বিঘা ৩ কঠা ১৮ লেচা।

(৭) ভৱানীপুৰ সমষ্টিত—— ৫৫৬২ বিঘা ১ কঠা ১৩ লেচা।

(৮) পাটাছাৰকুছি সমষ্টিত—— ৪২৫১ বিঘা ০ কঠা ১৫ লেচা।

---

* Speech not corrected

(ক) বৰ্তমান সৰুক্ষেত্ৰী সমষ্টিত কোনো ভূমিহীন পৰিয়ালক PGR/VGR মাটি পট্টন দিয়া হোৱা নাই। কিন্তু ১০৪৫৬ বিঘা মাটি ভূমিহীন পৰিয়ালক আবণ্টন দিয়া হৈছে।

*** ডাঃ তাৰা প্ৰসাদ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৮ টা সমষ্টিত দিছে ৩২ বিঘা মাটি ৰিজাৰ্ভ হিচাপে আছে। কিছুমান অঞ্চলৰ মানুহে ভোটাৰ লিষ্টত নাম ভৰাই ভোট দি আছে। কিন্তু মাটিৰ পট্টা দিব পৰা নাই। মই মন্ত্ৰী মহোদয়ক এই অনুৰোধ জনাওঁ যে এই কথাটো বিবেচনা কৰি ভূমিহীন লোকক সোনকালে পট্টা দিয়াৰ ব্যৱস্থা কৰিব।

*** ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে কোৱা কথাটো সত্য। গৰাখহনীয়া আদিৰ কাৰণে বহু ঠাইৰ পৰা মানুহ আহি এই ৰিজাৰ্ভ লেণ্ডবোৰত বহিছে। ১৯৮৯ চনৰ লেণ্ড এক্ট মতেই এতিয়াও চলি আছে। এতিয়া আমি এই ক্ষেত্ৰত পুনৰ বিবেচনা কৰিম। আৰু ইয়াৰ ভিতৰত কিছুমান মানুহক তেখেতৰ সমষ্টিত ১০ হেজাৰ ৪৫৪ বিঘা মাটি ভূমিহীন পৰিয়ালক আবণ্টন দিয়া হৈছে। তেখেতৰ কথাটো আমি বিবেচনা কৰি ব্যৱস্থা লম।

*** শ্ৰীউদ্ধৱ বৰ্মন ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিব বিচাৰিছো, এই কাৰণে যে নদীৰ গৰা খহনীয়াৰ কাৰণে আজি বহু বছৰ ধৰি বহুত পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। এবছৰ নহয়, দুবছৰৰ নহয় আজি বহুত বছৰ ধৰি এই পৰিয়াল বিলাকে চৰকাৰী মাটি দখল কৰি আছে। এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে যাতে বিহিত ব্যৱস্থা লয় তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। যিবিলিকা ভূমিহীন পৰিয়ালক মাটিৰ পট্টা বা এলটমেণ্ট দিয়া নাই, সেইবিলাক পৰিয়ালক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**Mr. Speaker : Question Hour is over.**

**(Starred Question Nos. 26 to 40 could not be taken up for disposal as the question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to.)**

---

*** Speech not corrected**

বিষয় ঃ মাটিৰ পঞ্জীয়ন।

**শ্ৰীচন্দী বসুমতাৰীয়ে সুধিছে ঃ**

২৬। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ জ্যেষ্ঠ উপ পঞ্জীয়কৰ কাৰ্যালয়ত যোৱা ১০/১/২০০৭ ইং তাৰিখত ৪৮১, ৪৮২, ৪৮৩ আৰু ৪৮৭ নং যোগে বিক্ৰী হোৱা মাটিৰ কোনখন দলিলত কিমান মাটি পঞ্জীয়ন কৰা হৈছে?

(খ) উক্ত দলিলৰ মাটিসমূহ বিক্ৰী দলিল কৰাৰ বাবে বিভাগীয়ভাৱে অনুমতি লোৱা হৈছিলনে?

(গ) যদি লোৱা নাই, জালিয়তি কৰি অনুমতি লোৱাটো সঁচানে?

(ঘ) যদি সঁচা, তেন্তে উক্ত অনৈতিক কামত জড়িত কৰ্মচাৰীৰ বিৰুদ্ধে ব্যৱস্থা ল'বনে?

(ঙ) উপৰোক্ত দলিলৰ মাটিসমূহ জনজাতি বেল্টৰ অন্তৰ্ভুক্ত হয়নে?

(চ) বৰ্তমান অসমত কিমান উপ-পঞ্জীয়কৰ পদ খালী হৈ আছে আৰু গুৱাহাটীত কিমানজনে অতিৰিক্ত উপ-পঞ্জীয়ক পদ বিহীনভাৱে কাম কৰি আছে?

(ছ) গুৱাহাটী উপ-পঞ্জীয়কৰ কাৰ্যালয়ত পদ বিহীনভাৱে শ্ৰীদিবাকৰ শৰ্মাই কাম কৰি থকাটো সঁচা নেকি? যদি সঁচা, তেন্তে তেওঁ সম্পাদন কৰা দলিল বিলাক বৈধনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী জ্যেষ্ঠ উপ-পঞ্জীয়কৰ কাৰ্যালয়ত ১০/১/২০০৭ তাৰিখত পঞ্জীয়ন হোৱা

৪৮১ নং দলিলত ১৪ বিঘা ২ কঠা ১৫ লেচা,

৪৮২ নং দলিলত ৯ বিঘা ৪ কঠা ৫ লেচা,

৪৮৩ নং দলিলত ২ বিঘা ২ কঠা ১৮ লেচা আৰু

৪৮৭ নং দলিলত ২ বিঘা ৩ কঠা ৮ লেচা মাটি বিক্ৰী হয়।

(খ) লোৱা নাই।

(গ) দলিলত উল্লেখ কৰা বিক্ৰী মাটিৰ লগত অনুমতি পত্ৰৰ তপশীলৰ মিল নাই।

(ঘ) তদন্ত কৰি বিধিমতে ব্যৱস্থা লোৱা হ'ব।

(ঙ) হয়।

(চ) মুঠ ১০ টা উপ-পঞ্জীয়কৰ পদ খালী আছে। নগাঁৱৰ উপ-পঞ্জীয়ক পদৰ বিপৰীতে নিযুক্ত কৰ্মচাৰীজনে চৰকাৰৰ নিৰ্দেশ মৰ্মে গুৱাহাটীত কাৰ্যনিৰ্বাহ কৰি আছে।

(ছ) সঁচা। চৰকাৰৰ অধিসূচনা যোগে নিযুক্তি প্ৰাপ্ত উপ-পঞ্জীয়কৰ দ্বাৰা পঞ্জীয়ন বৈধ।

**বিষয় ঃ আঁচনিৰ অনুমোদন।**

**শ্ৰীপদ্ম হাজৰিকাই সুধিছে ঃ**

২৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

**(ক) ২০০৬-২০০৭ বিত্তীয় বৰ্ষৰ গৰাখহনীয়া আৰু বান প্ৰতিৰোধৰ বাবে CRF শিতানৰ কিমান পুঁজি মুকলি কৰি দিলে? (বিতং তথ্য দাখিল কৰিব)**

**(খ) ২০০৬-২০০৭ বৰ্ষত কামৰূপৰ দুয়োখন জিলা আৰু নলবাৰী জিলাৰ বাবে CRF ৰ কি কি আঁচনি কি প্ৰস্তাৱৰ ভিত্তিত অনুমোদন কৰা হ'ল? (বিতংকৈ তথ্য দাখিল কৰিব)**

**(গ) CRF ৰ কিমান ধন বৰ্তমান বিভাগত জমা আছে আৰু ধন আবণ্টন পাবলৈ কিমান জিলাৰ পৰা কিমান প্ৰস্তাৱ আহিছে? (তথ্য সহ সদনৰ**

মেজত দাখিল কৰিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষৰ গৰাখহনীয়া আৰু বান প্ৰতিৰোধৰ বাবে মুঠ ১৯,৫৬,৭৯,০০০/- টকা দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত মুকলি কৰি দিয়া হয়। (আঁচনিসমূহৰ তালিকা সংলগ্ন 'ক'ত দিয়া হ'ল) (See Annexure-II)

(খ) ২০০৬-০৭ বৰ্ষত কামৰূপ, কামৰূপ (মহানগৰ) আৰু নলবাৰী জিলাৰ বাবে অনুমোদন কৰা আঁচনিৰ বিতং তথ্য তালিকাত (সংলগ্ন 'খ')ত দেখুওৱা হ'ল। (See Annexure-II)

**বিষয় ঃ বিকল আঁচনিৰ সংখ্যা।**

**শ্ৰী আব্দুল খালেকে সুধিছে ঃ**

***২৮।** মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাত কিমান সংখ্যক খোৱাপানী যোগান আঁচনিৰ বিপৰীতে কিমান আঁচনি বিকল অৱস্থাত আছে? ইয়াৰে মন্দিয়া আৰু পাগলমাৰী পানী যোগান আঁচনি কিমান দিন ধৰি বিকল হৈ আছে?

(তালিকা দাখিল কৰিব)

(খ) বিকল আঁচনি সমূহ সুচল কৰিবলৈ বৰ্তমান বিত্তীয় বৰ্ষত বাজেটত কিমান টকা ধাৰ্য কৰা হৈছে আৰু বৰপেটা জিলাত বাজেটৰ কিমান টকাৰ বিপৰীতে মোকলাই দিয়া ধনৰ পৰিমাণ কিমান? যদি মোকলাই দিয়া হৈছে তেন্তে ক'ত কেনেদৰে এই টকা খৰছ কৰা হৈছে? (বিতং তথ্য দিব)

(গ) অহা বিত্তীয় বৰ্ষত বাজেটত পুঁজি ধাৰ্য্য কৰি অগ্ৰাধিকাৰ ভিত্তিত জনীয়া সমষ্টিৰ লাংলা আৰু ভাতকুছিত দুটা খোৱা পানী যোগান আঁচনিৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীৰিহন দৈমাৰী (জনস্বাস্থ্য কৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰপেটা জিলাত মুঠ ৯৪ টা পাইপ পানী যোগান আঁচনিৰ বিপৰীতে ২১ টা আঁচনি বিকল হৈ আছে আৰু ১৩ টা আঁচনি নিৰ্মীয়মান অৱস্থাত আছে।

(তালিকা Annexure-I)ত সংলগ্ন কৰা হ'ল) (See Annexure-IV)

মন্দিয়া আৰু গাগলমাৰী পানী যোগান আঁচনি দুখন ২০০৪ চনৰ প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত হোৱা বাবে বিকল হৈ আছে। মন্দিয়া পানী যোগান আঁচনিখন ২০০৬ চনত এফ দি আৰ শিতানৰ ধনেৰে কাৰ্যক্ষম কৰা হৈছে যদিও গাগলমাৰী পানী যোগান আঁচনিখন বিকল হৈ আছে।

(খ) সমগ্ৰ অসমত বিকল আঁচনিসমূহ সুচল কৰিবৰ কাৰণে বৰ্তমান বিত্তীয় বৰ্ষত 'ষ্টেটপ্লেন'ৰ অধীনত ৩৫০.০০ লাখ টকা ধাৰ্য কৰা হৈছে আৰু উক্ত ধনৰাশি পোৱাৰ পিছতে জিলাভিত্তিক আৱণ্টন ধাৰ্য কৰা হ'ব।

(গ) বিভাগীয় নিয়ম অনুসাৰে, পুঁজি সাপেক্ষে লাংলা আৰু ভাতকুছি আঁচনিৰ প্ৰস্তাৱ অহা বিত্তীয় বৰ্ষত বিবেচনা কৰা হ'ব।

*২৯। মাননীয় সাহাৰ্য্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষত দুৰ্যোগ সাহায্য পুঁজি (calamity Relief Fund)ৰ অধীনত আৱণ্টিত পুঁজিৰ মুঠ পৰিমাণ কিমান আছিল? ইয়াৰে কিমানখিনি ধন ব্যয় কৰা হৈছে। (তথ্য সহ দিব)

(খ) অব্যৱহৃত সাহাৰ্য্য পুঁজিৰ পৰিমাণ কিমান? এই ধন ব্যয় কৰিব নোৱাৰাৰ কাৰণ কি?

(গ) দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত বিজনী সমষ্টিত উক্ত বিত্তীয় বৰ্ষত আৱণ্টিত পুঁজিৰ পৰিমাণ কিমান? ইয়াৰে কিমানখিনি ধন ব্যৱহৃত হৈছে। (তথ্যসহ দিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষত দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত মুঠ ১৯৩.০৫ কোটি টকা ধাৰ্য কৰা আছিল। ইয়াৰে ৮০.২৭ কোটি টকা ব্যয় কৰা হৈছে।

(খ) অব্যৱহৃত পুঁজিৰ পৰিমান হ'ল ১১৮.৩৫ কোটি টকা। যিহেতু ২০০৬ চনত খৰাং সদৃশ পৰিস্থিতিৰ বাবে আন ডাঙৰ বানপানী প্ৰাকৃতিক দুৰ্যোগ হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰে বান্ধি দিয়া নিয়ম অনুসৰি দুৰ্যোগ পুঁজিৰ ধন ব্যৱহাৰ কৰা হৈছে।

(গ) দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত সমষ্টি ভিত্তিত কোনো ধন দিয়া নহয়। ২০০৬-০৭ বিত্তীয় বৰ্ষত বিজনী মহকুমাধিপতিৰ পৰা পোৱা তথ্য অনুসৰি দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত ৬,৪৪,০০০ টকা জিলা উপায়ুক্তৰ পৰা পোৱা আঁচনিৰ বিপৰীতে আৱণ্টন দিয়া টকাৰ ভিতৰত ১,৭৪,৬০১/- টকা বিজনী সমষ্টিত ব্যৱহাৰ কৰা হৈছে।

**বিষয় ঃ অসমৰ মুঠ মাটি কালি।**

**শ্ৰী সুশীল দত্তই সুধিছে ঃ**

*৩০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সমগ্ৰ অসমৰ মাটি কালি কিমান?

(খ) অসমৰ লগত লাগি থকা নাগালেণ্ড, মিজোৰাম, মণিপুৰ, অৰুণাচল, ত্ৰিপুৰা, পশ্চিমবংগ আৰু মেঘালয়ে অসমৰ কিমান মাটি দখল কৰি ৰাখিছে?

(গ) বাংলাদেশে অসমৰ কিমান মাটি দখল কৰি ৰাখিছে?

(ঘ) অসমৰ লগত লাগি থকা বাংলাদেশৰ আন্তৰ্জাতিক সীমাৰ স্থল আৰু জল পথৰ দৈৰ্ঘ্য কিমান?

(ঙ) অসম বাংলাদেশৰ মাজত আন্তৰ্জাতিক সীমাৰ কাঁটা তাৰৰ ৰেৰৰ নিৰ্মাণ কিমান কিলোমিটাৰ হৈছে আৰু কিমান কিলোমিটাৰ কাটা তাৰৰ বেৰ নিৰ্মাণ কৰিবলৈ বাকী আছে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ মুঠ মাটিকালি ৭৮.৫৫০ বৰ্গ কিলোমিটাৰ।

(খ) নগালেণ্ড — ৬৬২৪১.০০ হেক্টৰ।

মেঘালয় — ৫৪৭০.৯২ হেক্টৰ।

অৰুণাচল — ১৩১৮৪.৮৭ হেক্টৰ।

মিজোৰাম — ১৯৮৬.০০ হেক্টৰ।

পশ্চিমবংগ — ৩.৩৩ হেক্টৰ।

মণিপুৰ আৰু ত্ৰিপুৰাৰ কোনো বেদখল নাই।

(গ) ২০২.৪০ হেক্টৰ

প্ৰতিবেদন মতে কৰিমগঞ্জ জিলাৰ ৩১০.৭৭ একৰ আৰু ধুবুৰী জিলাৰ ১৮৯.৬০ একৰ মুঠ ৪৯৯.৮৩ একৰ মাটি পূৰ্বৰ পূৱ পাকিস্তান এতিয়াৰ বাংলাদেশ গঠন হোৱাৰ পূৰ্বৰে পৰা দখলত থকা মাটি আছিল। কৰিমগঞ্জ জিলাৰ প্ৰতিকূল দখলৰ মাটি ১৯৬৪-৬৫ চনৰ পৰা আৰু ধুবুৰী জিলাৰ মাটি ভাৰত বিভাজন হোৱা (১৯৪৭) চনৰে পৰা তেতিয়াৰ পূৱ-পাকিস্তানৰ দখলত আছিল।

(ঘ) ২৬৩ কিঃ মিঃ (স্থলপথ ১৯৮ কিঃ মিঃ আৰু জলপথ ৬৫ কিঃ মিঃ)

(ঙ) সম্পূৰ্ণ হোৱা পথৰ দৈৰ্ঘ্য— ১০৪.৭২ কিঃ মিঃ।

অসম্পূৰ্ণ পথৰ দৈৰ্ঘ্য — ৮২.৪৫৫ কিঃ মিঃ।

বিষয় ঃ পকী ৰাস্তা আৰু বিদ্যালয় স্থাপন।

শ্ৰী জ্যোতিপ্ৰসাদ দাসে সুধিছে ঃ

*৩১। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) কামৰূপ জিলাৰ বকো বিধান সভা সমষ্টিৰ অন্তৰ্গত অসমৰ ভূমিত মেঘালয় চৰকাৰে পকীৰাস্তা আৰু বিদ্যালয় স্থাপন কৰিছে নেকি?

(খ) যদি কৰিছে, তেন্তে অসম চৰকাৰে তাৰবাবে কি ব্যৱস্থা গ্ৰহণ কৰিছে? উক্ত পকী হোৱা ৰাস্তা আৰু বিদ্যালয়সমূহ উচ্ছেদকৰণ ব্যৱস্থা অতি শীঘ্ৰে কৰিব নেকি?

(গ) উক্ত সীমান্ত অঞ্চলত বাসবাস কৰা অসমৰ জনসাধাৰণৰ বাবে উন্নয়নমূলক ব্যৱস্থা অতি শীঘ্ৰে কৰিব নে? যদি কৰিব, তেন্তে কি কি উন্নয়নমূলক কাম কৰিব?

(ঘ) মেঘালয় ৰাজ্য স্থাপনৰ পিছৰে পৰা উক্ত এলেকা সমূহত অসম চৰকাৰে কি কি উন্নয়নমূলক কাম কৰিছে তাৰ বিৱৰণ দাখিল কৰিবনে?

শ্ৰীগৌতম ৰয় (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) পকী ৰাস্তা বনোৱা নাই। ১৭ খন প্ৰাথমিক বিদ্যালয় আৰু ২ খন এম ই স্কুল স্থাপন কৰিছে।

(খ) অসমৰ ভূখণ্ডত মেঘালয়ৰ দ্বাৰা হৈ থকা আগ্ৰাসন ৰোধ কৰিবৰ কাৰণে আৰু দুই ৰাজ্যৰ মাজত থকা সীমা বিবাদৰ আশু সমাধানৰ কাৰণে দুই ৰাজ্যৰ মাজত বিভিন্ন পৰ্যায়ত আলোচনা চলাই অহা হৈছে। কামৰূপ জিলাৰ (গ্ৰাম্য) উপায়ুক্ত আৰু পশ্চিম খাচী পাহাৰ জিলাৰ উপায়ুক্তৰ মাজত ৪/৬/২০০৫ তাৰিখেও এনে এধাৰি আলোচনা হৈ গৈছে য'ত দুই ৰাজ্যই কোনোধৰণৰ স্কুলঘৰ, চৰকাৰী কাৰ্যালয় আদি নিৰ্মাণ কাৰ্য সীমান্ত অঞ্চলত নকৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে।

(গ) আন্তঃৰাজ্যিক সীমান্ত অঞ্চলত বসবাস কৰা লোকসকলৰ বাবে উন্নয়নমূলক কাৰ্য যেনে ৰাস্তাঘাট নিৰ্মাণ, সীমা সুৰক্ষা চকীৰ আন্তঃ গাঁঠনি আদিৰ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থাগ্ৰহণ কৰিছে। ইতিমধ্যে উপায়ুক্তসকলৰ পৰা Comprehensive Plan বিচৰা হৈছে। প্ৰস্তাৱ পোৱাৰ পিছত পুঁজি সাপেক্ষে উন্নয়নমূলক ব্যৱস্থা গ্ৰহণ কৰিব পৰা হ'ব।

তথ্যমতে PMGSY ৰ অধীনত গোহাল কোনাৰ পৰা ওপৰ লাংপিলৈ এটা ৰাস্তা নিৰ্মাণ, নিম্ন লাংপিৰ পৰা ওপৰ লংপিলৈ ৰাস্তা নিৰ্মাণ, নিম্ন লাংপি, নোৱাপাৰা আৰু বনজাংত তিনিটা উপস্বাস্থ্য কেন্দ্ৰ নিৰ্মাণৰ প্ৰস্তাৱ, আদুগুৰি NEC ৰাস্তাৰ পৰা মাজবাৰী ভালুকমাৰী ৰাস্তা নিৰ্মাণৰ প্ৰস্তাৱ দাখিল কৰিছে।

(ঘ) উন্নয়নমূলক কামৰ খতিয়ান তলত দাঙি ধৰা হ'ল—

(১) বন্যাপাৰাৰ পৰা মলানঘাটলৈ পকী ৰাস্তা

(২) বকো গোহালকোনাৰ পৰা ওপৰ লাংপিলৈকে (১২ কিঃ মিঃ— ১৩.২০ কিঃ মিঃ) ৰাস্তাৰ মেৰামতি।

(৩) গমাৰিমূৰাৰ পৰা হাহিম ৰাস্তা (৩ য় কিঃ মিঃ) মেৰামতি।

(৪) ঔগুৰি-উকিয়াম ৰাস্তাৰ কাঠৰ দলং নিৰ্মাণ (২৩.৭৫ লাখ টকা)

বন্দাপাৰাৰ পৰা মলানঘাটলৈ পকী ৰাস্তা নিৰ্মাণ, বকো-গোহাল কোনাৰ পৰা ওপৰ লাংপিলৈ ৰাস্তাৰ কাম ১২ কিঃ মিঃৰ পৰা ১৩.২০ কিঃ মিঃ লৈ সীমান্ত উন্নয়ন পুঁজিৰে সম্পূৰ্ণ কৰা হৈছে ২০০৩-০৪ চনত গমাৰীমূৰাৰ পৰা হাহিম ৰাস্তা (৩য় কিঃ মিঃ) সীমান্ত উন্নয়নৰ টকাৰে repair কৰা হয়।

২০০৬-০৭ ঔগুৰী-উকিয়াম ৰাস্তাৰ দলং DDP ৰ অধীনত ২৩.৭৫ লাখ টকাৰে নিৰ্মাণ কৰা হয়।

২০০৬-০৭ চনত সীমান্ত এলেকাৰ পুঁজিৰে নিম্ন লাংপিৰ কনিষ্টবল বেৰেক নিৰ্মাণৰ বাবে ৩ লাখ টকা মঞ্জুৰী দিয়া হৈছে।

বিষয় ঃ আৰ্থিক সাহায্য।

**শ্ৰী কৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

*৩২। মাননীয় সাহায্য ও পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কেইবা মাহ আগতে মাজবাট বিধান সভা সমষ্টিত সংঘটিত হৈ যোৱা ধুমুহা তথা বা-মাৰলীত বিস্তৰ ভাৱে ক্ষতিগ্ৰস্ত পৰিয়ালবৰ্গলৈ চৰকাৰীভাৱে আৰ্থিক সাহায্য তথা ক্ষতিপূৰণ অনুদান দিয়াৰ ব্যৱস্থা কৰা হৈছেনে?

(খ) যদি হৈছে, কিমান পৰিয়ালক আৰ্থিক সাহায্য দিয়া হ'ল? (হিতাধিকাৰীৰ নাম তালিকা, আৰ্থিক অনুদানৰ তথ্যসহ দাখিল কৰিব?)

(গ) যদি অনুদানৰ ধন মোকোলাই দিয়া হৈছে কিন্তু বিতৰণ কৰা নাই তেনেহ'লে আনুষ্ঠানিকভাৱে বিতৰণ কৰাৰ ব্যৱস্থাৰ আয়োজন কৰিবলৈ ওদালগুৰিৰ উপায়ুক্তক নিৰ্দেশ দিবনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছে।

(খ) ২২৪৯ টা পৰিয়ালক আৰ্থিক সাহায্য মঞ্জুৰ কৰা হৈছে।

(হিতাধিকাৰীৰ তথ্য অনুবদ্ধ— 'ক'ত উপস্থাপন কৰা হৈছে)।

(See Annexure-V)

(গ) বিত্ত বিভাগৰ পৰা উক্ত মুকলি হ'লেই উপায়ুক্তক সভাপতি (বিধায়ককো মাতি) বিতৰণৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হ'ব)।

**বিষয় ঃ সীমা বিবাদ।**

**শ্ৰী ৰাজু চাহুয়ে সুধিছে ঃ**

*৩৩। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ সীমাৰ সৈতে সংলগ্ন হৈ থকা ৰাজ্য তথা বিদেশী ৰাষ্ট্ৰসমূহৰ লগত প্ৰায়ে উদ্ভৱ হৈ থকা অপ্ৰীতিকৰ পৰিস্থিতিৰ বিৰুদ্ধে চৰকাৰে স্থায়ী সমাধান সূত্ৰ উলিয়াবলৈ কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) এই পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ নিৰাপত্তা ব্যৱস্থা পৰ্যাপ্ত পৰিমানৰ চৰকাৰৰ হাতত আছেনে?

(গ) কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা এই ক্ষেত্ৰত কেনেধৰণৰ? (তথ্য সহকাৰে বিস্তৃতভাৱে জনাব)।

**শ্ৰীযুত গৌতম ৰয় (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ সীমাৰ সৈতে সংলগ্ন হৈ থকা ৰাজ্যসমূহৰ লগত প্ৰায়ে উদ্ভৱ হৈ থকা অপ্ৰীতিকৰ পৰিস্থিতিৰ বিৰুদ্ধে চৰকাৰে স্থায়ী সমাধান সূত্ৰ উলিয়াবলৈ তলত দিয়া ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

চুবুৰীয়া ৰাজ্য নগালেণ্ড আৰু অৰুণাচল প্ৰদেশে সীমা সমস্যাৰ সৃষ্টি কৰি অসমৰ মাটি বেদখল কৰাৰ কাৰণে এই দুখন ৰাজ্যৰ বিৰুদ্ধে অসম চৰকাৰে মাননীয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। নগালেণ্ডৰ বিৰুদ্ধে দেৱানী গোচৰ নং ২/৮৮ আৰু অৰুণাচল প্ৰদেশৰ বিৰুদ্ধে দেৱানী গোচৰ নং ১/৮৯ ৰুজু কৰা হৈছে। এই গোচৰৰ আধাৰত মাননীয় উচ্চতম ন্যায়ালয়ে অসমৰ সীমা নগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লগত চিহ্নিত কৰিবৰ কাৰণে ২৫/৯/২০০৬ ত এজন উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতিৰ অধ্যক্ষতাত তিনিজনীয়া এখন স্থানীয় আয়োগ গঠন কৰি দিছে। এই আয়োগৰ শুনানী বৰ্তমান চলি আছে। এই দুখন ৰাজ্যৰ লগত উদ্ভৱ হোৱা অপ্ৰীতিকৰ পৰিস্থিতি অধঃপতিত যাতে নহয় তাৰবাবে অসম চৰকাৰে মুখ্যমন্ত্ৰী, মুখ্য সচিব, প্ৰমুখ্যে বিষয়া পৰ্যায়ত আলোচনাও

চলাই আহিছে। অসম চৰকাৰে তাৰোপৰি বিষয়টোৰ ওপৰত চোকা দৃষ্টি ৰাখিবলৈ সময়ে সময়ে ভাৰত চৰকাৰৰ গৃহ-মন্ত্ৰণালয়ক পৰিস্থিতি অৱগত কৰাই আহিছে।

অসম আৰু মেঘালয়, মিজোৰামৰ মাজত চলি থকা সীমা বিবাদ নিষ্পত্তিৰ কাৰণে সংশ্লিষ্ট উপায়ুক্তৰ পৰ্যায়ৰ পৰা মুখ্যমন্ত্ৰী, মুখ্য সচিব পৰ্যায়লৈ আলোচনাৰে সমাধান সূত্ৰ উলিয়াবলৈ চেষ্টা চলাই অহা হৈছে। তাৎক্ষণিক অপ্ৰীতিকৰ পৰিস্থিতি মোকাবিলা কৰিবলৈ অসম চৰকাৰে উপযুক্ত নিৰ্দেশনা দি উপায়ুক্তসকলক ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৈ আহিছে।

চুবুৰীয়া ৰাজ্য মণিপুৰ, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ পৰা কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ খবৰ চৰকাৰৰ অৱগত নহয়।

যিহেতু বিদেশী ৰাষ্ট্ৰৰ লগত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হ'লেও এই বিলাক সমাধানৰ পথ ৰাজ্য চৰকাৰৰ আওতাৰ ভিতৰত নপৰে, গতিকে এই সম্পৰ্কত ৰাজ্য চৰকাৰৰ প্ৰয়োজন সাপেক্ষে উদ্ভৱ হোৱা পৰিস্থিতি মোকাবিলা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰে।

(খ) আন্তঃৰাজ্যিক সীমাত অসম চৰকাৰে যথেষ্ট সংখ্যক সীমান্ত চকী (BOP) নিৰ্মাণ কৰি সীমান্ত অঞ্চলত নিৰাপত্তা দি আহিছে। তাৰোপৰি অসম-নাগালেণ্ড সীমান্তত দুই ৰাজ্যৰ মাজত স্বাক্ষৰিত চুক্তি অনুযায়ী কেন্দ্ৰীয় সুৰক্ষা বাহিনীক (CRPF) নিৰপেক্ষ বাহিনী হিচাপে নিয়োগ কৰা আছে। পৰিস্থিতি অনুযায়ী অসম আৰক্ষী বাহিনীয়ে যদি নিৰাপত্তা দিয়াত যথেষ্ট নহয়, ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যাপ্ত পুলিচ বাহিনী বিচাৰে। প্ৰসংগত উল্লেখ থাকে যে আন্তঃৰাজ্যিক সীমাত থকা সীমান্ত চকীসমূহৰ আন্তঃগাঁঠনি মজবুত কৰি সমূহ সংলগ্ন ৰাস্তা-ঘাট, দলং আদি নিৰ্মাণ, উন্নতি কৰাৰ, সীমান্ত অঞ্চলসমূহ বৈদ্যুতিকৰণ আদিৰ বাবে চৰকাৰে পদক্ষেপ লৈছে যাতে নিৰাপত্তা ব্যৱস্থা আৰু মজবুত হয় আৰু সীমান্ত অঞ্চল সুৰক্ষিত হয়।

(গ) কেন্দ্ৰীয় চৰকাৰৰ ভূমিকা এই ক্ষেত্ৰত ইতিবাচক। অসম-নগালেণ্ড সমস্যা সমাধান কল্পে কেন্দ্ৰীয় চৰকাৰে সুন্দৰম কমিটি, শাস্ত্ৰী-কমিটি গঠন কৰি দিছিল যদিও নগালেণ্ডে এই কমিটিৰ প্ৰতিবেদন মানি নল'লে। অসম-মেঘালয় ৰাজ্যৰ সীমা বিবাদ নিষ্পত্তিৰ কাৰণে চন্দ্ৰচুৰ কমিটিও গঠন কৰি দিছিল।

**বিষয় ঃ মাটিৰ পট্টন।**

**শ্ৰী কেশৱ মহন্তই সুধিছে ঃ**

মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ষুদ্ৰ চাহ খেতিয়ক সকলক মাটিৰ পট্টন দিয়াৰ ক্ষেত্ৰত কি কি ব্যৱস্থা গ্ৰহণ কৰা হৈছে?

(খ) এই ক্ষেত্ৰত বিভাগীয় বিষয়াসকলক কেনেধৰণৰ নিৰ্দেশ দিয়া হৈছে? (নিৰ্দেশৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

(গ) কিমান ক্ষুদ্ৰ চাহ খেতিয়কে বৰ্তমান মাটিৰ পট্টন পালে? (জিলা ভিত্তিত উল্লেখ কৰিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ক্ষুদ্ৰ চাহ খেতিয়ক সকলক চাহ খেতিৰ বাবে খৰতকীয়াকৈ মাটিৰ পট্টন দিবলৈ উপায়ুক্ত সকলক ৰাজহ বিভাগৰ চিঠিৰ নং RSS.272/2007/5 dtd- 16/6/2007 আৰু D.O. No. RSS. 237/2007/2 dt. 27-3-07 মৰ্মে নিৰ্দেশ দিয়া হৈছে। ইয়াৰোপৰি ক্ষুদ্ৰ চাহ খেতিয়কসকলে বিত্তীয় ঋণ আদি লোৱাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ দখলী প্ৰমাণ পত্ৰ দিয়াৰ বাবে সকলো উপায়ুক্তলৈ নিৰ্দেশ জাৰি কৰা হৈছে।

(খ) ওপৰৰ 'ক' প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা হৈছে। নিৰ্দেশৰ প্ৰতিলিপি পৰিশিষ্ট 'ক' আৰু পৰিশিষ্ট 'খ' যোগে দাখিল কৰা হ'ল।

(See Annexure-VI)

(গ) এতিয়ালৈকে যোৰহাট জিলাত ৩ জন, ডিব্রুগড় জিলাত ২২ জন, গোলাঘাট জিলাত ৪ জন, লক্ষীমপুৰ জিলাত -৭৬ জন আৰু শিৱসাগৰ জিলাত ১৮ জন ক্ষুদ্র চাহ খেতিয়কক মাটিৰ পট্টন দিয়া হৈছে।

**বিষয় ঃ ধন ধাৰ্য।**

**ড° মনোৰঞ্জন দাসে সুধিছে ঃ**

*৩৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গৰাখহনীয়া, মথাউৰি, বান্ধ আদি নিৰ্মাণৰ বাবে চলিত বিত্তীয় বৰ্ষত সৰ্বমুঠ কিমান ধন ধাৰ্য কৰা হৈছে?

(খ) ভৱানীপুৰ সমষ্টিত এই ধনৰ পৰিমাণ কিমান?

(গ) ভৱানীপুৰ সমষ্টিত প্ৰতি বছৰে পহুমৰা আৰু পল্লা নদীয়ে সৃষ্টি কৰা বানপানীৰ তাণ্ডৱৰ পৰা সমষ্টিবাসী ৰাইজক ৰক্ষা কৰিবৰ বাবে কি কি আঁচনি লোৱা হৈছে? (প্ৰতিটো আঁচনিৰ বিপৰীতে ধনৰ পৰিমাণ উল্লেখ কৰি বিতংভাৱে জনাব)

(ঘ) অকল বাৰিষাৰ সময়তে নহয়, খৰালিৰ সময়তো বাংলিপাৰা গাঁৱত পহুমাৰা নদীয়ে আৰু শুকমানাহৰ পোৰা ভৰাল গাঁৱৰ লগতে আন বহুতো ঠাইত পল্লা নদীয়ে খহনীয়াৰ সৃষ্টি কৰি থকাৰ পিছতো জলসম্পদ বিভাগ সম্পূৰ্ণ নিমাত হৈ থকাৰ কাৰণ কি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গৰাখহনীয়াৰোধ, মথাউৰি, বান্ধ আদি নিৰ্মাণৰ বাবে জলসম্পদ বিভাগৰ অধীনত চলিত বিত্তীয় বৰ্ষত সৰ্বমুঠ ১৭,৯০০.০০ লাখ টকা ধাৰ্য কৰা হৈছে। সবিশেষ পৰিশিষ্ট 'ক' ত সন্নিবিষ্ট কৰা হ'ল।

(See Annexure-VII)

(খ) ভৱানীপুৰ সমষ্টিৰ অন্তৰ্গত আঁচনিসমূহৰ বাবে মুঠ ৪০.০০ লাখ টকা ধাৰ্য কৰা হৈছে।

(গ) ভৱানীপুৰ সমষ্টিত পহুমৰানদীয়ে সৃষ্টি কৰা বানপানীৰ পৰা অঞ্চলটোক ৰক্ষা কৰিবৰ বাবে মেৰামতি শিতানত ক্ৰমে ১৯.০০ লাখ টকা আৰু ১৬.০০ লাখ টকা মূল্য সম্বলিত ২ (দুই) খন আঁচনি হাতত লোৱা হৈছে।

(ঘ) পহুমৰা নদীৰ মথাউৰিৰ (সোঁপাৰ) ২৪ কিঃ মিঃত কঁহৰাপথাৰ এলেকাত মথাউৰিৰ দুৰ্বল অৱস্থাৰ পৰা হ'ব পৰা পৰিস্থিতিৰ গুৰুত্ব বুজি, উৰ্দ্ধতম কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে চলিত বিত্তীয় বৰ্ষত (২০০৭-২০০৮) মেৰামতি শিতানত বাঁহৰ বান্ধৰ (bambo moharrir) কাম কৰি থকা হৈছে।

**বিষয় ঃ পানী যোগান আঁচনি নবীকৰণ।**

**শ্ৰী গুণীন্দ্ৰ নাথ দাসে সুধিছে ঃ**

*৩৬। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা চহৰৰ মৃতপ্ৰায় পানীযোগান আঁচনিখন নবীকৰণ কৰি ৰাইজক সকাহ দিয়াৰ ব্যৱস্থা ল'বনে?

(খ) চহৰখনৰ জৰাজীৰ্ণ বাটপথ আৰু (Drain) সমূহ নিৰ্মাণৰ বাবে বিশেষ আঁচনি ৰূপায়নৰ ব্যৱস্থা ল'বনে?

(গ) বৰপেটা পৌৰ সভাখন তদৰ্থ ভিত্তিত গঠন কৰি বৰপেটাৰ ৰাইজক গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰা নাই নে?

**শ্ৰীযুত দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰপেটা চহৰত পানীযোগানৰ বাবে অসম চৰকাৰৰ অধীনস্থ অসম নগৰ পানীযোগান ও পয়-প্ৰণালী পৰিষদৰ জৰিয়তে এখন আঁচনি প্ৰস্তুত কৰি থকা হৈছে। আঁচনি প্ৰস্তুত সম্পূৰ্ণ হ'লেই ধনৰ বাবে ব্যৱস্থা কৰা হ'ব।

(খ) চৰকাৰে ইতিমধ্যে অসমৰ সকলো নগৰ চহৰৰ আন্তঃ গাঁথনিৰ উন্নতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

(গ) বঞ্চিত কৰাৰ প্ৰশ্ন নুঠে যিহেতু এইটো এটা সাময়িক ব্যৱস্থা মাত্ৰ।

**বিষয় ঃ সীমান্ত অঞ্চল উন্নয়ন।**

**শ্ৰীমতী কমলা বসুমতাৰীয়ে সুধিছে ঃ**

*৩৭। মাননীয় সীমান্ত অঞ্চল উন্নয়নবিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে বৰ্তমান চৰকাৰে বিশেষভাৱে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

(খ) যদি লৈছে, সীমান্ত অঞ্চলৰ পথ আৰু দলং নিৰ্মাণ বা মেৰামতিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিবনে?

(গ) বৰ্তমান সীমান্ত অঞ্চলত BADP ৰ অধীনত কিবা লেখত ল'বলগীয়া আঁচনি কৰা হৈছে নেকি?

(ঘ) যদি কৰা হৈছে, ক'ত আৰু কি কি আঁচনি কৰা হৈছে?

**শ্ৰী গৌতম ৰয় (সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, আন্তঃৰাজ্যিক সীমান্ত অঞ্চল উন্নয়নৰ কাৰণে সংশ্লিষ্ট সকলো উপায়ুক্তৰ পৰা সংহত পৰিকল্পনা আৰু আঁচনি আহ্বান কৰা হৈছে। বৰ্তমান বৰ্ষত সেয়েহে ১০ (দহ) কোটি টকাৰ আন্তঃৰাজ্যিক সীমান্ত উন্নয়নৰ বাবে পৰিপূৰক দাবী মঞ্জুৰী বিচৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় সীমান্ত এলেকাৰ বাবে ভাৰত চৰকাৰৰ প্ৰৱৰ্তিত BADP আঁচনিৰ আধাৰত বিশেষ এলেকা (Specific Area) আঁচনি, আদৰ্শগাঁও আঁচনি ৰূপায়ন কৰিবলৈ পৰিকল্পনা যুগুত কৰা হৈছে।

(খ) প্ৰয়োজনীয় সাপেক্ষে অগ্ৰাধিকাৰ দিয়া হ'ব।

(গ) হয় কৰা হৈছে।

(ঘ) ২০০৬-০৭ চনত প্ৰৱৰ্তন কৰা কিছুমান বিশেষ আঁচনি তলত উল্লেখ কৰা হ'ল।

ভাৰত ভূটান সীমান্তৰ খোৱা পানী সমস্যাৰ দূৰীকৰণৰ বাবে লোৱা এনে আঁচনিসমূহ হ'ল, ওদালগুৰি জিলাৰ (১) চামৰাং পানী যোগান

আঁচনিৰ ৫৮.৩৩ লাখ টকা, (২) টেঙ্কিবস্তি পানী যোগান আঁচনিৰ ৫৫.০৬ লাখ টকা, (৩) নালাপাৰা আৰু খেৰীয়া ঘৰ পানী যোগান আঁচনিৰ ২৩৪.১২ লাখ (৪) ধনশিৰি উপত্যকাৰ ১, ২ আৰু ৩ মণ্ডল ৫২৪.৯৩ লাখ টকাৰ আঁচনি। ইয়াৰ ওপৰিও আদৰ্শ গাঁৱৰ প্ৰকল্পৰ আঁচনিত কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে। এনে আঁচনিসমূহ হ'ল, চিৰাং জিলাৰ আমটেকা অমলিগুৰি ৪৩.০০ লাখ টকা আৰু কোক্ৰাঝাৰ জিলাৰ জোনালী গাঁও ২০.০০ লাখ টকা। ২০০৭-০৮ চনৰ আদৰ্শ গাঁৱৰ প্ৰকল্পৰ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনাইছে, (১) লোৱাই পোৱা ব্লকৰ চিবাৰগুল গাঁৱত ২১৮.৭৫ লাখ টকা (২) পাঠাৰ কান্দি ব্লকৰ নেখুৰ গাঁও ১২৮.০০ লাখ টকা (৩) দক্ষিণ কৰিমগঞ্জ ব্লকৰ দলগ্ৰাম আৰু অংগুৰা গাঁৱৰ ২৭৩.০০ লাখ টকা।

**বিষয় ঃ সীমান্ত অঞ্চল উন্নয়ন।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

***৩৮। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক) আন্তৰাজ্যিক সীমান্ত অঞ্চলৰ উন্নয়নৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে?**

**(খ) অসম মেঘালয় সীমান্তৱৰ্তী কামৰূপ জিলাৰ দিছপুৰ সমষ্টিৰ সোণাপুৰৰ পৰা একেবাৰে দুধনৈ সমষ্টিৰ ধূপধৰালৈকে এক বিস্তৃত অসমৰ ভূমি মেঘালয় চৰকাৰে বেদখল কৰাৰ বিষয়ে চৰকাৰ অৱগত নে?**

**(গ) উক্ত বৃহৎ অসমৰ ভূমিত মেঘালয় চৰকাৰে খোৱা পানী আঁচনি, বিদ্যুৎ আৰু শিক্ষানুষ্ঠান স্থাপন কৰা সম্পৰ্কে চৰকাৰ অৱগতনে?**

**(ঘ) যদি অৱগত এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?**

**(ঙ) পশ্চিম গুৱাহাটী সমষ্টিৰ ডুমুপাহাম, ৰংমালী, লংচাই, বাখলাপাৰা, ঔগুৰি আদি অঞ্চলত মেঘালয় চৰকাৰে খোৱাপানী যোগানৰ আঁচনি, বিদ্যুৎ আৰু শিক্ষানুষ্ঠান স্থাপন কৰা সম্পৰ্কত চৰকাৰ অৱগত নে?**

(চ) এই সম্পৰ্কত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীগৌতম ৰয় (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যিক চৰকাৰৰ পৰিকল্পনা বৰ্হিভূত শিতানৰ আৰু বিকেন্দ্ৰীকৃত পৰিকল্পনা শিতানৰ পুঁজিৰে আন্তঃৰাজ্যিক সীমান্ত এলেকাত আন্তঃগাঁঠনি সীমাসুৰক্ষা চকী আৰু ৰাস্তাঘাট আদিৰ উন্নয়নৰ বাবে বিভিন্ন আঁচনি ৰূপায়নৰ ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। চলিত বছৰত অধিক উন্নয়নমূলক কামকাজ লোৱাৰ পৰিকল্পনাৰে ১০ কোটি টকাৰ পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে প্ৰস্তাৱ দিয়া হৈছে।

(খ) হয়। অৱগত।

(গ) হয়। অৱগত।

(ঘ) চৰকাৰে দুয়োখন ৰাজ্যৰ মাজত আলোচনাৰ মাজেৰে সীমাসমস্যা সমাধানৰ বাবে সময়ে সময়ে মুখ্যমন্ত্ৰী পৰ্যায়ৰ, মুখ্য সচিব পৰ্যায়ৰ আৰু সংশ্লিষ্ট জিলাৰ উপায়ুক্ত পৰ্যায়ৰ আলোচনা অনুষ্ঠিত কৰি আহিছে। জিলা উপায়ুক্তই বেদখলকাৰীকো উচ্ছেদ কৰাৰ ব্যৱস্থা লৈ আহিছে।

(ঙ) হয়, অৱগত। লংচাই আৰু বাখলাপাৰা অঞ্চলত বিদ্যুৎ যোগানৰ বাবে খুটা পুতিছিল যদিও বিদ্যুৎ যোগান দিয়া নাই। বাকী অঞ্চলত তেনে কোনো অনুষ্ঠান স্থাপন কৰা নাই।

(চ) 'ঘ'ৰ উত্তৰৰ লগত একে হ'ব।

**বিষয় ঃ বানপানী আৰু গৰাখহনীয়া প্ৰবন নদী।**

**ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ**

***৩৯।** মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বানপানী আৰু গৰাখহনীয়া প্ৰবন নদীৰ সংখ্যা কিমান? (নদী কেইখনৰ নাম দিব)

(খ) এই নদীসমূহৰ বান আৰু খহনীয়াত বছৰি ক্ষয়-ক্ষতিৰ পৰিমাণ কিমান? (যোৱা পাঁচ বছৰৰ তথ্য জনাব)

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত মুঠ বানপানী আৰু গৰাখহনীয়া প্ৰবন নদীৰ সংখ্যা ১৩১ খন। নদীসমূহৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হৈছে।

(See Annexure-VIII)

(খ) অসমৰ নদীসমূহে বান আৰু খহনীয়াত বছৰি ক্ষয় ক্ষতি কৰা তথ্য পৰিশিষ্ট 'খ'ত সংলগ্ন কৰা হৈছে।

(See Annexure-IX)

**Sub : Erosion of Borak River.**

**Shri Kutub Ahmed Mazumdar asked**

***40. Will the Minister of Water Resources be pleased to state :**

(a) Is the Government aware that inspite of the efforts being made intensive and dangerous erosion of the Barak river at Jhanjarbali under sonai water Resources Sub-Division is going on unabated?

(b) Is the Government aware that down stream about 300 meters of the river bank has been eroded and nearly forty families have been uprooted? If so, whether the Government is going to provide new funds besides releasing remaining part of old sanctioned fund for protection work?

(c) Will the Hon'ble Minister pay an immediate visit to the above places to study the devastating situation on the spot?

**Sri Bharat Chandra Narah, (Minister, Water Resources) replied :**

(a) Yes, temporary palliative measures are taken up to arrest erosion; which is now under control.

(b) Yes, Govt. is aware of the fact that almost 250 meters of river bank in the Down Stream has been eroded away and good numbers of families have been uprooted so far. Efforts will be made to release old fund and new fund depending upon availability of fund, necessary approval and inclusion in plan.

(c) If situation demands, Hon'ble Minister will definitely visit the places.

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ ভূমি সংৰক্ষণ আইন**

**শ্ৰী প্ৰণৱ কলিতাই সুধিছে ঃ**

৫১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ভূমি সংৰক্ষণ আইন বলৱৎ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব নেকি?

(খ) গুৱাহাটী মহানগৰীৰ কিমান চৰকাৰী মাটি বেদখলকাৰীৰ কবলত আছে? এই বেদখল উচ্ছেদ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বেদখলকাৰীৰ তালিকাত ৰাজনৈতিক নেতা নাইবা চৰকাৰী বিষয়া জড়িত আছে নেকি? (যদি জড়িত নাম উল্লেখ কৰিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰশ্নটো স্পষ্ট নহয়, অসম চৰকাৰে পাহাৰ ও প্ৰাকৃতিক জলাশয়ৰ ভূমি সংৰক্ষণৰ বাবে "The Assam Hill and Ecological Sites" (Protection and Managment) Act. 2006 প্ৰণয়ন কৰিছে।

(খ) গুৱাহাটী মহানগৰীত ৭৩৩৩.২৪ হেক্টৰ চৰকাৰী জমি বেদখলকাৰীৰ কবলত আছে।

প্ৰচলিত ভূমিনীতি ও সংশ্লিষ্ট আইনৰ আধাৰত বিহিত ব্যৱস্থা লৈ থকা হৈছে।

(গ) তথ্য পোৱা নাই।

**বিষয় ঃ পানী যোগান আঁচনি।**

**শ্ৰী দুৰ্গা ভূমিজে সুধিছে ঃ**

**৫২।মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**(ক) তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিত P.H.E. ৰ অধীনত কিমানটা পানী যোগান আঁচনি আছে আৰু কোন কোন গাঁৱত এই আঁচনি সমূহ লোৱা হৈছে?**

**(খ) এই আঁচনি বিলাকৰ বৰ্তমানে কিমানটা অচলাৱস্থাত আছে? (Scheme ৰ নামৰ লগতে গাঁৱৰ নাম উল্লেখ কৰি, অচলাৱস্থা হৈ থকা তাৰিখ উল্লেখ কৰি তথ্য দাখিল কৰিব)**

**(গ) অচলাৱস্থা হৈ থকা এই Scheme সমূহ ব্যৱহাৰৰ উপযোগী কৰাৰ বাবে কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি?**

**(ঘ) যদি লৈছে, কেনে ধৰণৰ?**

(ঙ) যদি লোৱা নাই, কিয় লোৱা নাই উল্লেখ কৰিবনে?

**শ্ৰী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আৰু (খ) তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিত P.H.E. ৰ অধীনত ১৭ টা পাইপ পানী যোগান আঁচনি আছে আৰু উক্ত আঁচনিসমূহৰ বৰ্তমানে ১০ টা অচলাৱস্থাত আছে। গাঁও আৰু আঁচনিসমূহৰ তালিকা Annexure-A ত সংলগ্ন কৰা হ'ল।

(See Annexure-X)

(গ) আৰু (ঘ) অচলাৱস্থাত থকা আঁচনিসমূহ পৰ্যায়ক্ৰমে পুঁজি সাপেক্ষে ব্যৱহাৰৰ উপযোগী কৰাৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে।

(ঙ) প্ৰশ্ন নুঠে।

**বিষয় ঃ মাষ্টাৰ প্লেনৰ খচৰা।**

**শ্ৰী প্ৰশান্ত ফুকনে সুধিছে ঃ**

৫৩। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ডিব্ৰুগড় চহৰৰ মাষ্টাৰ প্লেনৰ খচৰা যোৱা বছৰৰ ১৬ জুনতেই অসম ৰাজপত্ৰত প্ৰকাশ হোৱাৰ পাছত বৰ্তমান উক্ত মাষ্টাৰ প্লেনৰ খচৰা কি পৰ্যায়ত আছে?

**শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ডিব্ৰুগড় চহৰৰ মাষ্টাৰ প্লেনৰ খচৰা অসম ৰাজপত্ৰত প্ৰকাশ পোৱাৰ পিছত চূড়ান্ত মাষ্টাৰ প্লেনখন প্ৰস্তুত কৰি উলিওৱা হয় আৰু যোৱা ১৭-৭-০৭ তাৰিখে অনুষ্ঠিত হোৱা Assam Town and Country Planning Advisory Council ৰ বৈঠকত উক্ত মাষ্টাৰ প্লেনখন অনুমোদিত হয়।

**বিষয় ঃ বিলাসীপাৰা পশ্চিম বিধান সভা সমষ্টিত গৰাখহনীয়া।**

**শ্ৰী হাফিজ ৰশিৰ আহমেদে সুধিছে ঃ**

৫৪। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৬ নং বিলাসীপাৰা পশ্চিম বিধানসভা সমষ্টিৰ অন্তৰ্গত গাঁও, কাজাইকাটা, গোৱালেৰচৰ, জহৰমুৰা, সাধুভাষা ২ নং কাউনবাৰী, বৰুৱাপাৰা, খুদনামাৰি আদি অঞ্চল ব্ৰহ্মপুত্ৰ, টিপকাই, গৌৰাং, মককোশ নদীৰ গৰাখহনীয়াই এই অঞ্চলবোৰৰ ৰাইজৰ ঘৰ-বাৰীৰ ক্ষতি সাধন কৰি থকাৰ বিষয়ে চৰকাৰ অৱগত হয়নে?

(খ) যদি অৱগত হয়, তেন্তে ইয়াৰ প্ৰতিৰোধৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে? যদি কৰিছে, তেন্তে কেতিয়া ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব? (বিতংভাৱে জনাব)

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) গৰাখহনীয়া প্ৰতিৰোধৰ বাবে আঁচনি প্ৰস্তুত কৰি যাৱতীয় অনুমোদনৰ বাবে অপেক্ষা কৰা হৈছে। যাৱতীয় অনুমোদন তথা বাৰ্ষিক পৰিকল্পনা শিতানৰ অন্তৰ্ভুক্তি আৰু পুঁজি আৱণ্টন সাপেক্ষে আঁচনিসমূহৰ কাৰ্যকৰী কৰণৰ ব্যৱস্থা হাতত ল'ব পৰা যাব।

**বিষয় ঃ কাটা তাঁৰৰ বেৰ নিৰ্মাণ।**

**ড° অকলা শৰ্মাই সুধিছে ঃ**

৫৪। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ভাৰত চৰকাৰৰ Border Management Division এ Phase-I ত নিৰ্মাণ কৰা ভাৰত-বাংলাদেশ সীমাৰ কাটা তাঁৰৰ বেৰ পুনৰ নিৰ্মাণ কৰিব দিয়া কথাতো সত্যনে? কেতিয়ালৈকে বেৰৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হ'ব?

(খ) অসম চুক্তিৰ অন্তৰ্গত অসমৰ সাংস্কৃতিক ৰক্ষনা বেক্ষন দিয়া দফা থকা স্বত্তেও সত্ৰ বিলাকৰ বহুত মাটি বহিৰাগতই বেদখল কৰা কথাটো সত্যনে? (কোন সত্ৰৰ কিমান মাটি বেদখল কৰা হৈছে তথ্য জনাব)?

(গ) মাটিখিনি মুকলি কৰাৰ কি ব্যৱস্থা হাতত লৈছে? কেতিয়ামানে মাটিখিনি মুকলি হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) সত্য। ৩১ মাৰ্চ, ২০০৮।

(খ) সত্য। এতিয়ালৈকে পোৱা ১২ খন জিলাৰ তথ্য অনুসৰি ৯ খন জিলাত সত্ৰৰ মাটিত বেদখল নাই। বেদখল হোৱা সত্ৰ/থানসমূহ আৰু মাটিৰ পৰিমাণ তলত দিয়া হ'ল ঃ

বাকী জিলাসমূহৰ পৰা তথ্য বিচৰা হৈছে।

(১) দিহিং সত্ৰ— ১৪ বিঘা ২ কোঠা ২ লেচা। ইয়াৰ ওপৰিও সত্ৰধিকাৰৰ প্ৰতিনিধিয়ে ৭০০ বিঘা অবৈধভাৱে ১৫০ টা ধৰ্মীয় সংখ্যালঘু পৰিয়ালক দখল হস্তান্তৰ কৰিছে।

(২) বটদ্ৰবা থান— ১১০ বিঘা ১ কোঠা ১৪ লেচা।
(কদমণি গাঁও)

(৩) বটদ্ৰবা থান— ৫৩ বিঘা ৩ কঠা ৩ লেচা।
(বৰহিচা)

(৪) ভট্টদেব সত্ৰ— ৫০ বিঘা মাটি লিজ্ ভিত্তিত খেতি কৰিবলৈ ২৫ টা অসমীয়া ধৰ্মীয় সংখ্যালঘু পৰিয়ালক সত্ৰ মিলন সমিতিয়ে অনুমতি দিছে।

(৫) বৰপেটা সত্ৰ— ৫০ বিঘা ৪ কোঠা ১৫ লেটা মাটি ৪৪ টা পৰিয়ালক সত্ৰ মেনেজিং সমিতিয়ে বছৰেকীয়া খাজনাৰ বাবদ দখল ভোগ কৰিবলৈ অনুমতি দিছে।

(৬) কনৰা সত্ৰ— ৩০ বিঘা মাটি এবছৰৰ বাবে পৰিচালনা সমিতিয়ে এজনক দখল ভোগ কৰিবলৈ অনুমতি দিছে।

(গ) বৰপেটা জিলাৰ উপায়ুক্তই জনোৱা মতে সত্ৰ পৰিচালনা সমিতি সমূহে সত্ৰৰ মাটি অবৈধভাৱে হস্তান্তৰ বা খেতি কৰিবলৈ দিয়া অনুমতি অনুসন্ধান কৰি থকা হৈছে আৰু অনুসন্ধান শেষ হ'লে প্ৰচলিত আইন অনুসৰি সত্ৰৰ মাটি বেদখল হোৱা প্ৰতীয়মান হ'লে ব্যৱস্থা লোৱা হ'ব।

কোনো সত্ৰৰ মাটি বেদখল হ'লে মাননীয় উচ্চ ন্যায়ালয়ৰ চিভিল ৰুল নং ১৬৪৯/৯১ ৰ নিৰ্দেশনুসাৰে বেদখলকাৰীক উচ্ছেদ কৰিবৰ বাবে উপায়ুক্তসকলক নিৰ্দেশ দিয়া আছে।

**বিষয় ঃ আলমগঞ্জৰ পানী যোগান আঁচনি।**

**মোঃ মহিবুল হকে সুধিছে ঃ**

**৫৬।** মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গৌৰীপুৰ সমষ্টিৰ আলমগঞ্জৰ ৫৩.৭৫ লাখ টকাৰ Pipe Water Supply Scheme টোৰ প্ৰস্তাৱ যোৱা ১ বছৰৰ পৰা বিভাগত পৰি থকাৰ কাৰণ কি?

(খ) দীৰ্ঘদিন ধৰি ৰাইজে দাবী কৰি অহা উক্ত আঁচনিটো কেতিয়া ৰূপায়ন কৰা হ'ব?

(গ) অইন সমষ্টিৰ তুলনাত গৌৰীপুৰ সমষ্টিত এই বিভাগৰ পৰা কোনো আঁচনি ৰূপায়ন নকৰাৰ কাৰণ কি?

(ঘ) যোৱা ১ বছৰত গৌৰীপুৰ সমষ্টিত এই বিভাগৰ পৰা কি কি আঁচনি ৰূপায়ন কৰিছে?

**শ্ৰী ৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গৌৰীপুৰ সমষ্টিৰ আলমগঞ্জ PWSS টো ২০০৬-০৭ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা কাৰিকৰী অনুমোদন পোৱাৰ পিছত কাৰিকৰী সংশোধনীৰ

বাবে কিছু পলম হয়। বৰ্তমান আঁচনিটোৰ প্ৰশাসনীয় অনুমোদনৰ বাবে যাৱতীয় ব্যৱস্থা লোৱা হৈছে।

(খ) প্ৰশাসনীয় অনুমোদন পোৱাৰ পিছতেই আঁচনিটোৰ ৰূপায়নৰ কাম আৰম্ভ কৰা হ'ব।

(গ) ধুবুৰী জিলাত সকলো সমষ্টিৰ অন্তৰ্গত চুবাসমূহত চলিত বিভাগীয় নীতি নিৰ্দেশনা (Guide Line) মতে আঁচনি বিবেচনা কৰা হয়। ভাৰত নিৰ্মাণ আঁচনিৰ অধীনত নতুন জৰীপ অনুযায়ী প্ৰয়োজন ভিত্তিত আঁচনি লোৱাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) যোৱা ১ বছৰত গৌৰীপুৰ সমষ্টিত এ আৰ পি শিতানত ৫ টা তাৰাপাম্পযুক্ত পকী কুঁৱাৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ২৬ টা তাৰা পাম্প বহুওৱাৰ ব্যৱস্থা কৰা হৈছে।

**Sub : Karimganj Town Protection Scheme.**

**Shri Mission Ranjan Das asked :**

**57. Will the Minister of Water Resources be pleased to state :**

(a) What steps have been taken by the Govt. for sanction of the scheme 'Karimganj Town protection work' from erosion of Longai river at Longaighat under karimganj Water Resource Division during 2007-08?
(Give it in Datails)

**Sri Bharat Chandra Narah, (Minister, Water Resources) replied :**

The relevent scheme having nomenclature. 'Protection of Karimganj town from erosion of

river Longai at Longaighat area' at an estimated cost of Rs. 598.00 Lakhs is under active consideration of the Government for implementation. The scheme has already been included in draft plan of 2007-08 under Task-Force.

বিষয় ঃ ভূমিৰ তালিকা প্ৰস্তুতকৰণ।

শ্ৰী আব্দুল আজিজে সুধিছে ঃ

৫৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১১-৭-২০০৬ তাৰিখৰ বাজেট অধিৱেশনত তৰা বিহীন প্ৰশ্ন নং ৬৫ (খ) নং প্ৰশ্নৰ উত্তৰত কোৱা হৈছিল যে প্ৰত্যেকজন কৃষকৰ নামৰ বিপৰীতে ভূমিৰ পৰিমাণৰ তালিকা প্ৰস্তুত কৰাটো এটা দীৰ্ঘ সময়ৰ কাম; সেয়েহে সংশ্লিষ্ট উপায়ুক্ত সকলক তালিকা প্ৰস্তুত কৰি দাখিল কৰিবলৈ কোৱা হৈছিল?

(খ) জিলা ভিত্তিত কৃষকসকলৰ নাম ভূমিৰ পৰিমাণ, পট্টা বিতৰণৰ তাৰিখসহ সদনৰ মেজত দাখিল কৰিবনে?

(গ) ৰূপহীহাট সমষ্টিত যিসকল কৃষকৰ নামত ভূমি বিতৰণ কৰি পট্টা দিয়া হৈছে তাৰ সঠিক তালিকা সদনৰ মেজত দাখিল কৰিবনে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) সাম্প্ৰতিক বানপানীৰ বাবে ধুবুৰী জিলাৰ উপায়ুক্তই তথ্য দাখিল কৰিব পৰা নাই বুলি জনাইছে। সেয়েহে ধুবুৰী জিলাসহ আন আন জিলাৰ সম্পূৰ্ণ তথ্য পিছত দাখিল কৰা হ'ব।

দৰং জিলাৰ সম্পূৰ্ণ তথ্য সদনত দাখিল কৰা হ'ল।

(See Annexure-XI) (পৰিশিষ্ট—'খ')

(গ) তালিকা (পৰিশিষ্ট-'গ') সংলগ্ন কৰা হ'ল।

(See Annexure-XII)

**বিষয় ঃ নগৰ উন্নয়ন প্ৰাধিকৰণৰ সংখ্যা।**

**শ্ৰী অনন্ত ডেকাই সুধিছে ঃ**

৫৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সদৌ অসমত নগৰ উন্নয়ন প্ৰাধিকৰণ কেইটা আছে?

(খ) এই উন্নয়ন প্ৰাধিকৰণ সমূহত কৰ্মৰত কৰ্মচাৰীৰ সংখ্যা কিমান?

(গ) তেওঁলোকৰ চাকৰি নিয়মীয়া নে? তেওঁলোকৰ দৰ্মহা নিয়মিত নে?

(ঘ) তেওঁলোকৰ Uniform Service Rule আছে নে? যদি নাই, কেতিয়াকৈ প্ৰস্তুত কৰা হ'ব?

**শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত বৰ্তমান মুঠ ২১ (একৈছ) টা নগৰ উন্নয়ন প্ৰাধিকৰণ আছে।

(খ) উক্ত উন্নয়ন প্ৰাধিকৰণ কাৰ্যালয় সমূহত কাম কৰা কৰ্মচাৰীৰ সংখ্যা মুঠ ২৮৩ জন।

(গ) বৰ্তমানলৈকে চৰকাৰে নগৰ উন্নয়ন প্ৰাধিকৰণৰ কৰ্মচাৰীসকলৰ চাকৰি নিয়মীয়াকৰণ কৰা নাই। কিন্তু এই ক্ষেত্ৰত কিছুমান উন্নয়ন প্ৰাধিকৰণে Board Meeting ৰ জৰিয়তে কিছুমান কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণ কৰিছে।

কিছুমান উন্নয়ন প্ৰাধিকৰণৰ কৰ্মচাৰীসকলৰ দৰমহা নিয়মীয়া যদিও নতুনকৈ স্থাপিত হোৱা উন্নয়ন প্ৰাধিকৰণ সমূহৰ কৰ্মচাৰীসকলৰ দৰমহা নিয়মীয়া নহয়।

(ঘ) নাই। বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

বিষয় ঃ ধনৰ আৱণ্টন।

**শ্ৰী ৰচুল হকে সুধিছে ঃ**

মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিত্তীয় বৰ্ষ (২০০৬-০৭)ত ধুবুৰী জলসম্পদ (E & D) বিভাগত মুঠ কিমান পৰিমাণৰ ধন কি কি শিতানত আৱণ্টিত কৰা হৈছিল?

(খ) এই আৱণ্টিত ধনৰ কামসমূহ কোন কোন ঠিকাদাৰক আৱণ্টন দিয়া হৈছিল? (ঠিকাদাৰৰ নামৰ লগতে কামসমূহৰ বিতং তালিকা দাখিল কৰিব)

(গ) মুঠ আৱণ্টিত ধনৰ কিমান শতাংশ কাম সম্পূৰ্ণ হ'ল আৰু মুঠ কিমান শতাংশ কাম বাকী আছে?

(ঘ) উক্ত আৱণ্টিত ধনৰ কিমান ধন বিভাগীয় কৰ্তপক্ষৰ হাতত বৰ্তমান জমা আছে?

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা বিত্তীয় বৰ্ষ (২০০৬-০৭)ত ধুবুৰী জলসম্পদ বিভাগত বিভিন্ন শিতানত আৱণ্টিত ধন এনে ধৰণৰ—

| শিতানৰ নাম | ধনৰ পৰিমাণ |
|---|---|
| 1. "4711-C:O- ON-FC Project-II other state plan and Non-plan etc. General-103-Civil works–120 Brahmaputra F.C. project (d) Embankment-13-Major works–CSS". | Rs. 671.26 Lakhs. |
| 2 "2711-Maintenance and repairs etc. | Rs. 38.379 |
| 3. "2245–FDR–120 (a) Relief and National Calamity etc. | Rs. 79.376 Lakhs |
| Total | Rs.789.015 Lakhs. |

(খ) এই আৱণ্টিত ধনৰ কামসমূহ বিভিন্ন ঠিকাদাৰক আৱণ্টন দিয়া হৈছিল। ঠিকাদাৰসমূহৰ নামৰ বিপৰীতে কামসমূহৰ বিতং তালিকা বৰ্তমান প্ৰস্তুত কৰি থকা হৈছে।

(গ) মুঠ আৱণ্টিত ধনৰ এশ শতাংশ কাম সম্পূৰ্ণ কৰা হৈছে।

(ঘ) উক্ত আৱণ্টিত ধনৰ কোনো ধন বিভাগীয় কৰ্তৃপক্ষৰ হাতত জমা নাই।

**বিষয় ঃ চহৰ ঘোষণা।**

**শ্ৰী গুণেশ্বৰ দাসে সুধিছে ঃ**

**৬১।** মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ৮২ নং ৰহা বিধানসভা (অঃ জাঃ) সমষ্টিৰ ২৮ খন পঞ্চায়তৰ ভিতৰতে একেবাৰেই অতি দৰিদ্ৰ জনবহুল ৰহা গাঁও পঞ্চায়তৰে কিছু অংশক লৈ ৰহাক এখন চহৰ হিচাপে ঘোষণা কৰাৰ প্ৰস্তুতি চলোৱাটো সঁচানে?

(খ) চৰকাৰে জানেনে ৰহাক চহৰ হিচাপে ঘোষণা কৰাৰ পিছত সাধাৰণতে পঞ্চায়তৰ পৰা অৰ্থনৈতিকভাৱে জুৰুলা শ্ৰেণীটোৱে পাই থকা সা-সুবিধাৰ পৰা বঞ্চিত হোৱাৰ উপৰি চহৰ হিচাপে বিভিন্ন কৰ-কাটলৰ বোজাহে গ্ৰহণ কৰিব লাগিব?

(গ) ৰহা চহৰ ঘোষণা হোৱাৰ প্ৰতিবাদ ৰহাৰ ৰাইজে বহুবাৰ কৰি আহিছে, এই প্ৰতিবাদৰ সঠিক ব্যৱস্থা চৰকাৰে ল'বনে?

**শ্ৰীযুত দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় সঁচা। ইতিমধ্যে ঘোষণা কৰা হৈছে।

(খ) সঁচা নহয়। চহৰবাসীৰ কাৰণেও বেলেগ বেলেগ আঁচনিৰ অধীনত সা-সুবিধাৰ ব্যৱস্থা আছে। চহৰ হিচাপে প্ৰয়োজনীয় কৰ-কাটল দিয়াটো নিয়মৰ বাহিৰত নহয়।

(গ) ৰাইজৰ পৰা পোৱা ওজৰ আপত্তি নিষ্পত্তি হোৱাৰ পাছতহে ৰহাক চহৰ হিচাপে ঘোষণা কৰি যাৱতীয় অধিসূচনা জাৰি কৰা হৈছে।

**বিষয় ঃ নাগৰিক পঞ্জীৰ তালিকা।**

**শ্ৰী নুৰুল হুছেইনে সুধিছে ঃ**

৬২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গাঁওবুঢ়াৰ লাটত থকা নাগৰিক সকলৰ নাগৰিক পঞ্জীৰ তালিকা আছে নেকি?

(খ) যদি আছে, কিমানজন গাঁওবুঢ়াৰ অধীনত এনেধৰণৰ নাগৰিক পঞ্জীৰ তালিকা আছে আৰু যদি নাই, কিমানজনৰ নাই?

(গ) যি সকলৰ নাই, তেওঁলোকৰ লাটৰ নাগৰিক পঞ্জীৰ কাম কেতিয়া সম্পূৰ্ণ কৰিব?

(বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নাগৰিক পঞ্জীৰ তালিকা গাঁওবুঢ়া সকলৰ হাতত নাথাকে। নিজ নিজ লাটৰ নাগৰিক পঞ্জী প্ৰস্তুত কৰিবলৈ গাঁওবুঢ়া সকলক দায়িত্ব দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ গৰাখহনীয়া সমস্যা।**

**শ্ৰীভূপেন কুমাৰ বৰাই সুধিছে ঃ**

৬৩। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লক্ষীমপুৰ জিলাত ডিক্ৰং, শিংৰা আৰু ৰঙানদীত মাজে মাজে অৰুণাচলত অৱস্থিত জল বিদ্যুৎ প্ৰকল্পত পুঞ্জীভূত পানী হঠাৎ এৰি

দিয়াৰ বাবে জিলাখনত কৃত্রিম বানপানী আৰু নদীপৰিয়া অঞ্চল বিলাকত প্রবল গৰাখহনীয়াৰ সন্মুখীন হৈ অহাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) এইবাৰ ডিব্রুং নদীৰ খহনীয়াত প্রায় ৪০ টা পৰিয়াল গৃহহীন হোৱা বিষয়টো যে অৰুণাচলৰ জল বিদ্যুৎ প্রকল্পৰ ভুল সিদ্ধান্তৰ বাবেই হৈছে সেই কথাও চৰকাৰৰ অৱগতনে?

(গ) গৃহহীন আৰু ভূমিহীন হোৱা পৰিয়াল সমূহৰ পুনৰ সংস্থাপনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্রহণ কৰিবনে? যদি কৰে, কিমান দিনৰ ভিতৰত কি ধৰণে কৰিব?

**শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত নহয়।

(খ) অৱগত নহয়।

(গ) ৰাজহ বিভাগৰ পৰা পোৱা তথ্য মতে ৪২ টা গৃহহীন হোৱা পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে উক্ত বিভাগে ইতিমধ্যে যাৱতীয় ব্যৱস্থা গ্রহণ কৰিছে।

**Sub : Relief to Victims of Natural Calamity.**

**Dr. Rumi Nath asked**

**64. Will the Minister of Revenue be pleased to state :**

(a) Is the Govt. aware that the last flood and cyclone that took place from 18th June, 2007 have immensely damaged and rendered many person homeless at Barkhola L.A.C.?

(b) If so, why till date no Govt. Relief/Aids have been given to the affected people out of the Calamity Relief Fund?

(c) Will the Govt. state the exact date and time for giving Govt. relief to all the victims of Barkhola L.A.C.?

(d) Will the Govt. furnish the list of victims with details addresses on the table of the House?

**Dr. Bhumidhar Barman, (Minister, Revenue & Disaster Management) replied :**

(a) Yes.

(b) Government has already sanctioned an amount of Rs. 50.00 (fifty) lakh vide (1) RGR 216/07/8, dated 13/4/2007 and (2) RGR 216/07/746, dated 5/7/2007 for rehabilitation of strom/cyclone affected families of Cachar district. In addition, Government has also sanctioned Rs. 7.00 (Seven) lakh as ad-hoc GR fund for use by the Deputy Commissioner Cachar, in the event of any incident of natural calamity in the district. of the fund sanctioned above, An amount of Rs.32 lakh already released in favour of the Deputy commissioner, Cachar.

(c) As stated above, Steps taken for release of the balance amount of sanctioned fund.

(d) Duputy Commissioner has been requested to furnish list of effected families Lac wise which is yet to be received.

বিষয় ঃ উপায়ুক্ত কার্যালয়ের ওর্ডার।

**মৌলানা আতাউর রহমান মাজরভূইয়া জিজ্ঞাসা করেছেন ঃ**

৬৫। মাননীয় রাজহ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) বঙ্গাইগাঁও জেলায় উপায়ুক্তের কার্যালয় খেকে Bokg–37/99/16 dt. 28/8/97 এবং BokG (Corrected) 25/95. dt. 5/2/99 নং ওর্ডাৰ দুইটি হয়েছিল কি?

(খ) যদি হয়েছিল, কি কি তথ্যের ভিত্তিতে হয়েছিল, বিস্তারিত তথ্য পেশ করিবেন?

(গ) ওর্ডার দুইটি কার্যকরী করা হয়েছিল কি না? যদি কার্যকরী করা না হয়, তবে তার কারণ কি?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়েছিল।

(খ) বিজনী রাজার অধিগৃহীত ইষ্টেটের তথ্যর ওপরে ভিত্তি করে উল্লেখিত হুকুম হয়েছিল।

(গ) হুকুম নং BRKG. 37/99/16 dtd. 28-8-97 কার্যকরী করা হয়েছিল। কিন্তু রাজহ বিভাগের RLR. 49/99/70 dtd. 16-7-99 র নির্দেশ মর্মে সংশ্লিষ্ট মাটি আবার খাছ চরকারী মাটি হিচাপে সংশোধন করা হয়। সেইকারণে হুকুম নং BRKG. (Corrected) 25/95 dtd. 5-2-99 কার্যকরী করা হয়নি।

**Sub : Proposal under CRF.**

**Shri Maheswar Boro asked :**

**66. Will the Minister of Revenue be pleased to state :**

Whether proposals under CRF (FDR) have been forwarded by the Deputy Commissioner of

Darrang District and Deputy Commissioner of Udalguri District from each department of the district to the authority concerned for necessary action? If so, give detail of those proposals of respective departments?

**Dr. Bhumidhar Barman, (Minister, Revenue & Disaster Management) replied :**

Yes. A detail list of proposals of respective departments for the year 2006-07 and 2007-08 as forwarded by the Duputy Commissioners Concerned without schematic amount for Udalguri District are furnished at Annexure-I & II

(See Annexure XIII)

**বিষয় ঃ ধুমুহাৰ ক্ষতিপূৰণ।**

**শ্ৰী অনুপ ফুকনে সুধিছে ঃ**

৬৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত ২০০৭ বৰ্ষৰ এপ্ৰিল মাহত ডিব্ৰুগড় জিলাৰ টিংখং বিধান সভা সমষ্টিত আৰু শিৱসাগৰ জিলাৰ মাহমৰা বিধান সভা সমষ্টিত প্ৰচণ্ড ধুমুহাই ঘৰ-দুৱাৰ সা-সম্পত্তিৰ যি ক্ষতি সাধন কৰিলে তাৰ বিতং বিৱৰণ দাখিল কৰিব?

(খ) উল্লেখিত ক্ষতিৰ বাবে শিৱসাগৰ জিলাৰ ক্ষতিগ্ৰস্ত সকলক ক্ষতিপূৰণ দিয়াটো সত্যনে? যদি সত্য তালিকা দাখিল কৰিবনে?

(গ) উল্লেখিত ক্ষতিৰ বাবে ডিব্ৰুগড় জিলাৰ টিংখং সমষ্টিৰ ক্ষতিগ্ৰস্ত সকলক আজিলৈকে ক্ষতিপূৰণ নিদিয়াটো সত্যনে? যদি নাই দিয়া, কিয় দিয়া নাই আৰু কেতিয়াকৈ দিয়া হ'ব?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ১৬/৪/২০০৭ ইং তাৰিখে টিংখং সমষ্টিত ২৪৯ টা পৰিয়ালৰ ঘৰ-বাৰী আৰু ১৫ টা ৰাজহুৱা অনুষ্ঠানৰ ঘৰ ধুমুহাত ক্ষতি হৈছিল। আকৌ ১৬/৪/২০০৭ আৰু ১৯/৪/২০০৭ তাৰিখে শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিত মুঠ ১০৩৬ টা পৰিয়ালৰ ঘৰ প্ৰচণ্ড ধুমুহাত ক্ষতিগ্ৰস্ত হয়। ইয়াৰ উপৰিও শিৱসাগৰ জিলাত এই ধুমুহাত ৪জন লোকৰ মৃত্যু হৈছিল।

(খ) হয় সত্য। শিৱসাগৰ জিলাৰ উপায়ুক্তই ১৮/৪/২০০৭ তাৰিখত পঠিওৱা এছ ভি আৰ আৰ ১৮ নং বেতাৰ বাৰ্তাৰ ওপৰত ভিত্তি কৰি শিৱসাগৰ জিলাত ১৫/৪/২০০৭ তাৰিখে ধুমুহাত ক্ষতিগ্ৰস্ত হোৱা মুঠ ১৭০০ টা পৰিয়াললৈ মুঠ ৪৭.০০ লাখ টকা অন্তৰ্বৰ্তী কালীন অনুমোদন জনাই এই সন্দৰ্ভত তালিকা সহ প্ৰস্তাৱ দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। জিলা উপায়ুক্তৰ পৰা এনেকুৱা প্ৰস্তাৱ পোৱা হোৱা নাই।

(গ) ডিব্ৰুগড় জিলাৰ পৰা ধুমুহাত ক্ষতিগ্ৰস্ত মুঠ ২৬১ টা পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে প্ৰস্তাৱ যোৱা ৯/৪/২০০৭ তাৰিখে পোৱা হৈছে। বিষয়টো বিবেচনা কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**Sub : Churaibari Gate.**

**Shri Kartik Sena Sinha asked :**

**68. Will the Minister of Excise be pleased to state :**

(a) With reference to earlier Unstarred Question No. 284 dated 6-3-2007 will the Govt. furnish in details of officer in-charge and staff presently posted for churaibari Inter-State border gate with Tripura?

(b) In reply to the above question, the Govt. stated that no revenue is collected from churaibari Gate and if so, why staff are posted in the said gate?

(c) is it a fact that the staff have been collecting money in the name of Excise Department from vehicles?

(d) Will the Govt. post the above staff in patharkandi Market area, where numbers of illegal activities are going on?

**Shri Gautam Roy, (Excise Minister) replied :**

(a) I (one) Assistant Inspector of Excise and 3(three) nos. of Excise Constables are posted at Churaibari inter-state border gate with Tripura.

(b) Though no revenue has been collected from Churaibari Excise Gate since 2005-2006 yet staff are engaged to check the illegal transportation of liquor, Narcoties and Ganja etc i.e. inflow and outflow and as such it has impact on the increase of Govt. revenue indirectly.

(c) It is not a fact. There is no such information that the staff have been collecting money in the name of Excise Department from vehicles.

(d) The staff posted in patharkandi circle is carrying out Excise raids regularly to check the illegal activities in patharkandi market area with the above staff of Churaibari Excise Gate as well as staff from the District Headquarters. Hence the above mentioned staff is being already utilised for patherkandi market area.

বিষয় ঃ মাটি বেদখল।

**শ্ৰী হিৰেন কুমাৰ দাসে সুধিছে ঃ**

৬১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মাটি বাংলাদেশৰ বেদখলত থকা বুলি ইতিপূৰ্বে সদনৰ মজিয়াত ৰাজহ মন্ত্ৰীয়ে ঘোষণা কৰাটো সঁচানে আৰু যদি সঁচা, এই বেদখল সন্দৰ্ভত ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা লোৱা হৈছেনে?

(খ) বৰ্তমান অসমৰ কিমান মাটি বাংলাদেশৰ দখলত আছে?

(গ) বাংলাদেশে নতুনকৈ অসমৰ মাটি বেদখল কৰা সন্দৰ্ভত ৰাজ্য চৰকাৰ জ্ঞাতনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম (ভাৰত)ৰ মাটি বাংলাদেশৰ প্ৰতিকুল দখলত থকাৰ বিষয়ে সদনক জনোৱাটো সঁচা। প্ৰতিবেদন মতে কৰিমগঞ্জ জিলাৰ ৩১০.৭৭ একৰ আৰু ধুবুৰী জিলাৰ ১৮৯.৬০ একৰ মুঠ ৪৯৯.৮৩ একৰ মাটি (২০২.৪০ হেক্টৰ) বাংলাদেশ গঠন হোৱাৰ পূৰ্বৰে পৰা তেতিয়াৰ পূৱ-পাকিস্তানৰ দখলত থকা মাটি আছিল। কৰিমগঞ্জ জিলাৰ প্ৰতিকূল দখলৰ মাটি ১৯৬৪-৬৫ চনৰ পৰা আৰু ধুবুৰী জিলাৰ মাটি ভাৰত বিভাজন হোৱা (১৯৪৭) চনৰে পৰা তেতিয়াৰ পূৱ-পাকিস্তানৰ দখলত আছিল।

বিদেশী ৰাষ্ট্ৰৰ প্ৰতিকূল দখলত থকা ভাৰতৰ (অসম) মাটি সন্দৰ্ভত ভাৰত চৰকাৰ অৱগত আৰু বিষয়টো ১৯৭৪ চনৰ ভাৰত আৰু বাংলাদেশৰ মাজৰ ভূমি-সীমা চুক্তিমতে (ইন্দিৰা-মুজিব চুক্তি) নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হৈছে। অসম চৰকাৰেও সময়ে সময়ে এই বিষয়ত ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি আছে।

(খ) ওপৰত উল্লেখ কৰা হৈছে।

(গ) তেনে তথ্য পোৱা হোৱা নাই।

**বিষয় ঃ খিং সমষ্টিৰ গৰাখহনীয়া।**

**মোবাৰক আলী পাঠানে সুধিছে ঃ**

৭০। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৮৩ নং খিং বিধান সভা সমষ্টিৰ খিং মৌজাৰ অন্তৰ্গত মহখুতি, বৰবিল মোৱামাৰী, বৰচাপৰি, বৰৈমাৰী আৰু উলুবাৰী আদি ঠাই সমূহত ব্ৰহ্মপুত্ৰ আৰু উপনদীসমূহে গৰাখহনীয়া কৰি থকাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত হয়, তেন্তে ইয়াৰ প্ৰতিৰোধৰ কিবা ব্যৱস্থা চৰকাৰে কৰিছেনে?

(গ) যদি কৰিছে, তেন্তে কেতিয়া ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) R.C.C porcupine ৰ দ্বাৰা গৰাখহনীয়া প্ৰতিৰোধৰ প্ৰচেষ্টা হাতত লোৱা হৈছে।

(গ) গৰাখহনীয়া প্ৰতিৰোধৰ প্ৰচেষ্টা ইতিমধ্যে কৰি থকা হৈছে। বিতং তথ্য সম্ভাব্য পৰিশিষ্ট ক'ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure-XIV)

**বিষয় ঃ পানী দুৱাৰ নিৰ্মাণ।**

**শ্ৰীবিনন্দ কুমাৰ শইকীয়াই সুধিছে ঃ**

৭১। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পাতিদৰং ডোং আঁচনিৰ অন্তৰ্গত সানোৱা পানী দুৱাৰখন ৯-০-২০০৬ তাৰিখে মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে উদ্বোধন কৰাৰ সময়ত পানী দুৱাৰখন কিছু আসোঁৱাহযুক্ত বুলি ৰাইজে দিয়া অভিযোগৰ ভিত্তিত বিভাগীয় বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত ওচৰতে অন্য এখন নতুন পানী দুৱাৰ নিৰ্মাণ কৰাৰ বাবে মন্ত্ৰী মহোদয়ে ৰাইজক আশ্বাস দিয়াটো সঁচানে?

(খ) যদি সঁচা, ৰাইজক দিয়া আশ্বাস অনুসৰি পানী দুৱাৰখন নির্মাণৰ ব্যৱস্থা গ্রহণ কৰা হৈছেনে? যদি হৈছে, কেতিয়াৰ পৰা নির্মাণ কার্য আৰম্ভ হ'ব?

(গ) অসম বিধান সভাৰ যোৱা বাজেট অধিৱেশনৰ ২৭-৩-২০০৭ তাৰিখৰ ৭০৪ নং লিখিত প্রশ্নৰ উত্তৰত চৰকাৰে ওপৰোক্ত পানী দুৱাৰ নির্মাণ সম্পর্কত যাৱতীয় অনুসন্ধান কৰি বিহীত কার্য ব্যৱস্থা হাতত লোৱাৰ কথা কোৱাৰ পিছতো এই ক্ষেত্রত বর্তমানলৈ কোনো পদক্ষেপ/উদ্যোগ নোলোৱাৰ কাৰণ জনাবনে?

(ঘ) ছিপাঝাৰ সমষ্টিৰ দীর্ঘদিন ধৰি উন্নয়নৰ ব্যৱস্থা নোলোৱা তথা বিধ্বস্ত ৰূপ লোৱা আৰু যিকোনো মুহূর্ততে বানে সহজতে ভাঙি নিয়াৰ প্রৱল সম্ভাৱনা প্রকট হোৱা ৩৫/৪০ বছৰ পুৰণা শাকতোলা, বৰনদী আৰু নৰৈ নদীৰ মথাউৰি কেইটি উন্নয়নৰ ব্যৱস্থা গ্রহণ কৰা হৈছে নেকি?

(ঙ) যদি কৰা হোৱা নাই, শীঘ্রেই বিহীত ব্যৱস্থা গ্রহণ কৰা হ'বনে?

**শ্রীভৰত চন্দ্র নৰহ (জলসম্পদ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) প্রস্তাৱিত নতুন পানী দুৱাৰখন নির্মাণৰ বাবে প্রয়োজনীয় জৰীপ আৰু অনুসন্ধানৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে আৰু বর্তমানলৈকে অব্যাহত আছে। এই কাম সম্পূর্ণ হোৱাৰ পিছত পানী দুৱাৰখনৰ প্রাক্কলন আগন্তুক কাৰিকৰী উপদেষ্টা সমিতিৰ ওচৰত অনুমোদনৰ বাবে দাখিল কৰা হ'ব।

(গ) পানী দুৱাৰখনৰ নির্মাণৰ বাবে প্রয়োজনীয় জৰীপ আৰু অনুসন্ধান বর্তমানলৈকে অব্যাহত আছে। এই কাম সম্পূর্ণ হ'লে কাৰিকৰী উপদেষ্টা সমিতিৰ ওচৰত অনুমোদনৰ বাবে দাখিল কৰা হ'ব আৰু সম্পূর্ণ বিভাগীয় কাৰিকৰী অনুমোদন আৰু অনুমোদিত পুঁজি আৰু পৰিকল্পনা শিতানত অন্তর্ভুক্ত সাপেক্ষে নির্মাণৰ কাম আৰম্ভ কৰা হ'ব।

(ঘ) শাকতোলা, বৰনদী আৰু ননৈৰ মথাউৰীবোৰৰ উন্নয়নৰ খচৰা প্ৰাক্কলন বিভাগৰ ৪১ তম কাৰিকৰী উপদেষ্টা সমিতিৰ দ্বাৰা অনুমোদন হৈছে আৰু উক্ত মথাউৰি কেইটাৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে। উক্ত কামবোৰ সম্পূৰ্ণ হ'লে প্ৰয়োজনীয় ব্যৱস্থা ল'ব পৰা যাব।

(ঙ) প্ৰশ্ন 'খ'ত উত্তৰ দিয়া হৈছে।

**বিষয় ঃ জিলা বিকলাঙ্গ পৰিষদ।**

**ডাঃ কমলা কলিতাই সুধিছে ঃ**

৭২। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাঁও সমষ্টিৰ গৰৈমাৰীৰ জিলা বিকলাঙ্গ পৰিষদক (District physically Handicapped Welfare Association) চৰকাৰে কিমান মাটি আৱণ্টন দিছে?

(খ) উক্ত অনুষ্ঠানটোৱে প্ৰকৃতাৰ্থত কিমান মাটি দখল কৰি আছে?

(গ) অতিৰিক্তভাৱে দখল কৰা মাটি ৰাজহৱা অনুষ্ঠানৰ বাবে দখল মুক্ত কৰিবনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২ (দুই) বিঘা ৩ (তিনি) কঠা ১১ (এঘাৰ) লেচা।

(খ) প্ৰশ্নত উল্লেখিত অনুষ্ঠানটোৱে আৱণ্টন পোৱা ২ বিঘা ৩ কঠা ১১ লেচা জমিৰ উপৰি অতিৰিক্ত ১ (এক) কঠা ৬ (ছয়) লেচা সৰ্বমুঠ ২ বিঘা ৪ কঠা ১৭ লেচা জমি দখল কৰি আছে।

(গ) অনুষ্ঠানটিয়ে অতিৰিক্তভাৱে দখল কৰি থকা ১ কঠা ৬ লেচা মাটি আৱণ্টনৰ বাবে আবেদন কৰিছে। ভূমি উপদেষ্টা সমিতিৰ সিদ্ধান্ত আৰু প্ৰচলিত ভূমি নীতিৰ আধাৰতহে পৰৱৰ্তী ব্যৱস্থা ল'ব পৰা হ'ব।

বিষয় ঃ চাহ বাগিছা বিক্ৰী।

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৭৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন চাহ বাগিছা বেলেগ চাহ কোম্পানীয়ে কিনিছে?

(খ) কোন কোন চাহ বাগিছা কিনিছে আৰু এইবোৰ বাগিছা বিক্ৰীৰ বাবদ কিমান ৰাজহ আহিছে?

(গ) যদি নাই, কিয় নাই?

(ঘ) যদি বাগিছাবোৰ বিক্ৰী কৰাৰ বাবদ চৰকাৰক ৰাজহ আদায় দিয়া নাই, সেই বাগিছা সমূহৰ ওপৰত ৰাজহ আদায় কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) এতিয়ালৈকে ১৮ খন জিলাৰ পৰা পোৱা তথ্য অনুসৰি গোলাঘাট জিলাৰ ২ খন চাহ বাগিছা বেলেগ চাহ কোম্পানীয়ে কিনিছে।

(খ) গোলাঘাট জিলাৰ Brojan Tea Company Pvt.Ltd. আৰু Gohain Borborah Tea Company Pvt. Ltd বাগিছা দুখন বেলেগ চাহ কোম্পানীয়ে কিনিছে। এই বাগিছা দুখন বিক্ৰীৰ বাবদ ১,০৯,২৬,১০০.০০ টকা ৰাজহ আহিছে। (Stamp duty Rs. 59,06,000/- Regn. Fees-Rs.50,20,100/-)

(গ) প্ৰশ্ন নুঠে।

(ঘ) প্ৰশ্ন নুঠে।

বিষয় ঃ কাটা তাঁৰ।

শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

৭৪। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভাৰত-বাংলাদেশ আন্তৰ্জাতিক সীমাৰ কিমান কিলোমিটাৰ দৈৰ্ঘ্যই অসমৰ সীমা চুই গৈছে?

(খ) উক্ত এলেকাৰ কিমান কিলোমিটাৰ এলেকাত তাঁৰ দিয়াৰ ব্যৱস্থা কৰা হ'ল?

(গ) বৰ্তমান কিমান কিলোমিটাৰ এলেকা উন্মুক্ত হৈ আছে?

(ঘ) বৰ্তমান ৰাজ্যখনত বিদেশী চিনাক্তকৰণৰ বাবে কিমানখন ট্ৰিবিউনেল আছে?

(ঙ) উক্ত ট্ৰিবিউনেল সমূহৰ আটাইকেইখন কাৰ্য্যক্ষম অৱস্থাত আছে নে?

(চ) উক্ত ট্ৰিবিউনেল সমূহৰ কিমানখনত বিচাৰক আছে আৰু কিমানখনত বিচাৰক নাই?

(ছ) ২০০৪-০৫, ০৫-০৬, ০৬-ৰ পৰা ০৭ ৰ ৩০ জুন তাৰিখলৈকে প্ৰতি বছৰত কিমানজন বিদেশী চিনাক্তকৰণ কৰা হৈছে?

(জ) বিদেশী চিনাক্তকৰণৰ পিছত নিজ দেশলৈ প্ৰত্যাৱৰ্তনৰ বাবে কি ব্যৱস্থা গ্ৰহণ কৰা হয়?

(ঝ) উক্ত ব্যৱস্থাৰ জৰিয়তে কিমানজন বিদেশীক বাংলাদেশ অথবা আন ৰাষ্ট্ৰলৈ প্ৰত্যাৱৰ্তন কৰা হৈছে?

(প্ৰত্যাৱৰ্তন কৰা ব্যক্তি সকলৰ নাম, ঠিকনা জনাব)

**ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২৬৮.৩০ কিলোমিটাৰ।

(খ) ১৮৩.২১৮৪ কিলোমিটাৰ।

(গ) ২৮.৪৬১৪ কিলোমিটাৰ উন্মুক্ত হৈ আছে। কিন্তু ইয়াৰ ভিতৰত ১৯.৫৬২ কিলোমিটাৰৰ কাম চলি আছে আৰু ইয়াৰ ৫৬ শতাংশ ৰ কাম অগ্ৰগতি হৈছে।

(ঘ) ৩২ খন।

(ঙ) আছে।

(চ) ৩১ খনত বিচাৰক আছে। ১ খনত ০১/৮/২০০৭ তাৰিখৰ পৰা বিচাৰক নাই। তদুপৰি ৫ খন ট্ৰাইবুলেনৰ কাম-কাজ বৰ্তমানে অতিৰিক্ত দায়িত্বভাৰৰ যোগে চলাই থকা হৈছে। পূৰ্ণাংগ বিচাৰক নিযুক্তিৰ ব্যৱস্থা লোৱা হৈছে।

(ছ) ২০০৪ চনত ১১০ জন।
২০০৫ চনত ১১৭ জন।
২০০৬ চনত ৬০ জন।
২০০৭ চনত ১১৮ জন (৩০ জুনলৈকে)।

(জ) বিদেশী চিনাক্ত কৰণৰ পিছত নিজ দেশলৈ প্ৰত্যাৰ্তনৰ বাবে প্ৰচলিত আইন অনুযায়ী ন্যায়ালয়ৰ দ্বাৰা ঘোষণা কৰাৰ ১ জানুৱাৰী ১৯৬৬ চনৰ পৰা ২৪ মাৰ্চ ১৯৭১ চনৰ ভিতৰত ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা ন্যায়ালয়ৰ দ্বাৰা চিনাক্ত হোৱা বিদেশী নাগৰিকজনে ৬০ দিনৰ ভিতৰত নিজকে F.R.R.O ৰ কাৰ্যালয়ত নিজৰ নাম পঞ্জীয়ন কৰিব লাগিব আৰু ১০ বছৰৰ বাবে ভোটাধিকাৰৰ পৰা বঞ্চিত কৰাৰ ব্যৱস্থা কৰা হয়। ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত ভাৰতত অবৈধভাৱে প্ৰৱেশ কৰা নাগৰিক হিচাপে ন্যায়ালয়ৰ দ্বাৰা চিনাক্ত কৰণ কৰা হয় আৰু সেই নাগৰিক সকলক তৎকালিনভাৱে বলবৎ হোৱাকৈ ভাৰত ত্যাগ জাননী জাৰি কৰা হয়।

(ঝ) উক্ত ব্যৱস্থাৰ জৰিয়তে বাংলাদেশলৈ প্ৰত্যাৰ্তন কৰা বিদেশী নাগৰিকৰ তালিকা পৰিশিষ্ট 'ক'ত সংলগ্ন কৰা হ'ল। (See Annexure-XV)

**বিষয় ঃ আঁচনি অনুমোদন।**

**শ্ৰী যোচেফ টপ্পই সুধিছে ঃ**

৭৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢেকিয়াজুলি সমষ্টিৰ অন্তৰ্গত 'Closing of Breaches of Gabharu Embankment from kalakuchi to its out

fall including Anti-Erosion Measures at different Breaches' আঁচনিখন বিভাগীয় অনুমোদনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা কথাটো চৰকাৰে জানেনে?

(খ) যদি জানে, বৰ্তমান উক্ত আঁচনিখন কি পৰ্য্যায়ত আছে?

(গ) যদি আঁচনিখন অনুমোদন হৈছে, মুঠ কিমান টকা হৈছে আৰু কেতিয়াৰ পৰা কাম আৰম্ভ কৰিব? (সবিশেষ জনাব)

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উল্লেখিত আঁচনিখন কেন্দ্ৰীয় জল আয়োগৰ অনুমোদনৰ বাবে প্ৰেৰণৰ যাৱতীয় ব্যৱস্থা কৰি থকা কথাটো চৰকাৰে জানে।

(খ) বৰ্তমান উক্ত আঁচনিখন কাৰিকৰী উপদেষ্টা কমিটীৰ অনুমোদন লাভ কৰিছে আৰু আঁচনিখনৰ বিস্তৃত প্ৰাক্কলন প্ৰস্তুত কৰি থকা হৈছে।

(গ) আঁচনিখনে ৪১ তম্ কাৰিকৰী উপদেষ্টা কমিটিত মুঠ ৭৮৭.৮২ লাখ টকাৰ অনুমোদন লাভ কৰে।

যাৱতীয় অনুমোদন আৰু পৰিকল্পনাৰ অন্তভুক্তি তথা পুঁজিৰ আৱণ্টন সাপেক্ষে আঁচনিখনৰ কাম আৰম্ভ কৰিব পৰা যাব।

**Sub : Drinking Water Supply System.**

**Shri Drupad Borgohain asked :**

**76. Will the Minister of Urban Development be pleased to state :**

(a) What are the causes of delay in taking over Nazira Town Drinking water Supply System from PHE by Urban Water Supply and Sewerage Board?

(b) When such difficulties will be removed and when it will be planned to build a new installation to

supply drinking water covering the whole town population of Nazira and Simaluguri?

**Shri Dinesh Prasad Goala, (Minister, Urban Development) replied :**

(a) The Department is initiating all necessary steps to enable, the water Supply Scheme to be taken over on completion of all modalities.

(b) The matter is under process. New installations for Nazira and Simaluguri shall be planned depending upon availability of fund.

**বিষয় ঃ উত্তৰ লক্ষীমপুৰ পৌৰ নিগম।**

**শ্ৰীঘন বুঢ়াগোঁহাইয়ে সুধিছে ঃ**

৭৭। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ লক্ষীমপুৰ পৌৰ নিগম নামেৰে এখন নগৰ উন্নয়ন অনুষ্ঠান থকাটো চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, এই নিগমৰ অধীনত কিমানটা আৰু কি কি ৱাৰ্ড আছে? (ইয়াৰ বিৱৰণ সদনৰ মেজত দাখিল কৰিব)

(গ) এই কেইখন ৱাৰ্ড উপযুক্ত নলা-নৰ্দমাৰ অভাৱত বছৰৰ প্ৰায় ছমাহ (৬) কাল বোকা-পানীৰে উপচি পৰাত নগৰ অঞ্চলৰ জনসাধাৰণে জীয়াতু ভুগিবলগীয়া হোৱাতো চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, ইয়াৰ প্ৰতিকাৰৰ বাবে চৰকাৰে কিবা ব্যৱস্থা হাতত ল'ব নেকি?

(ঙ) যদি লয়, তেনেহ'লে কেতিয়া ল'ব?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) উত্তৰ লক্ষীমপুৰ পৌৰ নিগম নামেৰে এখন নগৰ উন্নয়ন অনুষ্ঠান থকাটো চৰকাৰ অৱগত নহয়। উত্তৰ লক্ষীমপুৰত এখন পৌৰ সভা আছে।

(খ) প্ৰশ্ন নুঠে। পৌৰ সভাত ১৪ টা ৱাৰ্ড আছে।

(গ) ৰাজ্য চৰকাৰে পৰ্যায়ক্ৰমে সকলো নগৰ চহৰৰে পানী যোগান, বাট-পথ উন্নতিকৰণৰ ব্যৱস্থা লৈ আছে।

(ঙ) ইতিমধ্যে ব্যৱস্থা লৈ থকা হৈছে।

**বিষয় ঃ বিলৰ মাটি কালি।**

**শ্ৰীৰবিন বণিক্যই সুধিছে ঃ**

৭৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাঁও জিলাৰ অন্তৰ্গত কনৰা নামৰ প্ৰসিদ্ধ বিলখনৰ মাটি কালিৰ পৰিমাণ কিমান?

(খ) এই বিলখন বালিৰে পোত গৈ থকা হেতু চৰকাৰে **NREGA** ত খনন কাৰ্য কৰি বিলখন পুনৰ উদ্ধাৰৰ কাম হাতত লৈছে নেকি?

(গ) যদি লৈছে, কিমান টকা ধাৰ্য কৰা হৈছে?

(ঘ) এই বিলৰ মাটি বেদখল হৈ আছে নেকি? যদি আছে, বেদখলমুক্ত কৰাৰ ব্যৱস্থা লোৱা হৈছে নেকি?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) কনৰা বিলৰ মুঠ মাটি কালি ১৫৩১ বিঘা ১ কঠা ৫ লেচা (৫০৬.১৮ একৰ)।

(খ) NREGA ৰ অধীনত লবৰ বাবে প্ৰাককলন মীন বিভাগে প্ৰস্তুত কৰি গ্ৰামোন্নয়ন অভিকৰণ বঙাইগাঁও কাৰ্যালয়ত দাখিল কৰিছে।

(গ) আঁচনিখনৰ বাবদ মীন বিভাগে মুঠ ৪,২৩,২৫,৯৯৩.০০ টকাৰে প্ৰাককলন প্ৰস্তুত কৰি Administrative approval ৰ বাবে প্ৰস্তুতি চলাই আছে।

(ঘ) হয়। ৩৫ বিঘা মাটি ১৪ জন বেদখলকাৰীয়ে বেদখল কৰি আছে। বেদখলকাৰীৰ নামত বেদখল উচ্ছেদৰ জাননী জাৰি কৰা হৈছে। উক্ত জাননীৰ বিৰুদ্ধে ৰাজহুৱা আপত্তিৰ পৰিপ্ৰেক্ষিতত উচ্ছেদৰ কাম এতিয়ালৈকে সম্পূৰ্ণ কৰিব পৰা নাই।

**বিষয় ঃ মাটি বেদখল।**

**শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ**

৭৯। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম-মিজোৰাম, কাছাৰ আৰু হাইলাকান্দি জিলাৰ অসম সীমান্তত মিজোৰাম কৰ্তৃপক্ষই অসমৰ মাটিবেদখল কৰা ঘটনাৰ বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা লোৱা হৈছে?

(গ) অসম আৰু মিজোৰাম সীমান্ত সংক্ৰান্ত মাটি বেদখলৰ তথ্য দাখিল কৰিবনে?

**শ্ৰীগৌতম ৰয়ে (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) অসম চৰকাৰ আৰু মিজোৰাম চৰকাৰৰ মাজত বেদখল সম্পৰ্কত কেন্দ্ৰীয় গৃহমন্ত্ৰী ও মুখ্য মন্ত্ৰী পৰ্যায়ৰ, মুখ্য সচিব পৰ্যায়ৰ আৰু সংশ্লিষ্ট উপায়ুক্ত পৰ্যায়ৰ সময়ে সময়ে আলোচনা হৈ আহিছে। তদুপৰি কাছাৰ আৰু হাইলাকান্দিৰ দুয়োজন উপায়ুক্তই বেদখল উচ্ছেদত ব্যৱস্থা কৰি আহিছে। বন বিভাগেও সংৰক্ষিত বনাঞ্চলত বেদখল উচ্ছেদ কৰি আহিছে।

(গ) মিজোৰাম ৰাজ্যৰ ফালৰ পৰা অসমত হাইলাকান্দি জিলাৰ প্ৰায় ১০০০.০ হেক্টৰ বনাঞ্চলৰ ভূমি বেদখল কৰিছে আৰু কাছাৰ জিলাৰ প্ৰায় ৪৫০ হেক্টৰ সংৰক্ষিত বনাঞ্চলৰ ভূমি বেদখল কৰিছে।

**বিষয় ঃ থাওবা ভৱন নিৰ্মাণ।**

**শ্ৰীকুশল দুৱৰীয়ে সুধিছে ঃ**

৮০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) প্ৰতিটো সমষ্টিৰ জনসাধাৰণৰ সুবিধাৰ বাবে ৰাজধানী চহৰ গুৱাহাটীত নিৰ্মাণ কৰা 'সমষ্টি ভৱন'ৰ আৰ্হিত থাওবা সমষ্টিৰ বাবে থাওবা ভৱন নিৰ্মাণ কৰিবলৈ বিগত দিনত গুৱাহাটী মহানগৰত ভূমি আৱণ্টন দিয়া হৈছিল নেকি? যদি হৈছে, বৰ্তমান সেই ভূমি কাৰ তত্ত্বৱধানত আছে?

(খ) যদি দিয়া নাই, তেন্তে অনতিপলমে থাওবা ভৱনৰ নামত ভূমি আৱণ্টন দি ৰাইজৰ মংগল সাধন কৰিবনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ আৰ এছ এছ ৯৪৪/৯৫/৯ তাৰিখ ২৬/১০/৯৫ নং হুকুম অনুযায়ী বেলতলা মৌজাৰ হেঙৰাবাৰী গাঁৱৰ পুৰণি ৬০২/১০৪২ নতুন ৪৪৪৬ নং দাগৰ ১ (এক) বিঘা ২(দুই) কঠা ১০ (দহ) লেচা জমি 'থাওবা ভৱন'ৰ নামত আৱণ্টন দিয়া হৈছিল আৰু চৰকাৰৰ আৰ এছ এছ ৯৪৪/৯৫/১৮ তাৰিখ ৪/৯/০১ নং হুকুমমৰ্মে উক্ত জমি পট্টন দিয়া হয়।

৪/১২/৯৫ তাৰিখে উক্ত জমিৰ দখল থাওবা ভৱন নিৰ্মাণ সমিতিৰ সম্পাদক ললিত চেতিয়াক চমজাই দিয়া হয়।

(খ) প্ৰযোজ্য নহয়।

**Sub : Land Revenue Certificate.**

**Shri Rupjyoti Kurmi asked :**

**81. Will the Minister of Revenue be pleased to state :**

(a) Is the Govt. aware of the fact that the people of Mariani even after the declaration of Town Committee 27 years ago till date have not

received Land Revenue Certificate?

(b) If so, when the Government will issue the Land Revenue Certificates?

(c) Will the Govt. take the above step by this year?

**Shri Bhumidhar Barman, (Minister) replied :**

(a) It has been reported that land of entire Mariani town are acquired under land ceiling Act.

(b) The Deputy Commissioner has taken up the matter for survey of land under occupation of people and submit report/proposal to the Government in Revenue Department for approval as per provision of the Act. The Process may extend till end of March, 2008 as reported by the Deputy Commissioner.

(c) The Deputy Commissioner, Jorhat will be asked to expedite the process of survey and submission of report/propsal to the Govt.

**বিষয় ঃ আঁচনি ৰূপায়ন।**

**শ্ৰীআবু তাহেৰ বেপাৰীয়ে সুধিছে ঃ**

৮২। মাননীয় সীমান্ত উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু আগমনি উন্নয়ন খণ্ডৰ অধীনত আন্তঃৰাষ্ট্ৰীয় সীমান্ত উন্নয়ন বিভাগৰ ২০০২-০৩ পৰা ২০০৪-০৫লৈ কিমানখন কি কি অসমাপ্ত আঁচনিৰ মুঠ নিৰ্দ্ধাৰিত পুঁজি কিমান আৰু কিমান পৰিমাণ আঁচনিৰ ধন অব্যৱহৃত হৈ আছে?

(খ) অব্যৱহৃত ধনেৰে উক্ত আঁচনিসমূহ সম্পূৰ্ণ কৰা সম্ভৱ নে?

(গ) যদি সম্ভৱ, কিমান দিনৰ ভিতৰত উক্ত আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰা হ'ব?

(ঘ) যদি সম্ভৱ নহয়, ব্যৱহৃত ধনখিনি উক্ত অঞ্চলৰ নতুন আঁচনিত অন্তৰ্ভুক্ত কৰি দিবনে?

**শ্ৰীগৌতম ৰয় (সীমান্ত অঞ্চল বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০২-০৩ চনৰ পৰা ২০০৪-০৫ চনলৈ অনুমোদিত মুঠ আঁচনিৰ পৰা অসমাপ্ত আঁচনি, নিৰ্দ্ধাৰিত পুঁজি, অব্যৱহৃত ধন পৰিশিষ্ট 'ক' দেখুওৱা হৈছে। (See Annexure-XVI)

(খ)
(গ) } পৰিশিষ্ট 'ক' দেখুওৱা হৈছে। (See Annexure-XVI)

(ঘ) অব্যৱহৃত ধনখিনিৰ সদব্যৱহাৰ কৰা হ'ব। সেয়ে বিষয়টো পৰীক্ষা কৰি থকা হৈছে।

**বিষয় ঃ হাউলী পানী যোগান আঁচনি।**

**শ্ৰী গুণীন্দ্ৰ নাথ দাসে সুধিছে ঃ**

৮৩। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) হাউলী চহৰৰ পানী যোগান আঁচনিখন কেতিয়ালৈ ৰূপায়ন হ'ব?

(খ) হাউলী চহৰৰ বাট-পথ আৰু নলা-নৰ্দমা নিৰ্মাণৰ বাবে বিশেষ আঁচনিৰ ব্যৱস্থা ল'বনে?

**শ্ৰী দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) আঁচনিখনৰ প্ৰাৰম্ভিক কাম আৰম্ভ কৰা হৈছে আৰু অহা দুবছৰৰ ভিতৰত ইয়াৰ কাম সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(খ) হাউলী চহৰৰ বাট-পথ, নলা-নৰ্দমা নিৰ্মাণৰ বাবে নগৰ পৰিকল্পনা বিভাগৰ জৰিয়তে ৰূপায়ন কৰা Integrated Development of Small

& Medium Town (I.D.S.M.T.) আৰু National Slum Development Programme (N.S.D.P.) আঁচনিত অন্তৰ্ভুক্ত কৰা হৈছে। উক্ত আঁচনিত IDSMT ৰ অধীনত ১৫.৮২ লাখ টকাৰ আৰু N.S.D.P. আঁচনিৰ অধীনত ৫.২৮ লাখ টকা ইতিমধ্যে মুকলি কৰি দিয়া হৈছে। ইয়াৰ উপৰিও বাট-পথ নিৰ্মাণৰ ও উন্নতি কৰণৰ বাবে MV Tax ৰ এটা অংশ নগৰ সমিতিক মোকলাই দি থকা হৈছে।

বিষয় ঃ চুলাই/বিলাতী মদ।

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ**

৮৪। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত প্ৰতিদিনে কিমান লিটাৰ চুলাই মদ আৰু বিলাতী মদ বিক্ৰী হয়? বিলাতী মদৰ বিক্ৰীৰ পৰা প্ৰতিদিনে গড়ে কিমান টকাৰ ৰাজহ লাভ কৰে?

(খ) অসমৰ মুঠ জনসংখ্যাৰ কিমান শতাংশ ব্যক্তি মদৰ প্ৰতি আসক্ত? ইয়াৰ পুৰুষ আৰু মহিলাৰ শতাংশ হাৰ কিমান?

(গ) ২০০৬ চনৰ আৰক্ষী চকীৰ তথ্য মতে কিমানজন মদাহী ছাত্ৰ-ছাত্ৰীৰ কেছ সন্নিবিষ্ট হৈছে?

(ঘ) বিলাতী মদৰ দোকানৰ অনুজ্ঞাপত্ৰ বন্ধ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা কৰিব নেকি?

**শ্ৰী গৌতম ৰয় (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চুলাই মদ বিক্ৰী কৰাটো আৱকাৰী আইনমতে বৈধ নহয়। অসমত প্ৰতিদিনে তলত উল্লেখিত পৰিমাণত বিলাতী সুৰা বিক্ৰী হয়।

IMFL = 50,749,533 LPL

BEER =17,893,333 BL.

বিলাতী মদৰ পৰা প্ৰতিদিনে গড় হিচাপে ০.৪৬ কোটি টকা ৰাজহ লাভ কৰা হয়।

(খ) অসমৰ মুঠ জনসংখ্যাৰ প্ৰায় ১.৭০ শতাংশ ব্যক্তিহে মদৰ প্ৰতি আসক্ত হোৱা দেখা যায়। পুৰুষ আৰু মহিলাৰ শতাংশ হাৰৰ হিচাপৰ তথ্য বিভাগত পোৱা নাযায়।

(গ) ২০০৬ চনৰ আৰক্ষী চকীৰ তথ্য মতে মদাহী ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কোনো গোচৰ সন্নিবিষ্ট হোৱা নাই।

(ঘ) ২০০১ চনৰ পৰা এতিয়ালৈকে বিলাতী মদৰ দোকানৰ অনুজ্ঞাপত্ৰ (IMFL 'OFF') দিয়াটো বন্ধ হৈ আছে। কিন্তু বিলাতী মদৰ পানশালাৰ (IMFL 'ON') অনুজ্ঞাপত্ৰ দি থকা হৈছে।

**বিষয় ঃ বিদেশী চিনাক্তকৰণ।**

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ**

৮৫। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তি স্বাক্ষৰিত কৰাৰ পিছৰ পৰা এতিয়ালৈকে কিমান বিদেশী চিনাক্তকৰণ ও বহিষ্কৰণ কৰা হ'ল?

(খ) ভাৰত-বাংলাদেশ সীমান্তত এতিয়ালৈকে কিমান শতাংশ কাটা তাঁৰৰ বেৰ দিয়া সম্পূৰ্ণ হ'ল আৰু এই কাম কেতিয়ালৈকে সম্পূৰ্ণ হ'ব?

(গ) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (NRC) উপনীত কৰণৰ কাম কি পৰ্যায়ত আছে?

(ঘ) অসম চুক্তিৰ ৬ নং দফা আনুযায়ী অসমীয়া জাতিৰ ৰক্ষণা বেক্ষণ আৰু আৰ্থ সামাজিক দিশত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ কি পৰামৰ্শ আগবঢ়াইছে?

(ঙ) কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ উল্লেখিত পৰামৰ্শ সম্পৰ্কত কি ব্যৱস্থা গ্ৰহণ কৰিছে?

ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ৪২,৪৪৯ জন বিদেশীক চিনাক্তকৰণ কৰা হৈছে আৰু ইয়াৰে ২,২২১ জনক বহিষ্কৰণ কৰা হৈছে।

(খ) ভাৰত বাংলাদেশ সীমান্ত ৮৫% কাটা তাঁৰৰ বেৰ দিয়াৰ কাম সম্পূৰ্ণ হৈছে। ১১/৭/২০০৭ তাৰিখে হোৱা ত্ৰিপাক্ষিক বৈঠকত নিৰ্দ্ধাৰিত সময় সীমা সম্পৰ্কে আলোচনা কৰা হয় আৰু কাৰ্য বিৱৰণী পোৱাৰ পিছতে এই সম্পৰ্কে জনাব পৰা যাব।

(গ) ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (N.R.C.) উন্নীত কৰণৰ প্ৰাথমিক কাম কাজ চলি আছে।

(ঘ) আগৰ চৰকাৰে অক্টোবৰ, ১৯৮৬ আৰু ডিচেম্বৰ, ১৯৮৮ চনত এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰলৈ পৰামৰ্শৱলী পঠাইছিল।

বৰ্তমান চৰকাৰে অসম চুক্তিৰ ৬ নং দফাৰ 'অসমীয়া'ৰ সংজ্ঞাকে ধৰি সকলো দিশ চালি জাৰি চাই পৰামৰ্শ দিবৰ বাবে এখন মন্ত্ৰী পৰ্যায়ৰ কমিটী গঠন কৰি দিয়া হৈছে। এই কমিটীয়ে পৰামৰ্শ দিয়াৰ পিছত চৰকাৰে বিবেচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ বাবে পঠোৱাৰ ব্যৱস্থা কৰা হ'ব।

(ঙ) 'ঘ'ত দিয়া হৈছে।

**বিষয় ঃ ডুমডুমা নৈৰ গৰাখহনীয়া।**

**শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ**

৮৬। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

**(ক) তিনিচুকীয়া জিলাৰ ডুমডুমা সমষ্টিৰ ডুমডুমা (ডিব্ৰু) নৈখনে গৰাখহনীয়াৰ সৃষ্টি কৰি খেতিপথাৰ, চাহ বাগিছাৰ মাটি খহাই অঞ্চলবাসীলৈ তীব্ৰ ভাবুকিৰ সৃষ্টি কৰাৰ বিষয়ে চৰকাৰ অৱগতনে?**

(খ) যদি অৱগত, তেন্তে ইয়াৰ প্ৰতিৰোধৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিছেনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) ইয়াৰ প্ৰতিৰোধৰ বাবে ইতিমধ্যে বিভিন্ন শিতানত কেইবাখনো আঁচনি প্ৰস্তুত কৰা হৈছে।

যাৱতীয় অনুমোদন সাপেক্ষে আঁচনি সমূহৰ কাম হাতত ল'ব পৰা যাব।

**বিষয় ঃ টকা আৰু আঁচনি ধাৰ্য।**

**শ্ৰীহামিজ বশিৰ আহমেদে সুধিছে ঃ**

৮৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ২০০৬-০৭ বছৰৰ বাবে বিলাসীপাৰা জনস্বাস্থ্য কাৰিকৰী উপ-সংমণ্ডলৰ বাবে কিমান টকা আৰু কি কি আঁচনিৰ বাবে ধৰা হৈছে? উক্ত আঁচনিবোৰ ক'ত ক'ত ৰূপায়ণ কৰা হৈছে বা হ'ব? (বিতং তথ্য সহকাৰে জনাব)

(খ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত ২০০৬-০৭ চনত কিবা নতুন আঁচনি ধৰা হৈছেনে? যদি ধৰা হৈছে, তেন্তে কি আঁচনি আৰু ক'ত ক'ত ধৰা হৈছে?

(গ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত ক'ত ক'ত কিমানটা PWSS আছে আৰু তাৰে কিমানটা এতিয়া কাৰ্যক্ষম হৈ আছে আৰু কিমান PWSS বিকল হৈ আছে? বিকল হৈ থকা PWSS বোৰ মেৰামতি কৰাৰ কিবা ব্যৱস্থা কৰা হৈছেনে?

**শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০৬-০৭ বিত্তীয় বৰ্ষৰ বাবে বিলাসীপাৰা জনস্বাস্থ্য কৰিকৰী উপ-সংমণ্ডলৰ অধীনত ধাৰ্য্য কৰা আঁচনিসমূহ—

১) বিদ্যালয়ৰ বাবে তাৰাপাম্প আৰু পকী কুঁৱা ৭৪ টা বহুৱাৰ বাবে ২১.২২ লাখ টকা ধাৰ্য্য কৰা হৈছে।

(বিতং তথ্য Annexure-I & II ত সংলগ্ন কৰা হ'ল)

(See Annexure-XVII)

(২) বান পানীত বিধ্বস্ত (২০০৪ চনৰ) হোৱা আঁচনিৰ মেৰামতিৰ বাবে ১৩.৯৭ লাখ টকা।

(See Annexure-XVIII)

(খ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত ২০০৬-০৭ চনত বৰ্তমানলৈকে বিদ্যালয়ৰ বাবে ৩২ টা কুঁৱা আৰু তাৰা পাম্পৰ আঁচনি লোৱা হৈছে। আঁচনিসমূহৰ নাম আৰু স্থানৰ তালিকা Annexure-IV ত সংলগ্ন কৰা হ'ল। (See Annexure-XIX)

(গ) ২৬ নং বিলাসীপাৰা পশ্চিম সমষ্টিত তলত উল্লেখ কৰা ১০ টা পাইপ পানী যোগান আঁচনি আছে আৰু ইয়াৰে ৬ টা আঁচনি বৰ্তমান বিকল হৈ আছে। পৰ্যায়ক্ৰমে পুঁজি সাপেক্ষে বিকল হৈ থকা আঁচনিসমূহ মেৰামতি কৰাৰ ব্যৱস্থা কৰা হৈছে।

**আঁচনিসমূহৰ তালিকা**

১। ফকৰিনিঝাৰ — কাৰ্যক্ষম
২। কদমতলা — কাৰ্যক্ষম
৩। ধৰমপুৰ — কাৰ্যক্ষম
৪। হেলাগুৰি — কাৰ্যক্ষম
৫। জগীৰ মহল — বিকল
৬। চোটাগিৰিগাঁও — বিকল
৭। শ'লমাৰি — বিকল
৮। খানবাৰি — বিকল
৯। বোৱাল কমাৰী — বিকল
১০। গোবৰ্দ্ধনপাৰা — বিকল

**Sub : Improvement of Road and Drainage System.**

**Shri Uddhab Barman asked :**

**68. Will the Minister of Urban Development be pleased to state :**

(a) Whether the Govt. is aware of the bad shape of roads and drainage systems under the Barpeta Road Municipality and the Sorbhog Town Committee in 40-Sorbhog Assembly Constituency?

(b) If so, what steps Govt. is taking to improve road and drainage system in the above areas?

(c) What is the amount of funds sanctioned during 2001-2002 and 2006-2007 to the sorbhog Town Committee and Barpeta Road Municipality for improvement of road and drainage system?

**Shri Dinesh Prasad Goala, (Minister of Urban Development) replied :**

(a) Yes.

(b) For the improvement of the Roads and Drainage system at Barpeta Road Municipality funds have been sanctioned under Integrated Development of small & Medium Towns (ID SMT), National Slum Development Programme (NSDP) and M.V.Tax Grant.

For the improvement of Roads and Drainage in the areas of Sorbhog Town Committee, funds have been sanctioned under National slum Development Programme (NSDP) and M.V. Tax Grant.

(c) Details of the fund sanctioned during the year 2001-02 and 2006-07 is at Annexure 'A' (See Annexure-XX)

বিষয় ঃ দুৰ্যোগ সাহায্য পুঁজিৰ ধন।

শ্ৰীকমল সিং নাৰ্জাৰীয়ে সুধিছে ঃ

৮৯। মাননীয় সাহায্য আৰু পুনৰ সংস্থাপন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০২ চনৰ পৰা ২০০৭ বৰ্ষলৈ ৰাজ্য চৰকাৰে দুৰ্যোগ সাহায্য পুঁজিৰ (CRF) ৰ অধীনত বছৰি কিমান টকা খৰছ কৰিছে? ইয়াৰে কিমান টকাকৈ বিজনী সমষ্টিৰ বাবে আৱণ্টন দিয়া হৈছে? উক্ত বৰ্ষবোৰত বিজনী সমষ্টিৰ বছৰি আৱণ্টন দিয়া পুঁজিৰ পৰিমাণ ৰাজ্যিক পুঁজিৰ কিমান শতাংশকৈ আছিল?

(খ) বিজনী সমষ্টিত কি কি আঁচনিৰ নামত কোন্ কোন স্থানত কিমান পৰিমাণৰ ধন উক্ত বৰ্ষবোৰত যোগান ধৰা হৈছিল?

(গ) উক্ত আঁচনিবোৰত কিমান পৰিমাণৰ ধন ব্যৱহৃত হৈছে আৰু কিমান পৰিমাণৰ ধন ব্যৱহাৰ নোহোৱাকৈ আছে?

(ঘ) উক্ত আঁচনিবোৰৰ কিমান শতাংশ কাম সম্পূৰ্ণ হৈছে?

ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ২০০২ চনৰ পৰা ২০০৭ বৰ্ষলৈ ৰাজ্য চৰকাৰে মুঠ ৯১৩.১৮ কোটি টকা দুৰ্যোগ সাহায্য পুঁজিৰ অধীনত খৰছ কৰিছে।

(খ) বঙাইগাঁও জিলাৰ উপায়ুক্তৰ পৰা তথ্য বিচৰা হৈছে।

(গ
(ঘ } ওপৰত উল্লেখ কৰা হ'ল।

**বিষয় ঃ ৰাজহ চৰৰ সংখ্যা।**

**শ্ৰীআব্দুল আজিজে সুধিছে ঃ**

৯০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত সৰ্বমুঠ Revenue Char কিমান আছে? (জিলা ভিত্তিত দুয়োটা উপত্যকাৰ চৰ এলেকা উল্লেখ কৰিব আৰু উক্ত চৰ এলেকাবোৰ কোন ৰাজহ চক্ৰ এলেকাত আছে তাকো উল্লেখ কৰিবনে)

(খ) চৰ অঞ্চল ছাৰ্ভে কৰি উক্ত এলেকাৰ কৃষকক মাটিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিবনে?

(গ) যদি কৰে, চলিত বৰ্ষত এই কাম আৰম্ভ হ'বনে?

(ঘ) উক্ত চৰ অঞ্চলত মুঠ জনসংখ্যা কিমান হ'ব? (জনগোষ্ঠীয় ভিত্তিত তালিকা প্ৰস্তুত কৰি সদনৰ মেজত দাখিল কৰিব)

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ ও দুৰ্যোগ প্ৰশমন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ৰাজহ চৰৰ সংখ্যা ১০১৭ টা বৰাক উপত্যকাত কোনো ৰাজহ চৰ নাই। জিলা ভিত্তিত চৰ এলেকা তলত উল্লেখ কৰা হ'ল।

| জিলা | ৰাজহ চক্ৰৰ নাম | চৰৰ সংখ্যা | চৰৰ মুঠ জনসংখ্যা |
|---|---|---|---|
| যোৰহাট | মাজুলী | ২২ খন | মুঠ - ১৮,১৫৫ জন<br>অনুসূচীত জাতি -২০০০ জন<br>অনুসূীচত জনজাতি-১০,৮৯৩ জন<br>সাধাৰণ জনজাতি- ৫,২২২ জন |
| বৰপেটা | চেঙা, বাঘবৰ | ৪৪ খন | মুঠ - ২,২৪,৬২৯ জন<br>(সকলোবোৰ মুছলমান সম্প্ৰদায়ৰ লোক হয়) |
| কামৰূপ (এম) | — | ২ খন | কোনো জনসংখ্যা নাই। |

| | | | |
|---|---|---|---|
| বঙাইগাঁও | সৃজনগ্ৰাম, বইটামাৰী | ৩ খন | মুঠ— ১৭,০০৩ জন (সকলোবোৰ মুছলমান সম্প্ৰদায়ৰ লোক হয়) |
| ধুবুৰী | ধুবুৰী, দক্ষিণ শালমাৰা, মানকাছাৰ, বগৰীবাৰী, চাপৰ আৰু বিলাসীপাৰা | ৪০১ খন | মুঠ— ৩,৮৪,৮১০ জন |
| কামৰূপ(গ্ৰাম্য) | নগৰবেৰা, ছমৰীয়া, হাজো, গৰৈমাৰী, পলাশবাৰী | ৬২ খন | মুঠ— ৬৫,২৯২ জন ইয়াৰে ৬১,৭৩৫ জন মুছলমান সম্প্ৰদায়ৰ লোক হয়। |
| গোৱালপাৰা | বালিজান, মাটিয়া লক্ষীপুৰ | ১৯৫ খন | মুঠ— ৯৪,৯১০ জন। ৯১,৭০৯ জন মুছলমান সম্প্ৰদায়ৰ ৩,২০১ জন হিন্দু সম্প্ৰদায়ৰ |
| দৰং | — | ৬৬ খন | সংশ্লিষ্ট উপায়ুক্তৰ পৰা তথ্য পোৱা নাই। |
| ধেমাজি | — | ৭৯ খন | |
| নলবাৰী | — | ৫৫ খন | |
| শোণিতপুৰ | — | ১৫ খন | |
| তিনিচুকীয়া | — | ৫ খন | |

(খ) চৰ এলেকা জৰীপ কৰি মাটি পট্টন/আৱণ্টন দিয়াৰ বাবে নিৰ্দেশ ইতিমধ্যে জাৰি কৰা হৈছে।

(গ) এই কাম সংশ্লিষ্ট জিলা সমূহত চলি আছে।

(ঘ) 'ক' প্ৰশ্নৰ উত্তৰত দেখুওৱা হৈছে।

**বিষয় ঃ কাটা তাঁৰৰ বেৰ।**

**শ্ৰীকেশৱ মহন্তই সুধিছে ঃ**

৯১। মাননীয় অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চুক্তিৰ আধাৰত আন্তঃৰাষ্ট্ৰীয় সীমান্তত কাটা তাঁৰৰ বেৰ নিৰ্মাণ

সম্পূৰ্ণ কৰাৰ বিষয়ে যোৱা বিধান সভা সমূহত আৰু ত্ৰিপাক্ষিক বৈঠক সমূহত কেইবাৰ সময় সীমা নিৰ্দ্ধাৰণ কৰি প্ৰতিশ্ৰুতি দিয়া হ'ল। (বিতংকৈ জনাব)?

(খ) প্ৰকৃততে কেতিয়া কাটা তাঁৰৰ বেৰ সম্পূৰ্ণ কৰি সীমান্ত সুৰক্ষা কৰিব?

**ডাঃ ভূমিধৰ বৰ্মন (অসম চুক্তি ৰূপায়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৫/৫/২০০৫ আৰু ২/১/২০০৬ তাৰিখে বহা ত্ৰিপাক্ষিক বৈঠকত কাটা তাঁৰৰ বেৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ নিৰ্দ্ধাৰিত সময় সীমা ৩১/১২/২০০৬ ধাৰ্য কৰা হয়। ৫/৫/২০০৫ ৰ পৰা ৩১/১২/২০০৬ তাৰিখৰ সময়ছোৱাত বহা অসম বিধানসভা সমূহত ৩১/১২/২০০৬ সময় সীমা বুলি জনোৱা হয় আৰু যোৱা ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত অনুষ্ঠিত হোৱা বিধান সভাত মাৰ্চ, ২০০৭ সময় সীমা বুলি জনোৱা হৈছিল। ১১/৭/২০০৭ ৰ ত্ৰিপাক্ষিক বৈঠকত সময় সীমা সম্পৰ্কত আলোচনা কৰা হয় যদিও কাৰ্য বিৱৰণী (Minutes) পোৱাৰ পিছতহে নিৰ্দ্ধাৰিত সময় সীমা সম্পৰ্কে জনাব পৰা যাব।

(খ) ১১/৭/২০০৭ তাৰিখে অনুষ্ঠিত হোৱা ত্ৰিপাক্ষিক বৈঠকত যদিও প্ৰকৃত সময় সীমা সম্পৰ্কত আলোচনা হৈছে ইয়াৰ কাৰ্য বিৱৰণী পোৱাৰ পিছতহে প্ৰকৃত সময় সীমা সম্পৰ্কত জনাব পৰা যাব।

**বিষয় ঃ আবাস গৃহ নিৰ্মাণ।**

**শ্ৰীৰবুল হকে সুধিছে ঃ**

৯২। মাননীয় গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) Assam State Housing Board ৰ দ্বাৰা অসম ৰাজ্যিক গৃহ নিৰ্মাণ বিভাগৰ অধীনত আবাস গৃহসমূহ গুৱাহাটীৰ কোন কোন অঞ্চলত নিৰ্মাণ কৰি থকা হৈছে?

(খ) আবাস গৃহসমূহ আৱণ্টনৰ বাবে আবেদনকাৰী সকলৰ পৰা কিমান টকা আগধন হিচাপে লোৱা হৈছে?

(গ) আবাস গৃহ সমূহ আৱণ্টনৰ ক্ষেত্ৰত কি কি নিয়মাৱলী প্ৰযোজ্য কৰা হৈছে?

(ঘ) বৰ্তমানলৈকে ৰাজনৈতিক নেতা আৰু সাধাৰণ আবেদনকাৰীৰ মাজত মুঠ কিমানটা আবাস গৃহ আৱণ্টন দিয়া হৈছে?

(নাম, ঠিকনা লগতে আবেদনকাৰীৰ তথ্য দাখিল কৰিব)

(ঙ) আৱণ্টিত হোৱা আবাস গৃহ সমূহ কাৰ অনুমোদন সাপেক্ষে আৱণ্টন দিয়া হৈছে?

(চ) মুঠ কিমানটা আবাস গৃহ নিৰ্মীয়মান অৱস্থাত আছে? (ঠাই সহকাৰে বিতং তথ্য দাখিল কৰিব)

(ছ) নিৰ্মীয়মান আবাসগৃহ সমূহ কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব?

(জ) নতুনকৈ আৱণ্টিত দিবলগীয়া আবেদনকাৰী সকলৰ তালিকা প্ৰস্তুত কৰা হৈছে নেকি?

(ঝ) যদি হৈছে, প্ৰস্তুত কৰা তালিকা সদনৰ মেজত দাখিল কৰিব?

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (গৃহ নিৰ্মাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গৃহ নিৰ্মাণ পৰিষদৰ অধীনত আবাস গৃহসমূহ গুৱাহাটী মহানগৰীৰ বেলতলা মৌজাৰ অন্তৰ্গত বৰসজাই এলেকাত নিৰ্মাণ কৰি থকা হৈছে।

(খ) গৃহ আবণ্টনৰ বাবে আবেদনকাৰীৰ পৰা আগধন লোৱাৰ নিয়ম নাই। কিন্তু আমানত টকা (Security Deposit Money) আঁচনি অনুযায়ী আৱণ্টনৰ পিছত লোৱা হয়।

(গ) গৃহসমূহ আৱণ্টনৰ ক্ষেত্ৰত পৰিষদৰ নীতি নিয়ম (Board Act. & Rule) মাধ্যমেৰে আৱণ্টন দিয়া হয়।

(ঘ) বৰ্তমানলৈকে ৰাজনৈতিক নেতা আৰু সাধাৰণ আবেদনকাৰীৰ মাজত মুঠ ১,৬১৪ টা গৃহ আৱণ্টন দিয়া হৈছে। (বিতং তথ্য পৰিশিষ্ঠ 'ক'ত দিয়া হৈছে)। (See Annexure-XXI)

(ঙ) আৱণ্টিত হোৱা আবাস গৃহসমূহ পৰিষদৰ সভাৰ অনুমোদন সাপেক্ষে দিয়া হয়।

(চ) মুঠ ৩২০ টা আবাস গৃহ কেৱল বৰসজাই অঞ্চলতহে নিৰ্মীয়মান অৱস্থাত আছে।

(ছ) অনতি পলমে সম্পূৰ্ণ হৈ উঠিব বুলি আশা কৰা হৈছে।

(জ) বৰ্তমানলৈকে হোৱা নাই।

(ঝ) প্ৰশ্ন নুঠে।

**Sub : Implementation of Assam Accord.**

**Shri Karendra Basumatary asked :**

**93. Will the Minister of Assam Accord be pleased to state:**

(a) How many years will be required to complete the implementation of Assam Accord clause by clause?

(b) Whether the minutes of the "Triparties Talks" held in New Delhi between AASU, State Govt. and Central Government since 2001 will be placed on the Table of the House?

**Dr. Bhumidhar Barman, (Minister of Implementation of Assam Accord Deptt.) replied :**

(a) Clause 1,2,3, & 4 are introductory in nature. Clause 8,13,14 & 15 are completed and action inrespect of the remaining clauses are continuing expeditiously. Time frame inrespect of implementation of some matters cannot be prescribed as it is a continuous pricess.

(b) The minutes of the 'Tripartite talks' held in New Delhi between AASU, State Government and Central Government since 2001 are enclosed at Annuxure 'A' (See Annexure-XXII)

**বিষয় ঃ অভিনৱ আঁচনি।**

**ড° মনোৰঞ্জন দাসে সুধিছে ঃ**

৯৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ জনসাধাৰণৰ উপকাৰ সাধন কৰিব পৰাগৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ হাতত বৰ্তমান কি কি অভিনৱ আঁচনি আছে?

(খ) এই আঁচনিসমূহ অসমৰ সকলোবোৰ সমষ্টিতে ৰূপায়ন কৰাৰ ব্যৱস্থা লোৱা হৈছে নে?

(গ) ভৱানীপুৰ বিধান সভা সমষ্টিত এনেধৰণৰ আঁচনি ৰূপায়নৰ বাবে কিবা বাস্তৱ ব্যৱস্থা লৈছে নেকি? (বিতংভাৱে জনাব)

(ঘ) যদি লোৱা নাই শীঘ্ৰে ব্যৱস্থা হাতত ল'বনে?

**শ্ৰীৰিহণ দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) জনসাধাৰণৰ উপকাৰ সাধন কৰিব পৰাকৈ জনস্বাস্থ্য কাৰিকৰী বিভাগে বৰ্তমান তলত উল্লেখ কৰা আঁচনিসমূহ লৈছে—

<u>বিশুদ্ধ খোৱাপানী যোগান আঁচনি।</u>

(১) পাইপ পানী যোগান আঁচনি।

(২) স্থানীয় উৎস (Spot Source) পানী যোগান আঁচনি।

(৩) ভূগৰ্ভৰ পানীত আৰ্ছেনিক চিনাক্তকৰণৰ আঁচনি।

(৪) ৰাষ্ট্ৰীয় গ্ৰাম্যখোৱা পানীৰ গুণাগুণ নিৰিক্ষণ আৰু তদাৰকীকৰণ আঁচনি।

(৫) স্বজলধাৰা আঁচনি।

অনাময় আঁচনি ঃ

(৬) সম্পূৰ্ণ অনাময় আঁচনি।

(খ) উক্ত আঁচনিসমূহ অসমৰ প্ৰায় সকলোবোৰ সমষ্টিতে ৰূপায়ণৰ ব্যৱস্থা লোৱা হৈছে।

(গ) ভৱানীপুৰ বিধান সভা সমষ্টিতো ওপৰোক্ত আঁচনিসমূহ ৰূপায়ণৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে।

(বিতং তথ্য ১নং তালিকাত সংলগ্ন কৰা হ'ল)

(See Annexure-XXIII)

(ঘ) ইতিমধ্যে উক্ত আঁচনিসমূহ ৰূপায়ণৰ বাবে বিভাগীয় ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ খহনীয়া ৰোধৰ ব্যৱস্থা।**

**শ্ৰী সুশীল দত্তই সুধিছে ঃ**

৯৫। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লামডিঙৰ হৰুলংফাৰ নদীৰ দ্বাৰা হোৱা খহনীয়াৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) হৰুলংফাৰ নদীয়ে লামডিং টাউনৰ ৩, ৫, ৯ আৰু ১১ নং ৱাৰ্ডৰ ৰাস্তা, খেতিমাটি, ঘৰ-বাৰী ধ্বংস কৰাৰ পৰা ৰক্ষা কৰিবৰ বাবে চৰকাৰে কিবা আঁচনি ল'বনে?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (জলসম্পদ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) এই বিষয়ে পৰিস্থিতিৰ গুৰুতৰ সাপেক্ষে প্ৰয়োজনীয় ব্যৱস্থা হাতত লোৱা হ'ব।

**Sub : Border of Mizoram.**

**Shri Kartik Sena Sinha asked :**

**96. Will the Minister of Border Areas be pleased to state:**

(a) With reference to Unstarred Question No.298 dated 6.3.2007 will the Govt. take necessary step against the encroachment of Assam boundary by Mizoram?

(b) Is it a fact that no meeting was held for discussion with his counterpart of Mizoram State by the D.F.O as replied by Government in the above question?

(c) Why no developmental works are taken up along the interstate border at Assam-Mizoram and Assam-Tripura of Karimganj District by the Border Areas Department?

**Sri Gautom Roy, (Minister, Border Areas Deptt.) replied :**

(a) The Assam Government has taken up the matter with Govt. of Mizoram for removing encroachment in R.F. lately by letter No. 100/06/63 dt. 29.6.07.

(b) Join meeting had been convened on 29.06.96 and D.F.O Karimganj has lodged protest.

(c) Under DCP the State Govt. is implementing schemes along interstate border areas prioritising the same. Under the DCP. in 2006-07 the State Govt. has taken up scheme viz B.O.P at medly for Rs. 5.0 Lakhs.

বিষয় ঃ মাটি বেচা কিনাৰ অনুমতি।

**শ্ৰীচন্দী বসুমতাৰীয়ে সুধিছে ঃ**

৯৭। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গুৱাহাটীৰ মাটি বেচা কিনাৰ ক্ষেত্ৰত GMDA ৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক হয়নে?

(খ) যদি হয়, এই বিধি গুৱাহাটীত পালন কৰা হৈছেনে?

(গ) KRS. 99/05/1141 Dated 22/12/06 নংৰ অনুমতি পত্ৰখনত দেখুৱা মাটিৰ দাগ নং পট্টা নং, গাঁও, মৌজা, বেচোতা আৰু কিনোতাৰ নাম, ঠিকনা আদি সঠিকভাৱে তথ্য দাখিল কৰিবনে?

**ডাঃ ভূমিধৰ বৰ্মন (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বাধ্যতামূলক হয়।

(খ) হয়, পালন কৰা হৈছে।

| (গ) বিক্ৰীদাৰ | খৰিদদাৰ | মৌজা | গাঁও | দাগ নং | পট্টা নং |
|---|---|---|---|---|---|
| ১। শ্ৰীচিদানন্দ শইকীয়া পিতা ঃ লবু ৰাম শইকীয়া সাং ঃ ৰুক্মিনীনগৰ গুৱাহাটী | শ্ৰীনৰ কুমাৰ সোণোৱাল পিঃ ফণীধৰ সোণোৱাল সাং ঃ নাগামাটি | পানবাৰী | টেঁপেচিয়া | ২৬৮ | ৯৬ |
| ২। শ্ৰীগীতাঞ্জলী দেৱী পিঃ পদ্মকান্ত শৰ্মা সাং ঃ বৰুৱাবাড়ী | শ্ৰীঅনুপজ্যোতি কলিতা পিঃ শ্ৰীহৰেন্দ্ৰ চন্দ্ৰ কলিতা সাং মালেবাড়ী ক্ষেত্ৰী মৌজা ডিমৰীয়া | পানবাৰী | বৰুৱাবাড়ী | ৪৬ | ২ নং ফিচি গ্ৰেণ্ট |

* Speech not corrected

| | | | | | |
|---|---|---|---|---|---|
| ৩। শ্ৰীমাজনী কাকতি স্বামী ঃ চন্দ্ৰমল কাকতি সাং ঃ পানবজাৰ হেমচন্দ্ৰ বৰুৱা পথ গুৱাহাটী | শ্ৰীভানু দাস বৰুৱা স্বাঃ শ্ৰীসনজয় কুমাৰ বৰুৱা সাং ঃ পানবজাৰ | দঃ ৰাণী | বৰঝাৰ | ৫১০ | ১৯২ |
| ৪। শ্ৰীকোৰেন হাজৰিকা বৰুৱা সাং ঃ কৰ্চিয়া, মৌজা ঃ পাণবাৰী | শ্ৰীমতী অঞ্জনা পানবাৰী বৰদলৈ সাং ঃ কৰ্চিয়া মৌজা ঃ পাণবাৰী | | কৰ্চিয়া | ৩৫২ ৩৯৯ | ১১৩ |

**বিষয় ঃ খোৱা পানী যোগান আঁচনি।**

**শ্ৰী পদুম হাজৰিকাই সুধিছে ঃ**

৯৮। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ গ্ৰামাঞ্চলত খোৱাপানী যোগানৰ কি কি আঁচনি কোন কোন জিলাত ৰূপায়ন হৈছে?

(খ) অসমৰ কোন কোন জিলাৰ পানীত ফ্লুৰাইড আৰু আৰ্চেনিক পোৱা গৈছে?

(গ) ফ্লুৰাইড আৰু আৰ্চেনিক পোৱা জিলাসমূহত খোৱা পানী যোগানৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে? (বিতংকৈ জনাব)

(ঘ) শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত গাঁওসমূহলৈ খোৱা পানী যোগান ধৰাৰ কি কি আঁচনি চৰকাৰে গ্ৰহণ কৰিছে?

**শ্ৰীবিহন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ গ্ৰাম্যাঞ্চলত খোৱাপানী যোগানৰ বাবে সকলো জিলাতে বিভিন্ন শিতানৰ অধীনত পাইপ পানী যোগান আঁচনি, হস্তচালিত নলীনাদ (চিংগুৰ পাম্প, তাৰা পাম্প, মাৰ্ক টু আৰু মাৰ্ক থ্ৰি পাম্প) আৰু পকী কুঁৱাৰ আঁচনি ৰূপায়ন কৰি থকা হৈছে।

(খ) জনস্বাস্থ্য কাৰিকৰী বিভাগৰ পানী পৰীক্ষা জৰীপমতে বৰ্তমানলৈকে কামৰূপ, নগাঁও, গোলাঘাট, কাৰ্বি আংলং আৰু কৰিমগঞ্জ জিলাৰ মুঠ ৪৪৯ টা চুবুৰীৰ ভূগৰ্ভস্থ পানীত মাত্ৰাধিক ফ্লৰাইড আৰু ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা, বৰপেটা, নলবাৰী, কামৰূপ, দৰং, শোণিতপুৰ, লক্ষীমপুৰ, ধেমাজি, মৰিগাঁও, নগাঁও, গোলাঘাট, যোৰহাট, শিৱসাগৰ, হাইলাকান্দি, কাছাৰ, কৰিমগঞ্জ জিলাৰ মুঠ ৬১৪ টা চুবুৰী ভূগৰ্ভস্থ পানীত মাত্ৰাধিক আৰ্চেনিক থকাৰ প্ৰমাণ পোৱা গৈছে।

(গ) ফ্লৰাইড আৰু আৰ্চেনিক পোৱা জিলাসমূহত বিশুদ্ধ খোৱা পানী যোগানৰ বাবে বৰ্তমানলৈকে বিকল্পিত উৎসৰ জৰিয়তে ৯২ টা পাইপ পানী যোগান আঁচনি আৰু ১০০২ টা পকী কুঁৱাৰ আঁচনি হাতত লোৱা হৈছে আৰু পৰ্যায়ক্ৰমে ৰূপায়ণৰ কাম কৰি থকা হৈছে।

(ঘ) শোণিতপুৰ জিলাৰ চতিয়া সমষ্টিৰ অন্তৰ্গত গাঁও সমূহলৈ খোৱা পানী যোগান ধৰাৰ বাবে বিভিন্ন শিতানৰ অধীনত বৰ্তমানলৈকে ৪০ টা পাইপ পানী যোগান আঁচনি ১১৫০ টা হস্তচালিত নলীনাদ আৰু ৪৫৩ টা পকী কুঁৱাৰ আঁচনি গ্ৰহণ কৰা হৈছে।

**বিষয় ঃ হোজাই চহৰৰ বাট-পথ নিৰ্মাণ।**

**বিধায়ক ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ**

৯৯। মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পৌৰ সভাৰ জৰিয়তে হোজাই চহৰৰ বাট-পথ, নলা-নৰ্দমা নিৰ্মাণৰ বাবে যোৱা তিনি বছৰত কিমান টকা আৱণ্টন দিয়া হ'ল?

(খ) উক্ত তিনি বছৰত নিৰ্মাণ কৰা বাট-পথ আৰু নলা-নৰ্দমাবোৰৰ আঁচনিসহ খৰচৰ পৰিমাণৰ পৰিসংখ্যা দিবনে?

**শ্ৰীযুত দীনেশ প্ৰসাদ গোৱালা (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) যোৱা তিনি বছৰত হোজাই পৌৰ সভাৰ জৰিয়তে বাট-পথ, নলা-নৰ্দমা

নির্মাণৰ বাবে আৱণ্টন দিয়া ধনৰ পৰিমাণ তলত দেখুওৱা হ'ল—

| | | ২০০৪-০৫ | ২০০৫-০৬ | ২০০৬-০৭ |
|---|---|---|---|---|
| ১। | মটৰ পৰিবহণ কৰ অনুদান | ৫.০০ লাখ | ৭.০০ লাখ | ১০.০০ লাখ |
| ২। | একাদশ ও দ্বাদশ বিত্ত আয়োগৰ অনুদান | ১৩.০০ লাখ | ৫.৭১৫ লাখ | — |
| ৩। | মধ্য আৰু ক্ষুদ্ৰ নগৰ সংহত উন্নয়ন | ৬.১৮ লাখ | ১৪.৯০ লাখ | ১৩.৮২ লাখ |
| ৪। | ৰাষ্ট্ৰীয় বস্তি উন্নয়ন আঁচনি | ৩.৮০ লাখ | ৬.৩৯ লাখ | — |
| | মুঠ | ২৯.৯৮ লাখ | ৩৪.০০৫ লাখ | ২৩.৮৩ লাখ |

(খ) উক্ত তিনি বছৰত নিৰ্মাণ কৰা বাট-পথ আৰু নলা-নৰ্দমাৰ বাবদ হোৱা খৰচৰ পৰিসংখ্যা আঁচনিসহ পৰিশিষ্ট 'ক'ত দিয়া হ'ল—

(See Annexure-XXIV)

**বিষয় ঃ বিকল আঁচনিৰ সংখ্যা।**

**শ্ৰী মোবাৰক আলী পাঠানে সুধিছে ঃ**

১০০। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ৮৩ নং ধিং বিধান সভা সমষ্টিত P.H.E. বিভাগৰ কিমান আঁচনি বিকল হৈছে আৰু কিহৰ বাবে বিকল হৈ আছে?

(আঁচনিৰ তালিকা দিব)

(খ) বিকল হৈ থকা আঁচনিসমূহ পুনৰ কাৰ্যক্ষম কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) এই সমষ্টিত নতুন আঁচনি (পানী যোগান) গ্ৰহণ কৰিছেনে? যদি কৰিছে বা লৈছে কোন কোন ঠাইত এই আঁচনি লৈছে?

(বিতং ভাৱে সদনৰ মেজত দাখিল কৰিব)

**শ্ৰীবিহুন দৈমাৰী (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৮৩ নং থিং বিধান সভা সমষ্টিৰ অধীনত P.H.E. বিভাগৰ আলি টাঙনী আৰু কান্ধুলীমাৰী পানী যোগান আঁচনি দুটা গড়কাপ্তানী পথ বহল কৰাত পাইপ নষ্ট হোৱাৰ বাবে বিকল হৈ আছে।

(খ) উক্ত আঁচনি দুটা মেৰামতিৰ বাবে প্ৰস্তুত কৰা প্ৰাক্‌কলনৰ ইতিমধ্যে প্ৰশাসনীয় অনুমোদন দিয়া হৈছে আৰু অনতিপলমে মেৰামতিৰ কাম আৰম্ভ কৰা হ'ব।

(গ) এই সমষ্টিত নতুনকৈ পুব মুকুন্দ আটি, হাতীমূৰীয়া আৰু কাচলতি সত্ৰ পাইপ পানী যোগান আঁচনি গ্ৰহণ কৰা হৈছে।

## POINT OF ORDER

* **শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে এই পৱিত্ৰ সদনত এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে 'এথিক্স কমিটী'ৰ জৰিয়তে মাননীয় বিধায়কসকলৰ পোছাক পৰিচ্ছদৰ বিষয়ে যি বিলাক কথা উল্লেখ আছিল সেই বিষয়ে কিবা ব্যৱস্থা লৈছে নেকি? মাননীয় অধ্যক্ষ মহোদয়ে যদি অনুমতি দিয়ে, আমি ধুতি, লংপেণ্ট বাদ দি গামোছা পিন্ধিব পাৰিম নেকি?

**Mr. Speaker :** Now, I, point out some code and conduct regarding Decorum in the House from Subhash, C. Kashyap's book 'Parliament of India'.

Q. 4.13- (iv) Members are forbidden to raise slogans, wear badges, display flags, arms and ammunition in the House or emblems on their steats in the House, Members are prohibited from knitting inside the chamber....................

---

* Speech not corrected

.......................... A member should speak only from his seat allotted to him................................... The speaker may direct any Member whose conduct is in his opinion grossly disordered to withdraw immediately from the House and any Member so ordered to withdraw should do so. Now, I, point out some code of conduct of Members in the House-general rules from the book of "Discipline and Decorum in parliament and State Legislatures" dtd. Nov. '01, Lok Sabha Secretariat, New Delhi.

General Rules

–A member, whilist the House is sitting shall-

3.( vi) Maintain the inviolability of the question Hour;

A Member whilist the House is sitting, shall not–

4. (vii) Shout slogans in the House;

(xi) Wear or display badges of any kind in the House;

(xii) Display flags, emblems or any exhibits in the House;

(xiv) Distribute within the precincts of parliament House any literature, questionnaire, pamphlets, press notes, leaflets etc. not connected with the business of the House;

(xvii) Tear off documents in the House in protest;

(xix) Sit on satyagrah or Dharna inside the House or anywhere within the precincts of parliament or Legislatures of States and union Territories;

(xx) bring cellular phones or pagers in the House.

So, I, would request all members to follow these code of conducts in future in the House.

* **শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি আমাৰ বিধান সভাৰ সম্পূৰ্ণ কাৰ্যক্ৰমনিকা বন্ধ হৈ গ'ল। আমি জনা মতে, যদি কাম নকৰো আমি দৰমহা পোৱাৰ যোগ্য নহয়। যোৱাকালি দিনটোৰ দৰমহাৰ লগতে অন্যান্য যিবিলাক ভাট্টা পায়, এই সম্পূৰ্ণ পইচাখিনি বানপীড়িত অঞ্চলৰ বাবে দিয়াৰ ব্যৱস্থা কৰিবলৈ মই মাননীয় অধ্যক্ষৰ জৰিয়তে সকলো মাননীয় সদস্যলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** যোৱা কালি কাম হৈছে।

* **শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালি হুলস্থুলৰ মাজত বিল বিলাক পাছ হৈছে। সন্মানীয় এজন মন্ত্ৰী হুলস্থুলৰ মাজত থাকি গ'ল। মাননীয় শ্ৰীপ্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়া হুলস্থুলৰ মাজত থাকি গ'ল। মাননীয় অধ্যক্ষ মহোদয়, মোৰ যোৱাকালিৰ দৰমহা আৰু অন্যান্য ভাট্টা বানপীড়িত লোকৰ সাহায্যৰ বাবে আগবঢ়াম।

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য, শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ডাঙৰীয়াই যিখিনি কথা কৈছে, তেখেতে যি প্ৰশ্ন কৰিছে, মই ভাবো মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ উত্তৰটো ঠিক মতে ৰিফলেক্ট হোৱা নাই। আপোনাৰ উত্তৰটো পৰিষ্কাৰ হ'লে ভাল আছিল। আমি সকলোৱে ডিচিপ্লিন মানি চলাটো উচিত। ডিচিপ্লিন যদি মেই-নৃটেন কৰা হয়, তেতিয়া হ'লে সেইটো মানি চলাত কাৰো আপত্তি থাকিব নাগালে। এই ক্ষেত্ৰত এটা সঠিক সিদ্ধান্ত লোৱাৰ দৰকাৰ বা প্ৰয়োজন বুলি মই ভাবো।

---

* Speech not corrected

# DISCUSSION ON ZERO HOUR MATTER

**Mr. Speaker :** Now, Zero Hour.

I have received as many as 13 Zero Hour Notices from the Hon'ble member :

1. Shri Abdul Khaleque
2. Shri Ramendra Narayan Kalita
3. Shri Ananta Deka
5. Md. Mohibul Haque
6. Md. Mohibul Haque
7. Shri Girindra Kumar Baruah
8. Shri Girindra Kumar Baruah
9. Shri Girindra Kumar Baruah
10. Shri Chandi Basumatary
    Shri Pranab Kalita
    Shri Kushal Duwari.
11. Dr. Aditya Langthasa
12. Shri Parimal Suklabaidya
13. Shri Jiten Gogoi
    Shri Chandi Basumatary
    Shri Pranab Kalita
    Shri Kushal Dowari.

Now, I, call upon Shri Abdul Khaleque to raise his Zero Hour motion which was published in 'Ajir Asom' dated

21.7.07. 22-7-07 and 23-7-07 under the captions:

"নেৰিমৰ নামত চৰকাৰী ভূমি লৈ হাউছফেডক বিক্ৰী কৰিলে, ৫৫ লাখত"

"নেৰিমক নহয় হাউছফেডকহে দিয়া হৈছিল চৰকাৰী ভূমি"

"হয় মই ভূমি হাউছফেডক দিছিলো ঃ জয়নাথ।"

* **শ্ৰীআব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, "আজিৰ অসম" কাকতত ২১ জুলাই, ২০০৭ তাৰিখে প্ৰকাশিত "নেৰিমৰ নামত চৰকাৰী ভূমি লৈ হাউচ্ফেডক বিক্ৰী কৰিলে ৫৫,০০,০০০.০০ লাখত" এই শীৰ্ষক বাতৰিটো মই ৰাজহ মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মানীয় অধ্যক্ষ মহোদয়, একে কাকতত ২২ জুলাই ২০০৭ আৰু ২৩ জুলাই ২০০৭ তাৰিখে এই বিষয়টো প্ৰকাশিত হৈছিল। ড° জয়নাথ শৰ্মাৰ 'নেৰিম'ৰ নামত ফাচী বজাৰত চৰকাৰী মাটি ৫৫,০০,০০০ লাখ টকাত বিক্ৰী কৰিছিল। এই সংক্ৰান্তত যিখিনি তথ্যপাতি উপায়ুক্তৰ কাৰ্যালয়ত থাকিব লাগে সেইখিনি নাই। সেই মাটি চৰকাৰে হাউচ ফেডক দিছিল। সেই কাৰণে মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো চৰকাৰী মাটি কেনেকৈ 'নেৰিম'ক দিয়া হ'ল। এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা ল'ব বুলি মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় বিধায়ক শ্ৰীআব্দুল খালেক দেৱে অসম বিধান সভাৰ মজিয়াত ৭/৮/২০০৭ ইং তাৰিখৰ শূন্যকালত আলোচনা কৰিব বিচৰা 'আজিৰ অসম' কাকতত ২১ জুলাই, ২০০৭ তাৰিখে প্ৰকাশিত 'নেৰিমৰ নামত চৰকাৰী ভূমিলৈ হাউছ্ফেডক বিক্ৰী কৰিলে ৫৫,০০,০০০.০০ লাখত', একে কাকতত ২২ জুলাই, ২০০৭ তাৰিখে প্ৰকাশিত 'নেৰিমক নহয় হাউছফেডকহে দিয়া হৈছিল চৰকাৰী ভূমি' আৰু ২৩ জুলাই তাৰিখে 'হয়, মই ভূমি হাউছফেডক দিছিলো ঃ জয়নাথ' আদি বাতৰি চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত থূলমূল তথ্য দাখিল কৰা হ'ল ঃ-

---

* Speech not corrected

(১) অসম চৰকাৰৰ ৰাজহ বিভাগৰ ২৭-৯-৯৬ তাৰিখৰ আৰ এছ এছ ৬১০/৯৬/৮ নং হুকুম মৰ্মে চহৰ গুৱাহাটী ২য় খণ্ডৰ চৰকাৰী ২৩০ নং দাগৰ ২ বিঘা ৪ কঠা ১৩ লেচা মাটি 'নেৰিম'ৰ নামে পট্টনৰ হুকুম হৈছিল।

(২) পট্টন দিয়া মাটিৰ বাবে মূল্য কঠাই প্ৰতি ৫০ হাজাৰ টকা ধাৰ্য কৰি তাৰ ৬০% আদায় দিবলৈ নিৰ্দেশ দিয়া হৈছিল।

(৩) কামৰূপ জিলাৰ (মহানগৰ) উপায়ুক্ত কাৰ্যালয়ৰ পৰা পোৱা ভূমিলেখ্য তথ্য মতে বৰ্তমান চহৰ গুৱাহাটী ২ নং খণ্ডৰ ২৩০ নং দাগৰ ২ বিঘা ২ কঠা মাটি হাউছফেডৰ নামত ১১০৭ নং ম্যাদী পট্টা আৰু 'নেৰিম'ৰ নামত বাকী থকা ২ কঠা ১৩ লেচা নতুন ২০৮৫ দাগলৈ নি ১১০৮ নং পট্টাভুক্ত কৰা হৈছে।

(৪) অসম চৰকাৰৰ তৰফৰ পৰা হাউছফেডক কোনো মাটি আৱণ্টন বা পট্টন দিয়া হোৱা নাই। গুৱাহাটী ৰাজহ চক্ৰ কাৰ্যালয়ত নথি সংশোধন কৰোতে হাউছফেডৰ মাটি ২৭-৯-৯৬ তাৰিখৰ আৰ এছ এছ - ২১০/৯৬/৮ নং হুকুম পত্ৰকে জমাবন্দিৰ মন্তব্য কলমত উল্লেখ কৰিছে। এই হুকুম নেৰিমৰ নামত পট্টন দিয়া মাটিৰ বাবেহে প্ৰযোজ্য।

(৫) হাউছফেডৰ পৰিচালন সঞ্চালকে তেখেতৰ ২৬-৩-০৭ তাৰিখে ৰাজহ বিভাগলৈ প্ৰেৰণ কৰা এইচ এফ জি- ১৯১/৮৫-৮৬/২০ নং পত্ৰত স্পষ্ট উল্লেখ কৰিছে যে 'অসম চৰকাৰৰ ৰাজহ বিভাগে হাউছফেডক ফাঁচী বজাৰ অঞ্চলত কোনো ভূমি আৱণ্টন দিয়া নাই।' এই পত্ৰত পুনৰ উল্লেখ কৰিছে যে 'হাউছফেডে নেৰিমৰ পৰা ১৯৯৭ চনত ২(দুই) বিঘা ২ (দুই) কঠা (দাগ নং ২৩০, অংশ-২, পট্টা নং ১১০৭, গাঁও-চহৰ গুৱাহাটী, মৌজা-গুৱাহাটী) ভূমি নেৰিম আৰু হাউছফেডৰ মাজত সম্পাদিত চুক্তি অনুসাৰে ৫৫.০০ লাখ টকাৰ বিনিময়ত হাউছফেডে ক্ৰয় কৰে।

(৬) হাউছফেডৰ পৰিচালন সঞ্চালকে উক্ত চিঠিৰ সৈতে প্ৰেৰণ কৰা এখন চুক্তি পত্ৰ মৰ্মে দেখা যায় যে হাউছফেডে ১১-৩-৯৭ তাৰিখে দুয়োপক্ষৰ মাজত হোৱা চৰ্ত পূৰণ কৰিব নোৱাৰাত নেৰিমে হাউছফেডলৈ হস্তান্তৰ কৰা ২ বিঘা ২ কঠা মাটিৰ বাবে হাউছফেডে ৫৫.০০ লাখ টকা দিয়াৰ বাবে পুনৰ চুক্তিবদ্ধ হয়। আৰু নেৰিমেও তেওঁলোকৰ মাজত হোৱা পূৰ্বৰ চুক্তি এৰি দিবলৈ মান্তি হয়। হাউছফেডৰ নামত পূৰ্বতে ভূমিলেখ্য সংশোধন হোৱা মাটি হাউছফেডৰ দখলত থাকি যায়।

(৭) হাউছফেডৰ পৰিচালন সঞ্চালকৰ পত্ৰৰ দ্বাৰা এইটো স্পষ্ট হৈছে যে চৰকাৰৰ পৰা পট্টন পোৱা ২ বিঘা ৪ কঠা ১৩ লেচাৰ অংশ ২ বিঘা ২ কঠা মাটি নেৰিমে হাউছফেডলৈ প্ৰথমে ১৯৯৭ চনত 'ঘৰসজা' চুক্তিৰ দ্বাৰা আৰু পিছত ২০০৩ চনত চুক্তি পালন কৰিব নোৱাৰাৰ বাবে ৫৫.০০ লাখ টকাৰ বিনিময়ত হস্তান্তৰ কৰিছে।

(৮) নেৰিম আৰু হাউছফেডৰ মাজত এই ভূমি হস্তান্তৰৰ বাবে কোনো দলিল পঞ্জিয়ন হোৱাৰ তথ্য পোৱা হোৱা নাই।

(৯) এই পৰিপ্ৰেক্ষিতত এই মাটি নেৰিমে হাউছফেডলৈ কি হুকুম/দলিলৰ জোৰত হস্তান্তৰ কৰিছে সেয়া বিচাৰ্যৰ বিষয়।

(১০) হাউছফেডে নেৰিমৰ পৰা লোৱা মাটিত বৰ্তমান গৃহ নিৰ্মাণ কৰি আছে।

**Mr. Speaker : Now, I Call upon the Hon'ble Member Shri Ramendra Narayan Kalita, on a news item Published in 'Asomiya Pratidin' dtd. 18/7/07 under caption ;-**

'নলা পৰিষ্কাৰৰ নামত কোটি কোটি টকা লুণ্ঠন'।

* **শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ১৮/৭/২০০৭ তাৰিখৰ অসমীয়া প্ৰতিদিন কাকতৰ বাতৰি এটাৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰি মই ক'ব বিচাৰিছো যে আজি গোটেই গুৱাহাটী উন্নয়নৰ ক্ষেত্ৰত যিবিলাক বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হৈছে সেই বিলাকৰ দ্বাৰা সমস্যা

---

*** Speech not corrected**

সমাধানৰ ক্ষেত্ৰত যিটো ব্যৱস্থা হ'ব লাগিছিল সেইধৰণে হোৱা নাই। আজি নলা-নৰ্দমাৰ পৰিষ্কাৰৰ ক্ষেত্ৰত পৌৰ নিগম বা গড়কাপ্তানি বিভাগে গুৰুত্বসহকাৰে নলা-নৰ্দমা পৰিষ্কাৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'লে নলা-নৰ্দমাবোৰৰ অৱস্থা এনেকুৱা নহ'লহেঁতেন। বাতৰি কাকতৰ মতে ৭ কোটি টকা আৱণ্টন দিছে আৰু এই টকা পৌৰ নিগম আৰু গড়কাপ্তানি বিভাগক দিয়া বুলি মইও জানো আৰু মই গোটেই বিষ্ণুপুৰ, কুমাৰপাৰা আৰু লাল গণেশ অঞ্চলত মই নিজেই গৈ দেখিছো। ড্ৰেইন বিলাক যেনেদৰে পৰিষ্কাৰ হ'ব লাগিছিল তেনেদৰে হোৱা নাই। বক্ৰ টাইপৰ ড্ৰেইন বোৰৰ পৰা জাবৰ জোঁথৰ উলিয়াই ৰাস্তাৰ ওপৰতে দ'ম কৰি থয়। ঠিকাদাৰে নিজৰ লাভৰ কাৰণে সেইটো কৰে। যি ঠিকাদাৰে কামটো পায় তেওঁ আকৌ এজনক চাব কনট্ৰেক দিছে ১০ হাজাৰ টকাত। এইখিনি টকাৰে এই বৃহৎ অঞ্চলটোৰ উন্নয়নৰ ক্ষেত্ৰত একোৱেই নহয়। বিষ্ণুপুৰ অঞ্চলত প্ৰকৃতাৰ্থত একোৱেই উন্নত হোৱা নাই। যিমানখিনি টকা আৱণ্টন হৈছিল কিছু পইচা খৰচ কৰি বাকী সম্পূৰ্ণ টকা ঠিকাদাৰৰ বুলি ভাৱি লয়। আজি দেখা গৈছে যে যি ধৰণে নলা নৰ্দমা চাফা কৰি মাটিখিনি বা জাবৰ-জোঁথৰ ড্ৰেইনৰ ওপৰতে জমাই থয় অন্য ঠাইলৈ উঠাই নিনিয়ে ফলত গৈ এজাক বৰষুণতে নলাবোৰ বন্ধ হৈ যায়। আজি এজাক বৰষুণতে সাধাৰণ নাগৰিকৰ হাৰাশাস্তি হয়। পূব গুৱাহাটীৰ ক্ষেত্ৰত মোৰ অৱগত নহয় যিহেতু মই সেই সমষ্টিত নহয়। লালগণেশ, কুমাৰপাৰা অঞ্চলত বুলিয়েই নহয় গোটেই গুৱাহাটীতে পাহাৰৰ মাটিয়ে সমস্যা কৰিছে। পাহাৰৰ পৰা মাটি নামি আহি ড্ৰেইনবোৰ বন্ধ কৰি দিয়ে আৰু আমাৰ মানুহৰ চিভিক্স চেঞ্চ কম জাবৰ-জোঁথৰবোৰ য'তে পেলায় ফলত সমস্যাৰ সৃষ্টি হয়। ৰাইজ বা চৰকাৰ কোনো এটাকো জি এম ডি বা জি ডি ভিয়ে সঁচা কথা নকয়। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক জনাও যে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ নকৰিলে উন্নয়নৰ নামত যিখিনি টকা পইচা অনা হয় সেইখিন পানীত পেলোৱা হ'ব। মই আশা কৰো, এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে বিষয়টো গুৰুতৰ সহকাৰে লয় যেন।

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) :** মাননীয় অধ্যক্ষ মহোদয়, ২০০৭-০৮ চনত গুৱাহাটী পৰিষ্কাৰ কৰণৰ কাৰণে পি ডব্লিউ ডিপাৰ্টমেণ্টক ১ কোটি ১৫ লাখ টকা আৱণ্টন দিয়া হৈছিল। কিন্তু সেই অনুপাতে কাম হৈ উঠা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গোটেই অসমৰ ঠিকাদাৰসকলে আৰু ইঞ্জিনিয়াৰসকলে মুনাফা আদায় কৰাত ব্যস্ত থাকে তেওঁলোকৰ পাব্লিক ইণ্টাৰেষ্ট নোহোৱা হৈ যায়। তেওঁলোকৰ ঘৰখন চলাবৰ কাৰণেহে যেন টকাখিনি দিয়া হৈছে। উদ্দেশ্য কৰবাতে থাকি যায়। তেওঁলোকে কামটো পালে প্ৰথমে চিন্তা কৰে তেওঁলোকৰ প্ৰফিট কিমান হ'ব? সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমি কিছুমান সংস্কাৰ কথা কৈছো। প্ৰতিটো ওৱাৰ্ডত একোখন নাগৰিক কমিটি থাকিব। টকাবিলাক কমিটিক দিয়া হ'ব। সেই কমিটিয়ে নিজৰ নিজৰ এলেকাৰ ড্ৰেইনবিলাক চাফা কৰিব। ৰাইজৰ ড্ৰেইন ৰাইজে চাফা কৰি ল'লে একো আপত্তি নাথাকিব। সেয়েহে এই সদনতে এই বিলখন আনিবলৈ চেষ্টা কৰিছো। সেই অঞ্চলৰ কাউন্সিলাৰজন চেয়াৰমেন হ'ব আৰু বাকী ৰাইজ মেম্বাৰ হ'ব। মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই কৈছে যে কোনটো ড্ৰেইনত কিমান টকা দিয়া হ'ল জনাব লাগে। তেখেতে কোৱামতে প্ৰকৃত তথ্য দিয়া হ'ব ইয়াৰ আগতে জিলা উপায়ুক্তৰ অনুমতি সাপেক্ষে ক'ত কিমান কাম হৈছে, ক'ত হোৱা নাই, এইবোৰ তথ্য পাব লাগিব। ড্ৰেইনবোৰ পৰিষ্কাৰ কৰাৰ পিছত কেতিয়াবা এনেকুৱা বৰষুণৰ বতৰত পাহাৰৰ মাটিয়ে আৰু প্লাষ্টিককে আদি কৰি নানা ধৰণৰ আবৰ্জনাৰে ড্ৰেইনবোৰ পুতি পেলায়। ইয়াৰোপৰি কিছুমান মানুহে ড্ৰেইনবোৰ ডাষ্টবিন হিচাপে ব্যৱহাৰ কৰে। ৰাতি ড্ৰেইনবোৰ ডাচবিন বুলি ভাবি ঘৰৰ আবৰ্জনাবোৰ পেলাই গুছি আহে। প্লাষ্টিক বেণ্ড কৰাৰ পিছত অলপ সকাহ পোৱা গৈছে। আৰু এটা কথা হৈছে ফল-মূল বিক্ৰী কৰা দোকানৰ ওচৰৰ ড্ৰেইনবোৰ বন্ধ হৈ থাকে। কাৰণ আনাৰস কটা বাকলি, ডাব নাৰিকল কাটি খোৱাৰ পিছত গোটেই জাবৰবোৰ ড্ৰেইনত পেলায়। কোনে ক'ত কি কৰে চাই থাকিব নোৱাৰি। মানুহৰ চিভিকচ চেঞ্চটো খুব কম।

অন্য কথা নকওঁ মোৰ পৰিবাৰে ঘৰত কি কৰি আছে মই কেনেকৈ জানিম। গতিকে চেঞ্চবিলাক নিজে নিজে আনিব লাগিব। আমি কামখিনি কৰা কাৰণে চেষ্টা কৰিছো। কোনটো তাৰিখত কোনটো ড্ৰেইনৰ কাৰণে কিমান টকা দিয়া হ'ল তথ্য সহকাৰে জনোৱা যাব। যদি আপত্তি কৰে তেতিয়া পিছত বেলেগ ধৰণে ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** I have received three notices on same subject. So, the notices are clubbed. I now, call upon Hon'ble Members Shri Ananta Deka, Md. Mahibul Hoque, Jiten Gogoi, Shri Chandi Basumatary, Shri Pranab Kalita and Shri Kushul Dowari to raise this Zero Hour Motion on a News item Published in 'Edinor Sangbad' dt. 6.8.07.

'এদিনৰ সংবাদ' অসমৰ সৰ্বসাধাৰণৰ বাবে আৰণ্টিত নিমখ যায় বাংলাদেশলৈ' ইয়াত ছয়জন মাননীয় সদস্য ই ক'ব লগা আছে সকলোৱে ক'লে বহুত সময় লাগিব। আপোনালোকৰ মাজৰে কোনোবা এজনে ক'লে ভাল হয়।

***শ্ৰীপ্ৰণৱ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ছয়জন বিধায়কৰ ভিতৰত তিনি জনৰহে ক'বলগীয়া আছে।

**শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৬ আগষ্ট, ২০০৭ তাৰিখত 'এদিনৰ সংবাদ' বাতৰি কাকতখনত প্ৰকাশিত 'অসমৰ সৰ্বসাধাৰণৰ বাবে আৰণ্টিত নিমখ যায় বাংলাদেশলৈ' শীৰ্ষক বাতৰিটো এই পৱিত্ৰ সদনত মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। বাতৰিটোত অভিযোগ কৰা হৈছে যে শিশুৰ মস্তিষ্কৰ বিকাশৰ লগতে শাৰীৰিক আৰু মানসিকভাৱে সুস্থতা ৰক্ষাৰ বাবে মুকলি বজাৰত আয়োডিনযুক্ত নিমখৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। আনকি পূৰ্ণবয়স্ক লোক আৰু গৰ্ভৱতী মহিলাৰ বাবেও আয়ডিনযুক্ত নিমখ স্বাস্থ্যৰ কাৰণে উপযোগী। এতিয়া আয়োডিনযুক্ত নিমখ প্ৰতি কেজিত ৮ টকাৰ পৰা ১০ টকালৈকে বিক্ৰী

* Speech not corrected

হৈছে। অসমৰ খাদ্য আৰু অসামৰিক যোগান বিভাগে বছৰি ৫২৫ কোটি টকীয়া বিয়াগোম নিমখ কেলেংকাৰিত জড়িত হৈ আহিছে। আয়োডিনযুক্ত নিমখক লৈ অসমৰ জনসাধাৰণৰ মাজত চক্ৰান্ত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে অসমত প্ৰতিমাহে ১০ ৰেককৈ আয়োডিনযুক্ত নিমখ যোগান ধৰে। প্ৰতি ৰেকত ২,৫০০ মেট্ৰিকটনকৈ নিমখ অহা সূত্ৰে অসমে প্ৰতিমাহত কমেও ২৫,০০০ মেট্ৰিকটন, অৰ্থাত ২৫ কোটি কিলোগ্ৰামকৈ নিমখৰ আৱণ্টন লাভ কৰে। ইয়াৰে ৫০ শতাংশ নিমখ সুলভ মূল্যৰ দোকানৰ জৰিয়তে খাদ্য আৰু অসামৰিক যোগান বিভাগে প্ৰতি কিলোগ্ৰামত ৩.৫০ টকা মূল্যত বিতৰণ কৰিব লাগে। বাকী থকা ৫০ শতাংশ নিমখৰ ৪০ শতাংশ মুকলি বজাৰত আৰু ১০ শতাংশ আপদকালীন পৰিস্থিতিৰ বাবে খাদ্য আৰু অসামৰিক যোগান বিভাগে মজুত ৰাখিব লাগে। যোৱা বিধান সভা বাজেট অধিৱেশনত মাননীয় মন্ত্ৰী মহোদয়ে এখন তালিকা দাখিল কৰিছিল। অসমত আয়োডিনযুক্ত নিমখ কিমান বিক্ৰী কৰা হৈছিল, যোগান বিভাগৰ হিচাপমতে সুলভমূল্যৰ দোকানৰ জৰিয়তে প্ৰতিমাহে ১২ কোটি ৫০ লাখ কিলোগ্ৰাম নিমখ অসমৰ ৰেচন কাৰ্ডৰ গৰাকীসকলক যোগান ধৰা হয়। অসমত মুঠ ৫৪,৫৩,৩৩০ টা ৰেচন কাৰ্ড হোল্ডাৰ পৰিয়ালে গড় হিচাপত মাহেকত ২২.৯ কিলোগ্ৰামকৈ আয়োডিনযুক্ত নিমখ ৩.৫০ টকা কিলোগ্ৰামকৈ পাব লাগে যদিও সেইমতে নাপায়। কিন্তু কোনো এটা ৰেচন-কাৰ্ডপ্ৰাপ্ত পৰিয়ালেও এক তিল পৰিমাণৰ আয়োডিনযুক্ত নিমখ সুলভ মূল্য দোকানৰ জৰিয়তে নাপায়। আয়োডিনযুক্ত নিমখ গুৱাহাটী পোৱাৰ পিছত উক্ত নিমখ উঠোৱাৰ বাবে ফাঁচিবজাৰৰ এটা চক্ৰ যোগান বিভাগে উক্ত নিমখখিনি উঠোৱাৰ দায়িত্ব দিয়ে। তেওঁলোকে এই নিমখ বাহিৰলৈ লৈ যায় আৰু বাংলাদেশলৈকো লৈ যায়। এইদৰে প্ৰতি মাহে ১২ কোটি ৫০ লাখ কিলোগ্ৰামকৈ সুলভ মূল্যৰ নিমখ হৰলুকী ঘটাত আয়োডিনযুক্ত নিমখৰ নামত ৪৩ কোটি ৭৫ লাখ টকীয়া এক বৃহৎ কেলেংকাৰী সংঘটিত হৈছে যোগান বিভাগত। শেহতীয়াকৈ আমি দেখা পাইছো আয়োডিনযুক্ত নিমখৰ

নামত ৫২৫ কোটি টকীয়া কেলেংকাৰী হ'ল। সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিক্ৰী কৰিব লগা আয়োডিনযুক্ত নিমখৰ নামত ৩,০৫০ কোটি টকীয়া বৃহৎ কেলেংকাৰীৰ ইংগিত দিয়া হৈছে। অসমৰ যোগান বিভাগে ৰেচন-কাৰ্ডৰ জৰিয়তে আয়োডিনযুক্ত নিমখ ৰাইজৰ মাজত যোগান ধৰিব বুলি চৰকাৰে প্ৰতিশ্ৰুতি দিছিল যদিও সেয়া বাস্তৱিকতে চৰকাৰে কাৰ্যত সফলতা লাভ কৰিব নোৱাৰা কাৰণে বিষয়টো উত্থাপন কৰা হৈছে। উক্ত বিষয়টো বিভাগীয় মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰি ইমানতে মোৰ কৰ্তব্য সামৰিলো।

**শ্ৰীমহিবুল হক ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'এদিনৰ সংবাদ' বাতৰি কাকতত প্ৰকাশিত অসমৰ সৰ্বসাধাৰণৰ বাবে আৱণ্টিত নিমখ যায় বাংলাদেশলৈ, ৩,০৫০ কোটি টকীয়া আয়োডিনযুক্ত নিমখৰ কেলেংকাৰিত নিমজ্জিত যোগান বিভাগ বিষয়টো উত্থাপন কৰিবৰ বাবে আজি বিধান সভাত সুযোগ দিয়া বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। মই প্ৰথমে বৰ্তমান চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো, মাননীয় সদস্য ডেকা ডাঙৰীয়াই কৈছে আয়োডিনযুক্ত নিমখ খোৱাটো জৰুৰী বুলি কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে বছৰি কোটি কোটি টকা ব্যয় কৰি বিজ্ঞাপন প্ৰচাৰ কৰি আহিছে। শিশুৰ মস্তিষ্কৰ বিকাশৰ লগতে শাৰীৰিক আৰু মানসিকভাৱে সুস্থতা ৰক্ষাৰ বাবে আয়োডিনযুক্ত নিমখ পূৰ্ণ বয়স্ক লোক আৰু গৰ্ভৱতী মহিলাৰ কাৰণে অপৰিহাৰ্য। প্ৰতি মাহে ১০ লাখ আয়োডিনযুক্ত নিমখ যোগান ধৰি আহিছে। এই নিমখ গ্ৰামাঞ্চলত যোগান ধৰিব লাগিছিল যদিও গ্ৰাম্যঞ্চলৰ লোকে পোৱা নাই। অসমৰ ৰেচন-কাৰ্ডত থকা ৫৪,৫৩,৩৩০ টা পৰিয়ালক মাহেকত গড় হিচাপত ২২.৯ কিলোগ্ৰামকৈ আয়োডিনযুক্ত নিমখ ৩.৫০ টকা কিলোগ্ৰামে প্ৰতি যোগান পাব লাগে। কিন্তু গ্ৰামাঞ্চলত এক কিলো এই নিমখ পোৱা নাই। এই নিমখৰ পৰা সম্পূৰ্ণৰূপে বঞ্চিত হৈছে। ৰেচন কাৰ্ডৰ নামত ১২ কোটি ৫০ লাখ কিলোগ্ৰামকৈ সুলভ মূল্যত দিব লাগে বুলি চৰকাৰৰ ওচৰত অভিযোগ উত্থাপিত হৈছে।

প্ৰতি বছৰে ১২ কোটি ৫০ লাখ টকাৰ সুলভ মূল্যৰ নিমখ বিতৰণ কৰিব লাগে কিন্তু কৰা নাই বুলি এটা ডাঙৰ অভিযোগ অহাটো অপৰাধ। প্ৰতি বছৰে ৫২৫ কোটি টকাৰ কেলেংকাৰী হোৱাটো এটা অপৰাধ কৰি আছে। এই সামাজিক অপৰাধ যোগান বিভাগে কৰি আছে বুলি অভিযোগ উঠাটো অতি দুখৰ কথা, ইয়াত ফাঁচি বজাৰৰ এটা চক্ৰও জৰিত আছে বুলি অভিযোগ উত্থাপিত হৈছে বাতৰিটো মন্ত্ৰী মহোদয়কো জৰিত কৰিছে। গতিকে এই বিষয়ে এটা স্পষ্টিকৰণ মন্ত্ৰী মহোদয়ে দিব লাগে। কাৰণ এই বিলাক সামাজিক অপৰাধ। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা গ্ৰহণ কৰে তাৰ এটা সদুত্তৰ এই পৱিত্ৰ সদনত দিব বুলি অনুৰোধ জনালো। এই নিমখ বাহিৰত অৰ্থাৎ বাংলাদেশলৈ যোগান ধৰে বুলিও অভিযোগ উত্থাপিত হৈছে। যি সময়ত অসমৰ মানুহে তথা গৰ্ভৱতী মহিলাই আয়োডিনযুক্ত নিমখৰ পৰা বঞ্চিত হৈছে সেই সময়ত অসমৰ কাৰণে আৱণ্টিত নিমখ বাংলাদেশলৈ যোৱাটো অত্যন্ত দুৰ্ভাগ্যজনক কথা। গতিকে এই ক্ষেত্ৰত আমাৰ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে মন্ত্ৰী মহোদয়ে পৱিত্ৰ সদনত ব্যক্ত কৰিব লাগে। অহা দিনবোৰত যাতে এনেধৰণৰ কেলেংকাৰী গঢ়ি উঠিব নোৱাৰে তাৰ ওপৰত চৰকাৰে কি দৃঢ় পদক্ষেপ ল'ব সেইখিনি জনাব বুলি আশা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

***শ্ৰীপ্ৰণৱ কলিতা :** মাননীয় অধ্যক্ষ মহোদয়, এই নিমখৰ বিষয়ে ইতিমধ্যে বিস্তৃত আলোচনা হৈছে। আয়োডিনযুক্ত নিমখ নাখালে দৈনন্দিন মানুহৰ জীৱনৰ ক্ষতি হয় বুলি আমি জানো। আনকি এই নিমখ অবিহনে আমাৰ হেনো গ্ৰোথ নাবাঢ়ে। ইয়াৰ পৰা ডিঙিৰ বেমাৰ হয়। ডিঙি ফুলে। গৰ্ভৱতীসকলক এই নিমখ খাবলৈ বাধ্য কৰায়। প্ৰাপ্ত তথ্য মতে প্ৰতি মাহত অসমলৈ ১০ ৰেক নিমখ আহে। সেই হিচাপত ২৫ কোটি কেজি নিমখ হ'ব লাগে। অসমত ৫৫ হাজাৰ সুলভ মূল্যৰ দোকান আছে। আমাকটো ইমান নিমখৰ প্ৰয়োজন নাই। এই হিচাপত চাবলৈ গ'লে একোটা পৰিয়ালে ২২ কেজি নিমখ প্ৰতি মাহে ভাগত পায়। কিন্তু আমাৰ একোটা পৰিয়ালক ২২ কেজি নিমখৰ প্ৰয়োজন নাই। তেতিয়া হ'লে অতিৰিক্ত নিমখখিনি গ'ল

* Speech not corrected

ক'লৈ। আমাৰ প্ৰশ্ন হ'ল অসমৰ কাৰণে আৱণ্টিত নিমখখিনি বাহিৰলৈ পঠিয়াইছে নেকি? নে এই ৰেক নিমখ বাহিৰতেই নাইকীয়া হৈছে? অসমৰ কাৰণে আৱণ্টিত এই আয়োডিনযুক্ত নিমখৰ এটা বৃহত কেলেংকাৰী হৈছে আৰু বিভাগীয় মন্ত্ৰীও জৰিত হৈছে বুলি উৎথাপিত হৈছে। মন্ত্ৰী ডাঙৰীয়া নিজে এজন ডাক্তৰ তেওঁ কেলেংকাৰীত জৰিত নহয় বুলি বিশ্বাস। এই ৩৫০ কোটি টকাৰ কেলেংকাৰীটো এবছৰতে হোৱা নাই যোৱা ৬/৭ বছৰ ধৰি হৈছে। এই যে নিমখ বিলাক ফাঁচি বজাৰত পেকেটিং হয় তাতেই সন্দেহ আছে। আজিৰ তাৰিখত গৰ্ভৱতী মহিলাই আয়োডিনযুক্ত নিমখ নাখালে কেঁচুৱাটো গ্ৰোথ '৯ ভাগ কমি যায়। গতিকে এই নিমখ বিলাক অসমত অহাৰ পাচত হৰলুকি হৈছে নে অসমৰ বাহিৰতে নাইকীয়া হৈছে নে বাংলাদেশলৈ গুছি গৈছে এই তথ্য মন্ত্ৰী মহোদয়ে পৱিত্ৰ সদনত জনাব বুলি আশা কৰিলো। বৰ্তমান বজাৰত আমি পোৱা খবৰ মতে তিনি টকা পঞ্চাচ পইচাৰ নিমখ আঠ টকাত বিক্ৰী হৈছে বুলি অভিযোগ উঠিছে। এই বিলাক কথা সঁচা নে ইয়াৰ এটা অনুসন্ধান হ'ব বুলি মন্ত্ৰী মহোদয়ে আশ্বাস দিব বুলি অনুৰোধ জনালো।

***ডাঃ নজৰুল ইছলাম (যোগান মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৬/৮/২০০৭ তাৰিখৰ 'দৈনিক বাতৰি' কাকতত প্ৰকাশিত তিনি হাজাৰ পাঁচশ কোটি টকাৰ কেলেংকাৰী যোগান বিভাগত শীৰ্ষক বাতৰিটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই বাতৰিটো তথ্যভিত্তিক নহয়। কেন্দ্ৰীয় চৰকাৰে ষ্টেটজোনেল কোটাত অসমক ১২০ ৰেক নিমখ আৱণ্টন দিয়ে। এই নিমখখিনিৰ কাৰণে অসমৰ লিডিং বাতৰি কাকতসমূহত টেণ্ডাৰ ক'ল কৰা হয়। তাৰ কাৰণে এটা কমিটিও কৰি দিয়া হৈছে আৰু এই কমিটীয়ে ভেলিড টেণ্ডাৰ বিলাকৰ এখন তালিকা প্ৰস্তুত কৰে। আৰু প্ৰত্যেকজন নিবিদাকাৰীয়ে কোৱাৰ্টাৰলি ৩০ ৰেক নিমখ এলোট কৰা হয়। এই নিমখখিনি প্ৰতি বছৰে সংগ্ৰহ কৰে। ২০০৪/০৫ চনত ৮৪ ৰেক ২০০৫-০৬ চনত ৭২ ৰেক আৰু ২০০৬-০৭ চনত ১০৬ ৰেক আৰু এই প্ৰথম কোৱাৰ্টাৰত ১৮ ৰেক আহিছে। এই নিমখখিনি কেন্দ্ৰীয় চৰকাৰৰ নামতে

* Speech not corrected

আৱণ্টন দিয়া হয়। ইয়াৰে ৫০ ভাগ নিমখ পি ডি এছক দিয়া হয়। ৪০ শতাংশ খোলা বজাৰত বিক্ৰী কৰা হয় আৰু ১০ শতাংশ ৰোলিংৰ বাবে ৰখা হয়। গতিকে ফাঁচিবজাৰত পেকেটিং কৰাৰ কথাতো নাহে। আৰু চৰকাৰৰ জৰিত হোৱাৰ কোনো কাৰণ নাই। প্ৰত্যেক মাহে মাহে পি ডি এছ বিলাকক নিমখ আৱণ্টন দিয়া হয় যদিও পি ডি এছ বিলাকে নিমখ নুঠায়। যাৰ ফলত এমাহৰ পিছত চৰকাৰে বান্ধি দিয়া দামত খোলা বজাৰত বিক্ৰী কৰিবলৈ দিয়া হয়। জুলাই মাহতে যোৰহাটতত নিমখ এলোট কৰা হৈছে, কিন্তু উঠোৱা নাই সেই কাৰণে এই নিমখখিনি এমাহৰ পাচত চৰকাৰে বান্ধি দিয়া দামত খোলা বজাৰত বিক্ৰী কৰিবলৈ দিয়া হয়। জুলাই মাহতে যোৰহাটত নিমখ এলোট কৰা হৈছে কিন্তু উঠোৱা নাই সেই কাৰণে এই নিমখখিনি এমাহৰ পাচত খোলা বজাৰত বিক্ৰী কৰে। চৰকাৰে বান্ধি দিয়া দাম মতে ৭৫ কেজিৰ বেগ এটা খোলা বজাৰত ২৬০ টকাত বিক্ৰী কৰে। অৰ্থাৎ প্ৰতি কেজিত ৩.৫০ টকাকৈ বিক্ৰী কৰিব লাগে। কিন্তু তাৰে কিছু নিমখ পেকেটিং কৰি টাটা ব্ৰেণ্ড নাম দি ৫ টকাত বিক্ৰী কৰে। পেকেটতে ৫ টকা বুলি লিখা আছে। গতিকে তাতকৈ বেচি ল'ব নোৱাৰে। নিমখখিনি আয়োডিনযুক্ত বুলি টেষ্ট কৰিহে পেকেটিং কৰা হয়।

**শ্ৰীঅনন্ত ডেকা ঃ** আমাৰ যিবিলাক সুলভ মূল্যৰ দোকান সেই বিলাকত আয়োডিন যুক্ত যিবিলাক নিমখ ৪ টকাৰ ঠাইত ৮ টকাত বিক্ৰী কৰে। কথাবিলাক সঁচা হয় নে নহয় মন্ত্ৰী মহোদয়ে স্পষ্টীকৰণ দিব লাগে আৰু ৪/৫ টকাত নিমখ পোৱাৰ ব্যৱস্থা কৰি দিব লাগে।

***ডাঃ নজৰুল ইছলাম ঃ** খোলা বজাৰত যিবিলিক নিমখ বিক্ৰী কৰে এই সকলো বিলাক নিমখেই আয়োডাইজড চল্ট আন আয়োডাহজইড চল্ট বিক্ৰী কৰিব নোৱাৰে। আমাৰ মানুহে ৫ টকা পেকেটৰ নিমখ টাজা ব্ৰেণ্ডৰ সেইখিনি নিকিনে তাৰ সলনি ১০ টকা মূল্যৰ টাটা চল্ট কিনি খায়। কাৰণ দামী বস্তুটো বেচি ভাল বুলি আমাৰ মানুহৰ ধাৰণা। অথচ আমাৰ ৫ টকীয়া নিমখটোও ষ্টেণ্ডাৰ্ড ব্ৰেণ্ড আৰু আয়োডাইজড। গতিকে

* Speech not corrected

কেলেংকাৰী হোৱাৰ প্ৰশ্ন আহিব। ৫ টকাৰ বস্তুটো আঠ টকাত বিক্ৰী কৰাত প্ৰশ্ন নাই।

***মঃ মহিবুল হক** ঃ পি ডি এছে যে নুঠাই তাৰ কাৰণে কি ব্যৱস্থা লৈছে?

**ডাঃ নজৰুল ইছলাম** ঃ পি ডি এছে নুঠোৱা কাৰণেই চৰকাৰে বান্ধি দিয়া ৰেটত খোলা বজাৰত বিক্ৰী কৰা হয়। পাব্লিকে নিকিনাৰ প্ৰশ্ন নুঠে। কাৰণ ব্ৰেণ্ডেড নিমখ আয়োডাইজড। সাধাৰণ মানুহে খায়। আন আয়োডাইজড যিহেতুকে বিক্ৰী কৰিব নোৱাৰে। গতিকে কেলেংকাৰী হোৱা বা বাংলাদেশলৈ যোৱাৰ প্ৰশ্ন নুঠে।

***শ্ৰীপৰিমল শুক্লবৈদ্য** ঃ ছাৰ, জিৰো আৱাৰাত মইও এটা নটিচ দিছিলো। অৱশ্যে কোনটো আলোচনা কৰিব দিব সেইটো আপোনাৰ ডিচক্ৰিচনেৰী পাৱাৰ আছে। ইচ্ছা কৰা হ'লে মোৰটো দিব পাৰিলেহেঁতেন। হাতীয়ে মানুহ মাৰি শেষ কৰিলে। চোৰাং স্বীকাৰীৰ উৎপাতত থাকিব নোৱাৰি বিষয়টো জৰুৰী আছিল। তথাপি মই অনুৰোধ কৰিলো বিষয়টো আপোনালৈ পথালো আপুনি যেন ব্যৱস্থা লয়।

## REPORT OF BUSINESS ADVISORY COMMITTEE

**মাননীয় অধ্যক্ষ** ঃ আপুনি মোক দিয়ক মই ব্যৱস্থা ল'ম। Debate is not allowed. You cannot give supplementaries Mr. Mahibul Haque like this you will not be considered.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee at 1.05 P.M. on 6th August, 2007 in the Conference room of my office chamber at Dispur to decide the priority for discussion on the Supplementary Demands for Grants 2007-08.

---

* Speech not corrected

The Committee after a threadbare discussion decided to take up the Supplementary Demands for Grants for discussion on priority basis considering the urgency and public importance of the Supplementary Demands for Grants. Accordingly, the Business Advisory Committee unanimously decided to accord priority for discussion on the Supplementary Demands for Grants 2007-2008 as follows :-

| | | |
|---|---|---|
| 1st Priority : | Social Security Welfare and Nutrition | Grant No. 39 |
| 2nd Priority : | Agriculture | Grant No. 48 |
| 3rd Priority | Police | Grant No. 14 |

The rest of the Grants will be taken up serially for discussion in the House, if time permits.

I hope, this has the approval of the House.

## CALL ATTENTION NOTICE

**Mr. Speaker :** Now, item No-3, Shri Girindra Kumar Baruah to call the attention of the Minister, Education under Rule 54 of the Rules of procedure and caduet of Business in Assam Lesistative Asembly to the news item appearing in 'Amar Asom' dt. 2nd july, 2007 under the caption :

'অস্তিত্বহীন বিদ্যালয় শিক্ষকৰ নামত দুই হাজাৰ কোটি টকা আত্মসাৎ'।

***শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা :** মাননীয় অধ্যক্ষ মহোদয় অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্যপৰিচালনাৰ ৫৪ নং ধাৰা অনুসাৰে যোৱা ২ জুলাই তাৰিখে

* Speech not corrected

আমাৰ অসম কাকতত প্ৰকাশিত 'অস্তিত্বহীন বিদ্যালয়, শিক্ষকৰ নামত ২০০০ কোটি টকা আত্মসাৎ' শীৰ্ষক বাতৰিটোৰ মই তথ্য সহকাৰে দৃষ্টি আকৰ্ষণ কৰিলো। প্ৰকাশিত বাতৰিটোৰ মতে চৰকাৰৰ অনুমোদিত পদ আছে আৰু সেই পদৰ বিপৰীতে দৰমহা পোৱাৰ উপৰিও অতিৰিক্ত দৰমহাৰ নামত টকা মোকলাই দিয়া হৈছে। বাতৰিটোত উল্লেখ কৰিছে যে অসমৰ ২৪ হাজাৰ ২৬৯ প্ৰাথমিক বিদ্যালয়ৰ ভিতৰত ৭ হাজাৰ ৭১৫ মঞ্জুৰীকৃত পদ আছে। তাৰ বিপৰীতে ৭০ হাজাৰ শিক্ষক কৰ্মৰত অৱস্থাত আছে।এই কথাটো যদি সঁচা হয় ৩০৩৮ খন বিদ্যালয়ত ৫৭৯৯ টা অতিৰিক্ত পদ আছে এই ৫৭৯৯ টা অতিৰিক্ত পদৰ বিপৰীতে ১৩,৮৪৮ জন শিক্ষকে দৰমহা পোৱা নাই। এই টকা বিলাক নিশ্চয় আত্মসাৎ হৈছে। হয়তো মন্ত্ৰী মহোদয়ে উত্তৰত বাতৰিটো ভিত্তিহীন বুলি ক'ব। মই নিজে যেতিয়া ঢকুৱাখানা মহাবিদ্যালয়ত কাম কৰিছিলো। সেই মহাবিদ্যালয়ৰ তিনিজন প্ৰবক্তা পদৰ বিপৰীতে দৰমহাখিনি অধ্যক্ষ গৰাকীয়ে আত্মসাৎ কৰি আছিল। আমি জানো ৰাস্তাৰ কাষতে থকা ডিমৰীয়া কলেজখনৰ সুনাম আছে এটা সময়ত তিনিজন প্ৰবক্তা পদৰ ১০ বছৰৰ অধিক কাল ধৰি দৰমহাটো আত্মসাত কৰি আছিল। এতিয়া অৱশ্যে অধ্যক্ষজনক নিলম্বিত কৰিছে। এতিয়া কলেজ শিক্ষকৰ মকৰলত চৰকাৰে অনুমোদন দিব লাগে। আগতে প্ৰশাসন সমিতিয়ে কৰিছিল অনুমোদনৰ প্ৰয়োজন নাছিল। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এনেকুৱা কিছুমান স্কুলৰ শিক্ষক আছে যিসকল শিক্ষক কেৱল অনবৰতে দিছপুৰত দালালি কৰি থাকে। তেওঁলোকৰ কাম কেৱল দিছপুৰতে থাকে। মই এই কথাতে পুনৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। স্বয়ং ভগৱান আহিলেও শিক্ষা বিভাগৰ দুৰ্নীতি নিৰ্মূল কৰাতো সহজ নহয়। মাননীয় মুকুট শৰ্মা এজন ভদ্ৰলোক আছিল আৰু তেখেতে শিক্ষা বিভাগৰ মন্ত্ৰী আছিল। কংগ্ৰেছ দলৰ মন্ত্ৰী হ'লেও মই এই কথাটো কৈছো। কিন্তু তেখেতে চেষ্টা কৰিও শিক্ষা বিভাগটো দুৰ্নীতিমুক্ত কৰিব নোৱাৰিলে। এ জি পি দলৰ ফালৰ

পৰা কেইবাজনো নিষ্ঠাবান লোক শিক্ষা মন্ত্ৰী আছিল। কিন্তু তেতিয়াও শিক্ষা বিভাগটো দুৰ্নীতিমুক্ত হোৱা নাছিল। আপোনাৰ দিনত কিছুমান ভাল কাম হৈছে যদিও কিছুমান বেয়া কামো হৈছে। আপোনাৰ দিনতেই উচ্চাৰণ ডেকাক চিলেকচন বোৰ্ডৰ চেয়াৰমেন পতা হৈছে। তেওঁক চেয়াৰমেন পতাৰ কি দৰ্কাৰ আছিল। তেওঁক চেয়াৰমেন নাপাতি এজন যদি শিক্ষকক সেই পদত অধিষ্ঠিত কৰিলেহেঁতেন তেতিয়া হ'লে বেছি ভালহ'লহেঁতেন। অৱশ্যে কৃষ্ণকান্ত মুকলি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যজন ৰাজনীতিৰ উৰ্দ্ধত থকা লোকক অধিষ্ঠিত কৰাৰ কাৰণে ভাল হৈছে। ঠিক সেইদৰে হায়াৰ ছেকেণ্ডাৰী স্কুলৰ পৰীক্ষাৰ ফলাফল সোনকালে দিয়াতোও ভাল হৈছে। শিক্ষকক চেয়াৰমেন নাপাতি অন্য লোকক চেয়াৰমেন পতাতো পৰিতাপৰ কথা হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ ওপৰত বক্তব্য ৰাখিব।

(Mr. Speaker Vacated the chair and Madam Deputy Speaker Occupied the Chair.)

**শ্ৰীৰিপুণ বৰা (শিক্ষামন্ত্ৰী) ঃ** মাননীয় উপধ্যক্ষা মহোদয়া, আমাৰ মাননীয় সদস্য শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত যিটো 'অস্তিত্বহীন বিদ্যালয়, শিক্ষকৰ নামত দুই হাজাৰ কোটি টকা আত্মসাৎ শীৰ্ষক বাতৰি উত্থাপন কৰিছে সেই বাতৰিটো এখন বাতৰি কাকতত ওলোৱা বাতৰি আৰু এই বাতৰিটো সন্দৰ্ভত তেখেতে যিখিনি বক্তব্য দাঙি ধৰিছে মই বিভাগীয় মন্ত্ৰী হিচাপে তথ্যগতভাৱে ইয়াত দাঙি ধৰিব বিচাৰিছো। ইয়াত যিটো পৰিসংখ্যা দিছে সেই পৰিসংখ্যাটো বিত্ত বিভাগৰ পৰিসংখ্যাৰ লগত মিলাই চালেই আচল কথাটো ওলাই পৰিব। ৫ হাজাৰ কিমানখন অস্তিত্বহীন বিদ্যালয় আছে বুলি যিটো কথা কৈছে সেইটো কেতিয়াও সম্ভৱপৰ নহয়। এই বাতৰিটো ইয়াত উল্লেখ কৰা হৈছে। আমাৰ চৰকাৰে যোৱা বছৰৰ পৰা যি বিলাক ভেনচাৰ স্কুল, যিবিলাক এল পি স্কুল আদিক বিত্তীয় সাহায্য দিছে এই বিত্তীয় সাহায্যৰ ওপৰত চিনিয়ৰিটি বা অন্যান্য কিছুমান ক্ষেত্ৰত

কোনোবাই ডেপ্ৰাইভ হোৱা বুলি হাইকোৰ্টত গোচৰ তৰিছে। এই ক্ষেত্ৰত হাইকোৰ্টে প্ৰায় ২০০ টা গোচৰ নিষ্পত্তি কৰিবলগীয়া হৈছে। যদি সঁচাকৈয়ে ৫ হাজাৰ কিমানখন প্ৰায় ৬ হাজাৰ অস্তিত্বহীন বিদ্যালয় আছে, তেতিয়াহ'লে ৰাজ্যখনত এনে কোনো সচেতন ব্যক্তি নাই নেকি যিসকলে আদালতত তথ্য সহকাৰে দাঙি ধৰিব পাৰে। এইটো সত্যৰ ওপৰত প্ৰতিষ্ঠিত তথ্য নহয়। ইয়াত যিদৰে শিক্ষকৰ দা-দৰ্মহাৰ কথা কোৱা হৈছে ঠিক সেইদৰে গৃহ নিৰ্মাণৰ কথাও কোৱা হৈছে। গৃহ নিৰ্মাণৰ টকা আত্মসাৎ কৰা হৈছে বুলি কৈছে। এইটো কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। কাৰণ গৃহ নিৰ্মাণৰ টকাতো প্ৰত্যেকখন স্কুলৰ পৰিচালনা সমিতিলৈহে যায়। সেই স্কুলৰ শিক্ষক, অভিভাৱক আৰু গাঁওৰ মুখিয়াল লোকক লৈ পৰিচালনা সমিতি গঠন কৰা হয়। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত অস্তিত্বহীন স্কুলৰ শিক্ষকৰ নামত টকা যাব এইটো কেতিয়াও সম্ভৱপৰ নহয়। বিদ্যালয়সমূহৰ গৃহ নিৰ্মাণৰ ক্ষেত্ৰত এনেকুৱা বৃহৎ পৰিমাণৰ টকা আত্মসাৎ কৰাৰ কোনো ধৰণৰ অৱকাশ নাই। অৱশ্যে মাননীয় সদস্য গিৰীন্দ্ৰ কুমাৰ বৰুৱাৰ লগত মইও একমত যে এতিয়াও ৰাইজে শিক্ষা বিভাগতো ঘৃণাৰ চকুৰে চায় আৰু শিক্ষা বিভাগটোৰ ক্ষেত্ৰত নাক কোচায়। এতিয়াও ৰাইজে শিক্ষা বিভাগটোক দুৰ্নীতিপূৰ্ণ বিভাগ বুলিয়েই ভাবি লয়। আমি আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত শিক্ষা বিভাগটো নিকা আৰু দুৰ্নীতিমুক্ত কৰিবৰ কাৰণে অহৰহ প্ৰচেষ্টা কৰিছো। সেই প্ৰচেষ্টাৰ অংশ হিচাপে আমি বিভিন্ন ধৰণৰ সংস্কাৰমুখি কাৰ্যসূচী লৈছো। সেই কাৰণে মই সন্মানীত সদস্য গৰাকীৰ লগতে সকলোকে জনাব বিচাৰিছো যে অস্তিত্বহীন স্কুল, শিক্ষকৰ নামত যদি কোনোবাই টকা আত্মসাৎ কৰিছে, তেনেহ'লে তাক তথ্য সহকাৰে জনালে আমি সকলো ধৰণৰ শাস্তিমূলক ব্যৱস্থা ল'ম। শিক্ষা বিভাগৰ এনেকুৱা ধৰণৰ দুৰ্নীতি নিৰ্মূল কৰিবৰ কাৰণে আমি বহুত বিলাক কঠোৰ ব্যৱস্থা লৈছো। বহুতো শিক্ষক আৰু বিষয়াক চাচপেণ্ড কৰা হৈছে আৰু গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াবলগীয়া হৈছে। এই বিলাকৰ ক্ষেত্ৰত হাইকোৰ্টত বহুতো গোচৰ চলি আছে। সেই কাৰণে আমি হাউচ টু হাউচ

চাৰ্ভে কৰাৰ নিচিনাকৈ স্কুল বিলাকো চাৰ্ভে কৰাৰ ব্যৱস্থা কৰিছো। বাতৰি কাকতখনত কিমান শিক্ষা অনুষ্ঠান আছে, কিমান শিক্ষক আছে, শিক্ষা বিভাগে নেজানে বুলি কৈছে। আগতে যদিও সেইটো সত্য আছিল এতিয়া কিন্তু সেইটো সত্য নহয়। আমি আমাৰ বিষয়া কৰ্মচাৰী পঠিয়াই কিমান শিক্ষানুষ্ঠান আছে, কিমান শিক্ষক আছে তাৰ এখন প্ৰফৰ্মা বনাই ফিলআপ কৰি আনিছো। উদাহৰণ স্বৰূপে মঙলদৈ এম ই স্কুলৰ এইখন প্ৰফৰ্মা, এই প্ৰফৰ্মাখনত সকলো বিলাক কথা আছে। এই প্ৰফৰ্মা খনত ডি ই ই অ, ডি আই, এছ আই, শিক্ষক আদিৰ চহী আছে। এনেকুৱা ধৰণে প্ৰত্যেকখন স্কুলৰ পৰা প্ৰফৰ্মা বিচাৰিছো। এই প্ৰফৰ্মা বিলাকৰ আমি এখন কিতাপ বনাম আৰু সেই কিতাপখন সকলোকে দিম। ইয়াত এখন জিলাত কিমান স্কুল আছে, প্ৰত্যেক স্কুলত চেনচন পোষ্ট কিমান আছে, নন্ চেনছন শিক্ষক কিমান আছে, ৰিটায়াৰমেণ্টত কেতিয়া যাব ইত্যাদি গোটেইবোৰ কথা থাকিব। আমি আশা ৰাখিছো আমি ডাটা বেচ প্ৰস্তুত কৰি এইখন সোনকালে সম্পূৰ্ণ কৰিব পাৰিম। আমাৰ কিছু শিক্ষক এক্চেচ আছে যে এইটো হয়। বিভিন্ন সময়ত বিশেষকৈ ১৯৮৫ চনৰ পৰা ২০০১ চনৰ ভিতৰত নিযুক্তি দিয়া এনেকুৱা কিছুমান শিক্ষক আছে।

মাননীয় উপাধ্যক্ষা মহোদয়া, ১৯৮৫ চনৰ পৰা ২০০১ এই সময় চোৱাত বিভিন্ন সময়ত শিক্ষক নিযুক্তি হৈছিল। সেই নিযুক্তিত কিছুমান শিক্ষক অনিয়ন্ত্ৰিতভাৱে নিযুক্তি দিয়া হৈছিল। তেনেকুৱা শিক্ষকৰ সংখ্যাৰ ডাটা যুগুতাই উলিওৱা হৈছে। সেইখিনি শিক্ষকৰ কিছুমানে দৰমহা পাইছে আৰু কিছুমানে পোৱা নাই। তদন্ত চলি আছে। তাৰে কিছুমানৰ প্ৰতিবেদন পাইছো আৰু কিছুমানৰ প্ৰতিবেদন পোৱা নাই। গতিকে উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য শ্ৰীগিৰীন্দ্ৰ বৰুৱা ডাঙৰীয়াই আশা ৰাখিছো এইখিনি উত্তৰত সন্তুষ্ট হ'ব। আৰু আমি পুনৰ মাননীয় সদস্যসকলক অনুৰোধ কৰিছো, যে আমি শিক্ষা ব্যৱস্থাটোৰ নিকা আৰু দুৰ্নীতিমুক্ত কৰিবৰ কাৰণে যি প্ৰচেষ্টা হাতত লৈছো তাত সকলোৰে সহায় সহযোগিতা বিচাৰিছো। কিবা স্পেচিফিক অভিযোগ থাকিলে আমি তত্কালে ব্যৱস্থা লম।

ইতিমধ্যে আমি বহুটো ব্যৱস্থা লৈছো। পুনৰবাৰ কৈছো মাননীয় সদস্য গৰাকীয়ে আমাৰ এই উত্তৰত সন্তুষ্ট হ'ব।

*শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, মই এটা কথা ক'ব বিচাৰিছো আগতেও কৈছো যে স্বয়ং ভগৱানেও হাত দিলেও এই বিভাগটো সম্পূৰ্ণভাৱে নিকা কৰাটো দান। মই এটা কথা মাননীয় মন্ত্ৰী গৌতম বৰা ডাঙৰীয়াকো কৈছো যে ড্ৰপ পোষ্টৰ তালিকা পঠাইছে নগাঁৱৰ প্ৰাথমিক শিক্ষা আৰু আই এছৰ পৰা। সেইবিলাক কাৰ্যালয়ৰ এজন কেৰাণীৰ ষ্টেণ্ডাৰ্ড অব্ লিভিং আপোনাৰ বা মোতকৈ বহুত ওপৰত। এজন কেৰাণীৰ ঘৰ প্ৰয়াত মুকুত শৰ্মাৰ ঘৰৰ ওচৰত। এজন কেৰাণীয়ে ১৯৮৯ চনত ৪১১ জনক অবৈধভাৱে নিযুক্তি দিলে হাইস্কুলত। এ জি পি চৰকাৰ গ'ল। আপোনালোকৰ চৰকাৰে কিবা কৰিব বুলি ভাবিছিলো কিন্তু নকৰিলে। প্ৰাথমিক শিক্ষাৰ কেৰাণী এজনৰ তিনিখনকৈ গাড়ী কেনেকৈ থাকে। সেই কাৰণে কৈছো যে যদি দালালক নিয়ন্ত্ৰণ কৰিব নোৱাৰে, তেতিয়াহ'লে বিভাগটো ভাল নহ'ব। ডিমৰীয়া কলেজৰ কথা মই জানো। তাৰ তিনিজন শিক্ষকে দৰমহা পোৱা নাই। এইবিলাক কথা অনুগ্ৰহ কৰি চাওক। জিলা প্ৰাথমিক শিক্ষা কাৰ্যালয়ে হোটেলত ১১২ টা ড্ৰপ পোষ্টৰ তালিকা কৰিছে। এই কথা মাননীয় মন্ত্ৰী গৌতম বৰা ডাঙৰীয়াকো কৈছো। গতিকে উপাধ্যক্ষা মহোদয়া, শিক্ষা বিভাগক নিকা কৰিবলৈ হ'লে শিক্ষা বিভাগৰ দুৰ্নীতিগ্ৰস্ত বিষয়া কৰ্মচাৰীসকলৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। শিক্ষা বিভাগত যথেষ্ট টকা দিয়া হৈছে। ২-৪ জন বিষয়া কৰ্মচাৰীৰ কাৰণে কাম বিলাক বেয়া হৈছে। গতিকে এইবিলাক কথাৰ ওপৰত মন্ত্ৰী মহোদয়ৰ বিশেষভাৱে দৃষ্টি আকৰ্ষণ কৰিলো।

শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, শ্ৰীগিৰীন্দ্ৰ বৰুৱা ডাঙৰীয়াক পুনৰ ধন্যবাদন জনাইছো। তেখেতে যিখিনি কথা কৈছে সঁচা। সেই বিলাক বন্ধ কৰাৰ কাৰণে আমি কিছুমান নিয়ম সলনি কৰিছো। নিযুক্তি প্ৰক্ৰিয়াও সলনি কৰিছো আৰু তাৰ কাৰণে দালালৰ ব্যৱস্থাটো বন্ধ হৈছে। ২০০১ চনৰ পৰা আজিৰ তাৰিখলৈ এনেকুৱা ধৰণৰ নিযুক্তি হোৱা নাই। মাননীয় সদনৰ জ্ঞাতাৰ্থে জনাও যে শিক্ষক নিযুক্তিৰ কথাটো এটা অটোনমাচ বডিক দিয়াৰ

* Speech not corrected

কাৰণে চিন্তা কৰিছো। সেই কাৰণে এ পি এছ চিৰ নিচিনাকৈ স্কুল চাৰ্ভিচ কমিচন এটা তৈয়াৰ কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰিছো। বেলেগ ৰাজ্যৰ নীতিও আহৰণ কৰিছো। কৰ্ণাটক, পশ্চিমবংগ আদিৰ পৰাও আনিছো। দুৰ্নীতিৰ যাতে সুৰুঙা নাথাকে তাৰ কাৰণে প্ৰচেষ্টা কৰিছো। ইয়াত অলপ সময় ল'ব। আৰু সকলোৰে সহায়-সহযোগিতা লাগিব।

***শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ১৬ মাহে যে শিক্ষকে দৰমহা পোৱা নাই সেই বিষয়ে ক'ব নেকি?

**মাননীয়া উপাধ্যক্ষ ঃ** এই বিষয়টো শিক্ষা শিতানৰ আলোচনাত উত্তৰ দিব।

***শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, এটা কথাত মই কনুফুজন হৈছো, সেই কাৰণে ৩০১ৰ অধীনত এটা কথা ক'ব বিচাৰিছো, যোৱা কালি মাননীয় সদস্য শ্ৰীপ্ৰণৱ কলিতাৰ ১ নং প্ৰশ্নৰ (গ)ৰ উত্তৰত কৈছিল যে প্ৰাপ্ত তথ্য অনুসৰি অৰুণাচল প্ৰদেশৰ পৰা ১৮/৭/২০০৭ ইংলৈকে মুঠ ৩,১৯০ জন ব্যক্তি অসমত প্ৰৱেশ কৰিছে। এইসকল ব্যক্তিৰ ক্ষেত্ৰত চিনাক্তকৰণ প্ৰক্ৰিয়া হাতত লোৱা হৈছে। কিন্তু মাননীয় মুখ্যমন্ত্ৰীয়ে কৈছে যে যিসকল অৰুণাচল প্ৰদেশৰ পৰা আহিছে তেওঁলোক বাংলাদেশী নহয়। তেওঁলোকক চিনাক্তকৰণ কৰা হৈছে তেওঁলোক ভাৰতীয় নাগৰিক। কথা হ'ল প্ৰণৱ কলিতাৰ উত্তৰত কৈছে যে ৩,১৯০ জন ব্যক্তি অৰুণাচলৰ পৰা অসমত প্ৰৱেশ কৰিছে আৰু তেওঁলোকক ভাৰতীয় নাগৰিক বুলি কোৱা নাই। মাননীয় মুখ্য মন্ত্ৰীয়ে ভাৰতীয় নাগৰিক বুলি কৈছে। গতিকে এই কথাটো স্পষ্ট কৰিব লাগে। গৃহ বিভাগৰ তথ্য ৩,১৯০ জন ব্যক্তি অৰুণাচলৰ পৰা অসমত প্ৰৱেশ কৰিছে আৰু তেওঁলোকক ভাৰতীয় নাগৰিক বুলি কোৱা নাই। মাননীয় মুখ্য মন্ত্ৰীয়ে ভাৰতীয় নাগৰিক বুলি কৈছে। গতিকে এই কথাটো স্পষ্ট কৰিব লাগে। গৃহ বিভাগৰ তথ্য ৩,১৯০ জন ব্যক্তি অৰুণাচলৰ পৰা আহিছে। গতিকে বাংলাদেশী কিমান আহিছে সেইটো জনাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিছো।

**মাননীয়া উপাধ্যক্ষা ঃ** বিষয়টো বিভাগীয় মন্ত্ৰীয়ে চাব।

---

* Speech not corrected

# MATTER UNDER RULE-301

**Madam Deputy Speaker :** Item No. 4. Shri Mission Ranjan Das to draw the attention of the Minister, co-operation by raising the matter under Rule 301 of the Rules of procedure and conduct of Business in Assam Legislative Assembly to the news item appearing in the "Asomiya Pratidin" dated 17th May, 2007 under the caption 'পূৰবী ডেইৰীৰ মৃত্যুঘণ্টা উদ্বিগ্ন উপভোক্তা ঃ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী।'

***Shri Misson Ranjan Das :** I want to draw the attention of the Minister, Co-operation by raising the matter under Rule 301 of the Rules of procedure and Conduct of Business in Assam Legislative Assembly to the new item appearing in the "Asomiya Pratidin" dtd. 17th May, 2007 under the Caption 'পূৰবী ডেইৰীৰ মৃত্যুঘণ্টা — উদ্বিগ্ন উপভোক্তা ঃ মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী।'

মাননীয় উপাধ্যক্ষা মহোদয়া, এই পূৰবী ডায়েৰীৰ প্ৰকৃত নাম ৱেষ্ট আসাম মিল্ক প্ৰডিউচাৰচ্ কোঅপাৰেটিভ ছ'চাইটি লিঃ 'ৰামুল' নামেৰে স্থাপিত হৈছিল। ৩৬ বছৰৰ আগতে এই আঁচনিৰ জৰিয়তে পশ্চিম অসমৰ জিলা কেইখনৰ দুগ্ধ উন্নয়ন ছ'চাইটিতক লৈ এই উদ্যোগটো স্থাপন কৰা হয় আৰু ইয়াৰ পৰিচালনাৰ দায়িত্ব দিয়া হয় অসম চৰকাৰৰ কোঅপাৰেটিভ বিভাগক। ইয়াৰ দ্বাৰাই এটা বিৰাট ডাঙৰ দুগ্ধ উন্নয়ন উদ্যোগ গঢ়ি উঠিছিল আৰু অতি সম্ভাৱনাময় উদ্যোগ হিচাপে পৰিগণিত হৈছিল। কিন্তু আমি দেখিবলৈ পাইছো যে বৰ্তমান এই পূৰবী ডায়েৰীটোৰ মৃত্যুৰ ঘণ্টা বাজি আছে। ৬০ হাজাৰ লিটাৰ দুগ্ধ প্ৰচেছিং কৰাৰ লক্ষ্য আছিল এই উদ্যোগটোৰ। কিন্তু আমি দেখিবলৈ পাইছো যে বৰ্তমান অসম চৰকাৰৰ যিজন পৰিচালন সঞ্চালক আছে তেওঁৰ হেমাহিৰ কাৰণে এই উদ্যোগটোৰ মৃত্যু হৈ আছে।

* Speech not corrected

এই উদ্যোগটোৰ প্ৰায় ১৭৫ বিঘা মাটি আছে, নিজা কৰ্মচাৰী আছে, বিশেষজ্ঞও আছে। অসমৰ ৰাইজে যি বিশুদ্ধ গাখীৰ পাই আছিল সেয়া এতিয়া নোপোৱা হ'ল। পৰিচালনাৰ ব্যৰ্থতাৰ কাৰণে আজি এনে অৱস্থা হৈছে। তাৰ কাৰণে আজি উদ্যোক্তা আৰু উপভোক্তাই ভুগিব লগা হৈছে। মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি আশ্বাস দিছিল। এই উদ্যোগটোৰ কনজিউমাৰ আছে, বজাৰ আছে, তথাপিও এনেকুৱা অৱস্থা হৈছে। কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰে এই উদ্যোগটো জীয়াই ৰাখিবৰ কাৰণে ফাণ্ড দিব লাগে। এই উদ্যোগটো পুনতে ২০ টা কোঅপৰাৰেটিভ ছ'চাইটিয়ে আৰম্ভ কৰিছিল। অন্য উদ্যোগৰ নিচিনাকৈ চলাবৰ কাৰণে যাতে উদ্যোগটো মৃত্যুৰ মুখত নপৰে তাৰ কাৰণে মাননীয় মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা লৈছে মই এটা বিবৃতি বিচাৰিছো।

**Madam Deputy Speaker : Now, Hon'ble Minister Gautam Bora.**

**শ্ৰীগৌতম বৰা (মন্ত্ৰী, সমবায় বিভাগ) ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য মিশ্বন ৰঞ্জন দাস ডাঙৰীয়াই বিধি ৩০১ ধাৰা মতে অসমীয়া প্ৰতিদিন কাকতত ১৭ মে' ২০০৭ তাৰিখে প্ৰকাশিত 'পূৰৱী ডেইৰীৰ মৃত্যু ঘণ্টা উদ্বিগ্ন উপভোক্তা ঃ মুখ্য মন্ত্ৰীৰ হস্তক্ষেপ দাবী।' শীৰ্ষক বাতৰিটো আমাৰ চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। মই মাননীয় সদস্য গৰাকীক জনাব খুজিছো যে পূৰৱী ডেইৰী অৰ্থাৎ ৱামল ৬০ হেজাৰ লিটাৰ গাখীৰ উৎপাদন কৰাৰ লক্ষ্যৰে স্থাপন কৰা হৈছিল। ১০০ মেট্ৰিকটন কেটল কিড উৎপাদন কৰিব পৰাকৈ এই প্লাণ্টটো সজা হৈছিল। কিন্তু আজি বহুত দিন ধৰি ইয়াৰ গাখীৰৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰিব পৰা নাই। গতিকে লোকচান ভৰি থাকিব লগা হৈছে।

অধ্যক্ষ মহোদয়, ৩১ মাৰ্চ, ২০০৬ চনলৈকে লোকচান আছিল ১৯ কোটি ৭৯ লাখ টকা। এই লোকচানৰ কাৰণ কেবাটাও আছে। গাখীৰ নোপোৱাৰ কাৰণ হৈছে যে যোৱা ২০০৭ চনত হোৱা খৰাং বতৰৰ বাবে কেটেল ফীড কমি যায় আৰু সেই কাৰণে গাখীৰ কমি গৈছে। আমাক

প্ৰতিদিনে গাখীৰ লাগে ৩০ হাজাৰ লিটাৰ। কিন্তু আমি পাই আছো মাত্ৰ ১৫০০ লিটাৰ। সেই কাৰণে চৰকাৰে এই গোটেইখিনি কথা চিন্তা কৰি এই উদ্যোগটো জীয়াই ৰাখিবৰ বাবে মাননীয় মুখ্য মন্ত্ৰীৰ নিৰ্দেশ অনুসৰি ৫০ লাখ টকা মুকলি কৰি দিয়া হৈছে। আমাৰ ইয়াৰ গাখীৰৰ চাহিদা পুৰণ কৰিবৰ বাবে আমি পশ্চিমবংগৰ পৰা ১৪০০ লিটাৰ গাখীৰ প্ৰতি সপ্তাহে আনিব লগা হৈছে। কেটেলফীড কমি যোৱাৰ বাবেই আমি পশ্চিমবংগৰ পৰা গাখীৰ আমদানি কৰিব লগা হৈছে। এই উদ্যোগটো জীয়াই ৰখাৰ বাবে এন ডি এফ বিৰ লগতো বহু কেইলানি আলোচনা কৰিছিলো। কিন্তু এন ডি এফ বি; আহিম বুলি কৈও সময়মতে আহিব নোৱাৰাৰ বাবে আমি উদ্যোগটো জীয়াই ৰখাৰ স্বাৰ্থত গুজৰাটৰ আমলৰ লগত কথা পাতিছো। মই নিজেই গুজৰাটলৈ গৈছিলো আৰু প্লেণ্টটো চাই আমাক কৈছে যে আপোনালোকৰ প্লেনটো বৰ সুন্দৰ। অহা মাহত তেওঁলোকে আমাৰ এই প্লেনটো চাবলৈ আহিব আৰু সেই সময়ত তেওঁলোকৰ লগত আমি আলোচনা কৰি এই প্লেনটো কেনেকৈ উৎপাদনমুখী কৰিব পাৰো সেই সম্পৰ্কে আলোচনা কৰিম। তেওঁলোকৰ লগত আমাৰ মেনেজমেণ্টৰ টাই আপ হ'লে আমি গাখীৰ উৎপাদন বেছিকৈ কৰিব পাৰিম আৰু তেতিয়াহ'লে আমাৰ যিখিনি চাহিদা আছে সেই চাহিদা পূৰণ হ'ব। গতিকে আমি আশা ৰাখিছো এই উদ্যোগটো অতি সোনকালে আৰু অধিক কাৰ্যক্ষম হৈ উঠিব আৰু মেনেজমেণ্টৰ লগত আমূলৰ টাই আপ হোৱাৰ লগে লগে ইয়াৰ উৎপাদন বাঢ়ি যাব আৰু তেতিয়া আমি গাখীৰৰ যি চাহিদা আছে সেইখিনি পূৰণ কৰিব পাৰিম।

## MATTER UNDER RULE - 50

**Madam Dy Speaker :** Shri Drupad Borgohain to raise a discussion under Rule 50 of the Rules of Procedure and Conduct of Business in Assam Legislativ

Assembly on a matter of public importance regarding "Protection of lives of people living near Negaland Border inside Assam and also their land and property from Naga invaders by fixing the constitutional boundary with the help of union Govt."

Now, I, request Hon'ble Member, Shri Drupad Borgohain.

**শ্ৰীদ্ৰুপদ বৰগোহাঁই ঃ** সন্মানীয় উপধ্যক্ষা মহোদয়া, আমাৰ এই বিষয়টো অসমত বহুদিন ধৰি চলি আছে আৰু যোৱা কেইদিনমানত এই বিষয়টোৱে বিশেষ গুৰুতৰ পাইছে। আমাৰ অসমৰ যিখন ৰাজ্য যিটোৰ সীমা চুবুৰীয়া ৰাজ্যসমূহৰ পৰা আৰম্ভ কৰি আন্তঃৰাষ্ট্ৰীয় ৰাষ্ট্ৰলৈকে এই সীমা ঠেলিবলৈ আৰম্ভ কৰিছে। আমাৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ডে বহুদিনৰ পৰা আমাৰ অসমৰ মাটি ঠেলি আছে। অৰুণাচল প্ৰদেশেও এতিয়া সীমা ঠেলি আছে বুলি খবৰ পাইছো। মিজোৰামেও অসমৰ মাটি ঠেলি আছে। ইয়াৰোপৰি আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশেও অসমৰ মাটি দখল কৰিবলৈ লৈছে। আজি কেইদিনমান আগতে ৪ জুলাই তাৰিখে গেলেকী অঞ্চলৰ বৰহোলা চৰাইপুজীয়া, সোনাপুৰ অঞ্চলত নগা উগ্ৰপন্থীয়ে আক্ৰমণ কৰি তিনিজন লোকক হত্যা কৰিছে আৰু চাহ বাগানৰ গছ কাটি পেলাইছে। তাৰ কিছুদিন আগতে ঔগুৰিজান চাহ বাগিছাৰ গছ কাটিছে। এই ক্ষেত্ৰত অসম চৰকাৰ সম্পূৰ্ণ অৱগত আৰু ভাৰত চৰকাৰো অৱগত। যোৱা ২০০৬ চনৰ ২৬ জুলাই তাৰিখে আমাৰ এই পৱিত্ৰ সদনত আমাৰ ৰাজহ মন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মন ডাঙৰীয়াই আমাৰ মাননীয় সদস্য প্ৰণৱ কলিতা ডাঙৰীয়াৰ এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে বাংলাদেশে আমাৰ কিছু মাটি দখল কৰিছে। ইতিমধ্যে নাগালেণ্ডে অসমৰ মাটি দখল কৰিছে বুলি তেখেতে স্বীকাৰ কৰিছিল। অধ্যক্ষ মহোদয়, যদি এনেকুৱা অৱস্থা হয় অসমৰ সীমা যদি চাৰিওফালৰ পৰা ঠেলি আনে তেতিয়া আমাৰ অৱস্থা কি হ'ব।

মাননীয় উপাধ্যক্ষ্য মহোদয়া, এই ক্ষেত্ৰত আমাৰ চৰকাৰৰ ভূমিকা সন্তোষজনক আশানুৰূপ হোৱা নাই বুলি মই ক'ব বিচাৰিছো। মোৰ হাতত এইখন কিতাপ আছে, এইখন হৈছে অসম চৰকাৰৰ শ্বেতপুত্ৰ, প্ৰকাশ হৈছিলে ১৯৮৫ চনৰ জুলাই মাহত ...In this regard there is a book "Facts about Assam and Nagaland border" Assam, Nagaland border dispute began since 1960. Nagaland have encroached the land of Assam to the border area increasingly in a large scale but inspite of that Assam Govt. have shown the tolerence not to discuss the matter with the Nagaland Govt. for amicable settlement. ইয়াত ১৯৬০ চনৰ পৰা ঘটনাসমূহ উল্লেখ কৰিছে আৰু এই ক্ষেত্ৰত চৰকাৰে কি কৰিবলৈ চেষ্টা কৰিছে ইয়াত আছে। ইয়াত স্পষ্টভাৱে কৈছে যে যোৱা ৬০ দশকৰ পৰা অসমৰ সীমাত নাগালেণ্ডৰ ব্যাপক অনুপ্ৰৱেশ হৈছে। বনাঞ্চলবোৰ দখল কৰি আছে। অনুপ্ৰৱেশ ৬০ চনৰ পৰাই হৈছে। ইয়াত চৰকাৰে কৈছে তেওঁলোকে ধৰ্য্য আৰু সহনশীলতাৰে নাগালেণ্ড চৰকাৰৰ লগত বিষয়টো আলোচনা কৰি আছে। কিন্তু তাত নাগালেণ্ড পুলিচ পইণ্ট গঠন কৰিছে, মহকুমা গঠন কৰিছে, মানুহক গুলীয়াই মাৰিছে ইয়াৰ পিছতো চৰকাৰে ধৰ্য্য ধৰি থাকিলে নহ'ব। মোৰ মতে সীমাসমস্যা সমাধানৰ চেষ্টা অসম চৰকাৰ আৰু ভাৰত চৰকাৰ দুয়ো ফালৰ পৰা হ'ব লাগে। এই দুই ৰাজ্যৰ মাজত কাজিয়া ভঙাৰ দায়িত্ব ভাৰত চৰকাৰে ল'ব লাগে। ১৯৬০ চনৰ পৰা আজি পঞ্চাশ বছৰ পাৰ হোৱা সত্বেও সীমাটো ঠিক মতে নিৰ্দ্ধাৰণ কৰিব নোৱাৰাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। সোণাৰি সমষ্টিত অভয়পুৰ বনাঞ্চল শিৱসাগৰ, যোৰহাট আৰু গোলাঘাট জিলাৰ গেলেকি, দৈয়াং, দক্ষিণ নামবৰ, বনাঞ্চল, কাৰ্বি আংলং জিলাৰ বনাঞ্চলসমূহ আৰু নগা পাহাৰৰ দাঁতিত থকা অন্য বনাঞ্চলসমূহ নাগাই দখলৰ চেষ্টা কৰিছে। আৰু কিছু দখল ইতিমধ্যে কৰিছেও। ১৮৬৬ চনৰ ১৫ নৱেম্বৰত তেতিয়া বৃটিছ শাসন আছিল। তেতিয়াৰ নাগাপাহাৰ

জিলাখন গঠন কৰা হৈছিল। তুৱেনচাং অঞ্চলটো পিছত নাগালেণ্ডত যোগ দিয়া হৈছিল। এই খণ্ড আগতে নেফাত আছিল। ১৯৫৭ চনৰ ১ ডিচেম্বৰত পুৰণা নগাপাহাৰৰ জিলাত এই খণ্ড যোগ দিয়া হৈছিল। ১৯৬২ চনত আইন পাচ কৰি নাগালেণ্ড কৰা হ'ল। ১৯৬৫ চনৰ ১ ডিচেম্বৰৰ পৰা ইয়াৰ কামকাজ আৰম্ভ হ'ল। তাৰ চাৰিসীমা ১৯৬৫ চনতে নির্দ্ধাৰণ কৰা আছিল। নাগালেণ্ডত যিসকল মানুহ বসবাস কৰি আছে তেওঁলোক একে জনগোষ্ঠীৰ নহয়। তাৰ ভিতৰত আও, আংগামী, চেমা আদি বিভিন্ন জনগোষ্ঠী আছে। তেওঁলোকে প্ৰত্যেকে প্ৰত্যেকৰ ভাষা নাজানে। নাগামিজ বা ইংৰাজী, হিন্দী ব্যৱহাৰ কৰে। সেই উপজাতিসমূহৰ কোনেও ভৈয়ামত বাস কৰা নাছিল। পাহাৰৰ ওখ অংশবোৰত তেওঁলোকে বাস কৰিছিল। বৃটিছৰ দিনত নাগালেণ্ড গঠন হৈছিল, তেওঁলোকৰ সুবিধাৰ বাবে নন নাগাঅঞ্চল তাত সুমোৱাই লৈছিল। লোথা জেলিয়াং আদি নগাই বাস কৰা বিভিন্ন অঞ্চল নগাপাহাৰ জিলাত পিছত সুমুৱাই লৈছে। কছাৰী সকলৰ ডিমাপুৰ ডিমাছা, কছাৰী সকলৰ ৰাজধানী আছিল। বৃটিছে ১৯১৩ চনত নাগালেণ্ডত এই ডিমাপুৰক সুমুৱাই ল'লে। ১৯৩৫ চনত কনচালিডেণ্টে নটিফিকেচনৰ ভিত্তিত নাগাপাহাৰ জিলাৰ চাৰিসীমা নিৰ্দ্ধাৰণ হৈছিল। পিছত ১৯৬২ চনত নাগালেণ্ড ৰাজ্য গঠন কৰোতে সেই সীমা সাংবিধানিক সীমা হিচাপে গ্ৰহণ কৰা হ'ল। দাঁতিত অসম আছে, অৰুণাচল আছে, মণিপুৰ আছে।

বৰ্তমান ইউ পি এ চৰকাৰৰ Common Minimum Programme খনত territorial integrity of North Eastern States will be Presered বুলি লিখা আছে। গতিকে অসম নাগালেণ্ডৰ সাংবিধানিক সীমা। (১৯৬২ চনৰ আইন মতে) সুৰক্ষিত হ'ব লাগিব।

মাননীয়া উপধ্যক্ষা মহোদয়া, এতিয়া আমি শুই থাকিব লাগিব নে নাগালেণ্ড বৰ্ডাৰৰ কথা ক'ব লাগিব। এতিয়া এই প্ৰশ্নটো আমাৰ সন্মুখত আহিছে। আমাৰ সন্মুখত আহিছে। আমাৰ ৰাজ্য চৰকাৰখনক দৃঢ়ভাৱে

কাম কৰি যাবলৈ মই অনুৰোধ জনাইছো। তাৰ পিছত মই আৰু এটা কথা ক'বলৈ ওলাইছো যে শ্ৰী কে ভি কে সুন্দৰম ভাৰত চৰকাৰৰ গৃহ বিভাগৰ আইন উপদেষ্টা। তেওঁক অসম নাগালেণ্ডৰ সীমা সম্পৰ্কীয় উপদেষ্টা হৈছিল। Subsequently in 1971 the Govt. of India vide letter No. 227-SR dtd.7th August 1971 appointed Shri KVk Sundaram, the then Chairman of Law Commission as Adviser in the Ministry of Home Affairs in respect of Assam-Nagaland Border Programme. ১৯৭১ চনৰ ৭ আগষ্ট তাৰিখে শ্ৰী কে ভি কে সুন্দৰমক ল' কমিশ্যনৰ চেয়াৰমেন হিচাপে ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰণালয়ে তেওঁক নিযুক্তি দিছিল। বিশেষকৈ অসম আৰু নাগালেণ্ডৰ সীমা সম্পৰ্কে চোৱা-চিতা কৰিবলৈ তেওঁক নিযুক্তি দিয়া হৈছিল। শ্ৰী কে ভি কে সুন্দৰম অসমলৈ আহিল, তেওঁ নাগালেণ্ডো ভ্ৰমণ কৰিলে। তেওঁ কিছুমান চাজেশ্যন দিছিল, ইয়াত ৰিপ'ৰ্টত আছে। তেওঁৰ চাজেশ্যন বিলাক অসম চৰকাৰে মানিলে কিন্তু নাগালেণ্ড চৰকাৰে মানা নাই। তেওঁ জইন্ট চাৰ্ভে কৰাৰ কথা কৈছিল। গেলেকি, নামতোলা আদি অঞ্চলত জইণ্ট চাৰ্ভে কৰাৰ কথা কৈছিল। আমগুৰি সমষ্টিতো এনে এটা পৰামৰ্শ আছিল সেইটো হৈছে তুলি সম্পৰ্কীয়। তুলিত এটা কাগজ কল আছে। তুলি অসমৰ সীমাৰ ভিতৰত। বৰ্তমান তুলি আশেপাশে অঞ্চল কাগজ কলৰ কেঁচামালৰ বাবে নগালেণ্ডে ব্যৱহাৰ কৰিব বিচাৰিছিল। ডিফু অঞ্চলত নাগালেণ্ডৰ চুগাৰ মিল এটা আছে। তাত কুহিঁয়াৰ উৎপাদন কৰি ডিফু বনাঞ্চল দখল কৰি পেলাইছে। সেইবোৰ অঞ্চলৰ পৰা অসমৰ মানুহক বিতাৰিত কৰিছে। माननীয় উপাধ্যাক্ষা মহোদয়া, অসমৰ শিৱসাগৰ জিলাৰ দাঁতিত বহুতো গভীৰ অৰণ্য আছে। এই গোটেই অঞ্চল বিলাক তেওঁলোকে বিচাৰিছে। তাত থকা চাহ বাগান তেওঁলোকে বিচাৰিছে। এই শিৱসাগৰ অঞ্চল প্ৰাকৃতিক সম্পদৰ কাৰণে অতি গুৰুত্বপূৰ্ণ, এই কাৰণে এই ঠাইবিলাক তেওঁলোকে বিচাৰিছে। গেলেকি এৰিয়াৰ ভিতৰত অইল ফিল্ড আছে। এই অইল ফিল্ড, তেওঁলোকক লাগে। ইয়াত কয়লা আছে। কাঠ আছে,

চাহ বাগান আছে। মাননীয়া উপাধ্যাক্ষা মহোদয়া, অসমৰ সম্পদ বিলাক নাগালেণ্ডে নিব বিচাৰিছে। এই সম্পদৰাজিৰে তেওঁলোকৰ বিকাশৰ কাৰণে চেষ্টা কৰিছে। মাননীয়া উপাধ্যাক্ষা মহোদয়া, ভাৰত চৰকাৰে এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ব লাগিব। এতিয়া আমি অসমৰ এই সমস্যাটো কেনেকৈ সমাধান কৰিম। এই ক্ষেত্ৰত অসম চৰকাৰৰ যথেষ্ট বিফলতা আছে। বৰ্ডাৰ অঞ্চলৰ ক্ষেত্ৰত অসম চৰকাৰে যি ভূমিকা ল'ব লাগিছিল তেনে ভূমিকা ল'ব পৰা নাই। যোৱা বছৰ মোৰ নিজৰ সমষ্টি গেলেকি বনাঞ্চলৰ সমস্যা চৰকাৰক কৈছিলো। তাত আমি তিনিটা ৰাস্তা বিচাৰিছিলো। বহুত বেছি পইচা নহয়। মাত্ৰ ১৫ লাখ টকা। কিন্তু অসম চৰকাৰে আমাক টকা নিদিলে। অসম চৰকাৰ দেউলীয়া হ'লনে কি আমি নাজানো। এতিয়া তাত মানুহ মৰিল মন্ত্ৰীৰ পিছত মন্ত্ৰী তালৈ দৌৰিছে। এই কথাবিলাক হাস্যকৰ। ১৫ লাখ টকা অসম চৰকাৰৰ নাই। লাদৈ গড় ৰাস্তা আছে, সেই ৰাস্তাইদি মানুহ যাব নোৱাৰে। গতিকে অসম চৰকাৰ সাংঘাটিকভাৱে ব্যৰ্থ হৈছে। মাননীয় উপাধ্যক্ষা মহোদয়া, আমাৰ পুলিচৰ যি বি অ', পি আছে তাত খোৱা পানী এটুপি নাই। এইটো হৈছে একেবাৰে বাস্তৱ সত্য। বি অ' পি ইটোৰ পৰা সিটোলৈ যাবলৈ ৰাস্তা নাই। চণ্টক অঞ্চলত এটা পুলিচ আউটপষ্ট আছে। তাত ৪/৫ জন পুলিচ আছে। সেই অঞ্চলটোত নগাসকলে যিকোনো মুহূৰ্তত আক্ৰমণ কৰিব পাৰে। বাগিছাৰ চাহ গছ কাটি পেলালে কিন্তু কাটা দিব নোৱাৰিলো। আপোনালোকে এটা অৰগেনাইজেশ্যনৰ নাম নিশ্চয় শুনিছে, বি আৰ অ। আজি দুবছৰ আগতে শিমলুগুৰিৰ পৰা নাগিনী মৰালৈ যি ৰাস্তা বনালে এতিয়া তাত প্ৰকাণ্ড গাঁত। এই ক্ষেত্ৰত অসম চৰকাৰে এটা এপ্ৰপ্ৰিয়েট ব্যৱস্থা ল'ব লাগে।

উপাধ্যক্ষা ডাঙৰীয়ানী, বিহুবৰ আউটপোষ্টত এখন বেয়া অৱস্থাৰ গাড়ী দিয়া হৈছে যি ধৰণে আউট পোষ্টত থাকিব লাগে, সেই সা-সুবিধা নাই। পুলিচ বিভাগতকোটি কোটি টকা দিয়া হয়, কিন্তু সেই বিলাকত ভাল গাড়ী এখন দিব পৰা নাই। সোণাপুৰত আজি কেইদিনমান আগতে এটা Box দিছে। তাত যি বিয়পি বনাইছে ভেৰগাঁৱৰ একাদশ বেটেলিয়নৰ

পৰা মানুহ আনি বনাইছে। নাজিৰাৰ ১ নং বেটেলিয়নৰ ডি এছ পি পোষ্ট খালী আছে। চাৰিটা ডি এছ পি পোষ্ট খালী আছে। চাৰিজন ডি এছ পিৰ দুজনক বোর্ডাৰত দিব পাৰিলেহেঁতেন। এই ক্ষেত্রত চৰকাৰৰ ডাঙৰ দোষ আছে।

উপাধ্যক্ষা ডাঙৰিয়ানী, মই আৰু এটা কথা এই পৱিত্র সদনত উত্থাপন কৰিব বিচাৰিছো। ৪ জুলাইৰ দিনাখন নেপালী মানুহজনক গুলিয়াইছে। তেওঁ বোধ হয় কংগ্রেছী, ঘৈনীয়েক ন-পুখুৰী গাঁও পঞ্চায়তৰ ওৱাৰ্ড মেম্বাৰ। বাপেকক গুলিওৱাৰ পিছত ল'ৰাটোৱে কাৰো চকুলৈ চাব পৰা নাই। নিৰাশ্রয় অৱস্থাত তেওঁক গুলিওৱা হৈছে। যদি এইটোৱে হয় মানুহে নিজকে কেনেকৈ ৰক্ষা কৰিব। সেই কাৰণে আজি মই এই সদনত ক'ব খুজিছো যে মানুহক লিগেলি আমচ্ দিয়াৰ ব্যৱস্থা কৰক। ৰাতি ৯ বজাত আহি ঘৰত জুই জ্বলাইছে, চাহ গছ কাটিছে মানুহে বোর্ডাৰত ভয়ে ভয়ে বসবাস কৰিব লগা হৈছে। সেই কাৰণে সকলোকে লিগেলি বন্দুক দিয়াৰ ব্যৱস্থা কৰিবলৈ মই চৰকাৰক পৰামর্শ দিছো।

উপাধ্যক্ষা ডাঙৰীয়ানী, আৰু এটা গুৰুত্বপূর্ণ কথা মই ক'বলৈ বিচাৰিছো। চৰকাৰে কৈছে হাবি অঞ্চল ফৰেষ্ট ৰিজাৰ্ভ লেণ্ড, তাত মানুহ বহিব নোৱাৰে। কিন্তু তাতো মানুহ বহিছে। গতিকে যিসকল সাহসী ভাৰতীয় যুৱক আছে তেওঁলোকক তাত মাটি পট্টন দিয়াৰ ব্যৱস্থা কৰি দখল স্বত্ব দিব লাগে। যাতে তেওঁলোকে বর্ডাৰ অঞ্চল ৰক্ষা কৰিব পাৰে। আজি অৰুণাচল, মিজোৰাম, বাংলাদেশ, মেঘালয় আদি বোর্ডাৰ বিলাকত আমাৰ মাটি বেদখল কৰিছে। এই ক্ষেত্রত চৰকাৰে কি ব্যৱস্থা লৈছে। চৰকাৰে কুম্ভকর্ণৰ দৰে নাক বজাই শুই থাকিলে নহ'ব। চৰকাৰে যাতে শুই নাথাকে তাৰ বাবে মই অনুৰোধ কৰিছো।

মাননীয়া উপাধ্যক্ষা ঃ চাৰিজন মেম্বাৰক সময় দিয়া হৈছে, এজন এজনকৈ কলে ভাল হয়। এ জি পিৰ ফালৰ পৰা কোনোবাই কওঁক। Now, Shri Pradip Hazarika.

**শ্ৰীপ্ৰদীপ হাজৰিকা ঃ** মাননীয়া উপাধ্যক্ষা ডাঙৰীয়ানী, নাগালেণ্ড আৰু অসমৰ সীমাৰ যি বিবাদ এইটো বহুত পুৰণি সীমা বিবাদ। আচলতে এই বিষয়ে কেতিয়াবাই সমাধান উলিয়াব লাগিছিল। ভাৰত চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ উপস্থিতিত এই সমস্যাৰ সমাধান উলিওৱা নাই। ইয়াৰ ওপৰত গোহাঁই ডাঙৰীয়াই যি তথ্য দিছে তাত সকলোখিনি দাঙি ধৰিছে। মই এটা কথা ক'বলৈ বিচাৰিছো যে নাগালেণ্ড আমাৰ কাষৰ ৰাজ্য। যেতিয়া ৰাজ্য ভাগ কৰা হৈছিল তেতিয়াই সীমা নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল। ককাই-ভাইক যেতিয়া মাটি ভগাই দিয়া হয় নল মাৰি দিয়ে। আৰু সেই মতেই সীমা নিৰ্দ্ধাৰণ হৈ যায়। যেতিয়া ৰাজ্য ভাগ কৰি দিয়া হৈছিল তেতিয়াৰ পৰা সীমা সমস্যা থাকিব নেলাগিছিল। কিন্তু আজি মই আচৰিত হৈছো যে অসম চৰকাৰে এই ক্ষেত্ৰত উত্তৰ দিব লগা হৈছে। গেলেকীৰ গোটেই ৰিজাৰ্ভ পাৰ হৈ আহি নাগালেণ্ড আজি পুলিচ চেক্‌গেট বহুৱাইছে। ১৩ কিঃ মিঃ পৰ্যন্ত কোনো মানুহ নাই। আমাৰ প্ৰশাসন থকা সময়ত এনেকুৱা ঘটনা কি ধৰণে হ'ব পালে?

মাননীয়া উপাধ্যক্ষা মহোদয়া, আজি নাগালেণ্ড অঞ্চলত দুটা চকী চূৰ্ণ বিচূৰ্ণ হৈছে। তাত জিলা প্ৰশাসন বা ৰাজ্যিক প্ৰশাসনে সাক্ষাৎ কৰা নাই। আজি যিহেতু সীমা সমস্যাৰ ওপৰত আলোচনা হৈছে বিভাগীয় বিষয়াসকল নিশ্চয় উপস্থিত আছে? আমাৰ যিবিলাক বিয়পি আছে তাত আমাৰ ডি চি এছ পি যাব নোৱাৰে এই বিয়পি বিলাকত যাবলৈ ৰাস্তা নাই, জংঘল। চিপাহী বিলাকৰ এটা এল এম জি আছে। পুলিচ বিলাক তাত আত্মজাহ দিয়াৰ দৰে। সোণাপুৰত য'ত ঘটনা ঘটিছে তাত এন এছ চি এনক ধৰিছে। সুন্দৰম কমিটী শাস্ত্ৰী কমিটী যিমানেই নহওঁ কিয় সেই ঠাই বিলাক কেতিয়াও ভিজিত কৰা নাই। নাগা সকলে কয় তহঁতে মেপটো লৈ গৈ ঘমাই থাকিবি আমি জমিনটো লম। এই ঠাই বিলাকত ডেভেলপমেণ্ট একটিভিটিজ একোৱেই নাই। আজি তিতাবৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ জাগা তাতো একো হোৱা নাই। পানীখাইতিত নাগাই খেদি পঠাইছে। গতিকে এই অঞ্চলবোৰত চৰকাৰে যিমান পাৰে

যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। উত্তৰ লখিমপুৰত অৰুণাচলবোৰ্ডাৰত এটা ভেটেনাৰী কলেজ কোটি কোটি টকা খৰচ কৰি বনাই থৈছে। চৰকাৰে কি ভাৱে তাৰ ব্যৱস্থা কৰিব মই জানিব বিচাৰিছো।

*শ্ৰীৰঞ্জিত দত্ত ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, অসম, নাগালেণ্ড, অৰুণাচলৰ সীমাৰ ওপৰত বিধান সভাত যথেষ্ট আলোচনা হৈছে। অসমত কংগ্ৰেছ চৰকাৰ আছে অৰুণাচলতো কংগ্ৰেছ চৰকাৰে শাসন কৰি আছে। ১৩১, ১৮৯.৮৭ হেক্টৰ মাটি অৰুণাচলত সোমাই আছে। আজি প্ৰায় কেইদিনমানৰ আগতে অসমৰ সীমাত থকা অসমীয়া লোকৰ ওপৰত আক্ৰমণ কৰিছে। মোৰ সমষ্টিৰ চেঙেলীজান, নাহৰ, আপাৰ লেন আদি এৰিয়াত নগাই বেদখল কৰি অসম সীমাৰ পৰা প্ৰায় ৫ কিলোমিটাৰ ভিতৰত সোমাই ঘৰ বনাইছে। বিজুলী বাতিৰ সুবিধা কৰি লৈছে, স্কুলঘৰ বনাইছে। অসম আৰু মিজোৰামৰ সীমাত থকা কচুতল আদি অঞ্চলত মাটি দখল কৰিছে। অসমৰ বহুত মাটি দখল কৰি তেওঁলোকে উন্নয়নৰ কাম কৰা বাবে মই বৰ্ডাৰ মন্ত্ৰী গৌতম ৰয় ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই ক্ষেত্ৰত চৰকাৰে নীৰৱ ভুমিকা লোৱা আমি দেখা পাইছো।

(মাননীয় অধ্যক্ষই আসন গ্ৰহণ কৰে)

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই ২০০৪ চনত বিধান সভা চলি থাকোতে পৱিত্ৰ সদনত কৈছিল যে কংগ্ৰেছ চৰকাৰ বৰ্তি থকালৈকে আৰু মই মুখ্য মন্ত্ৰী হৈ থকালৈকে নগা চৰকাৰক এক ইঞ্চিও মাটি এৰি নিদিওঁ। কিন্তু আমি দেখা পাইছো এই কংগ্ৰেছ চৰকাৰৰ দিনত আমাৰ অসমৰ সীমান্ত অঞ্চলত থকা অসমৰ লোকসকলক হত্যা কৰিছে, লুণ্ঠন কৰিছে আৰু অসমৰ মাটি বেদখল কৰি লৈছে। অসমৰ বনাঞ্চলত বাস কৰা লোকসকলক অৰুণাচলৰ লোকে গুলীয়াই হত্যা কৰিছে। কংগ্ৰেছ চৰকাৰে যি কেইটা প্ৰতিশ্ৰুতি দিছিল সেই প্ৰতিশ্ৰুতি সফল হৈছে নে? অৰুণাচলত কংগ্ৰেছ চৰকাৰ আছে, অসমতো কংগ্ৰেছ চৰকাৰ আছে আৰু দিল্লীতো ইউ পি এ চৰকাৰ আছে

* Speech not corrected

এই তিনিখন চৰকাৰ থকা সত্বেও সীমা বিবাদ চলি থকা বাবে চৰকাৰৰ ব্যৰ্থতাকে আমি দেখিবলৈ পাইছো। সীমা বিবাদ, সীমান্তবাসীৰ ওপৰত হত্যা, লুণ্ঠন আদি সমস্যা সমাধান কৰাৰ কাৰণে এখন কমিশ্যন গঠন কৰি দিয়া হৈছিল। সেই কমিশ্যন কমিটীক সহায় কৰিবৰ কাৰণে চৰকাৰ আগবাঢ়ি আহিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য দ্ৰুপদ বৰগোঁহাইদেৱে আপত্তি কৰিছে যে সীমান্ত অঞ্চলত বসবাস কৰা জনসাধাৰণক সুৰক্ষা দিয়াত চৰকাৰ ব্যৰ্থ হৈছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে নাগালেণ্ড বৰ্ডাৰৰ কথা কওঁক।

***শ্ৰীবিনোদ গোৱালা ঃ** হয়, মাননীয় অধ্যক্ষ মহোদয়, অসম নাগালেণ্ড সীমা বিবাদৰ বিষয়ে আমি বহুৱাৰ সদনত উত্থাপন কৰিছো। নাগালেণ্ডে অসমৰ মাটিত উন্নয়নমূলক কাম কৰিছে। তেওঁলোকে আৰক্ষী চকী স্থাপন কৰিছে, মহকুমা স্থাপন কৰিছে, স্কুলঘৰ স্থাপন কৰিছে আৰু ৰাস্তাঘাট আদিও পকীকৰণ কৰি লৈছে। এই বিলাক গম পাই আমাৰ অসম চৰকাৰে যি ধৰণে ব্যৱস্থা ল'ব লাগিছিল সেই ধৰণে ব্যৱস্থা লোৱা নাই। ১৯৮৫ চনৰ ৫ ফেব্ৰুৱাৰীত ৰেংমা, নামবৰ, চুংগাজান আদি ভিতৰুৱা অঞ্চলবিলাকত নাগালেণ্ডৰ মানুহ আহি যি কাম কৰিছে তাৰ ওপৰত আমাৰ অসম চৰকাৰে কোনো ব্যৱস্থা লোৱা দেখা নাই। ১৯৭৯ চনতো কোনো পদক্ষেপ লোৱা দেখা নাই। এই বিষয়টো অসম চৰকাৰক সময়ে সময়ে অৱগত কৰি আহিছো। ভাৰত চৰকাৰৰ যুটীয়া সচিব পিল্লাই অসমত আহি সীমান্ত পৰিদৰ্শন কৰি যি ধৰণে প্ৰতিবেদন দাখিল কৰিব লাগিছিল সেই ধৰণে নকৰি ভুল তথ্যৰে প্ৰতিবেদন দাখিল কৰাত আমি আপত্তি কৰিছিলো। যিহেতু ভাৰত চৰকাৰে যেতিয়া নাগালেণ্ডক অসমৰ পৰা ভাগ কৰি দিছিল তেতিয়াই সীমা নিৰ্দ্ধাৰণ কৰি দিব লাগিছিল। সেইটো নোহোৱা কাৰণে গেলেকীত হত্যা, ধ্বংসলীলা সৃষ্টি কৰি অসমৰ মাটি বেদখল কৰি লৈছে। কংগ্ৰেছ চৰকাৰে হওক বা এ জি পি চৰকাৰে হওক অসমৰ

---

* Speech not corrected

মাটিত ১২৬ জন বিধায়ক আছে, এই বিধায়কসকলে ৰাজনীতি কাৰণতে হওক বা অন্য কাৰণতে হওক নিজ ভূমি ৰক্ষাৰ কাৰণে যতপৰোনাস্তি চেষ্টা কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৯ চনৰ পিছত অসমৰ বনাঞ্চলক এ বি চি ডি ই এফ কৰি ছয়টা আগত ভাগ কৰা হ'ল। ছয় টা ৰিজার্ভ আছে। নাগালেণ্ডে প্লেন কৰি গাঁওবাসী লোকসকলক উচ্ছেদ কৰি উগ্ৰবাদীয়ে অসমৰ মাটি বেদখল কৰি লৈছে। ৰেংমাত চি আৰ পিৰ হেড কোৱার্টাৰ আছে। অসমৰ বর্ডাৰত এজন আই জি পি আছে তথাপিতো ঘটনাবিলাক ঘটি আছে। ডিফু বনাঞ্চল গোলাঘাট জিলাত অৱস্থিত। এই বনাঞ্চলত প্ৰায় ১৮ হাজাৰ হেক্টৰ মাটি আছে। ডিমাপুৰৰ ফালেও প্ৰটেকচন দিয়া হৈছে যদিও সেইফালেও লেন কৰি লৈছে। সেইবিলাকত আৰ চি চি বিল্ডিং বনালে। অসম চৰকাৰে এইবোৰ গুৰুত্ব সহকাৰে লওক। বহুবাৰ মুখ্য সচিবক লিখিতভাৱে জনোৱা হৈছে। তেওঁলোকে ইয়াত ওৱাটাৰ চাপ্লাই বহুৱাইছে। সৰুপথাৰ, নাওজান আদি ঠাইবিলাকতো উন্নয়নমূলক কাম কৰা কাৰণে মই নিজে এজিপিত থাকোতে এই কথাবিলাক জনাইছিলো। দুখীয়া মানুহবিলাকৰ কাৰণে আই এ ওৱাই আঁচনিৰ অধীনত ঘৰ বনাবলৈ জিলা উপায়ুক্তই অনুমতি দিয়া নাই। চি আৰ পি এফে ইটা, বালি লৈ গৈছে। ২-৩ টা স্কুল ঘৰ নির্মাণ কৰিছে, ৰাস্তা পকীকৰণ কৰিছে আমাৰ মাটিত।

চৰকাৰৰ অনুমোদিত আইওৱে ঘৰো আনকি বনাব নিদিলো। ইটা-বালিবিলাক পেলোৱাৰ পাছত সেইবিলাক বলপূর্বকভাৱে উঠাই লৈ গ'ল। তাত স্কুল ঘৰ পানীযোগান একোৱে নাই। তাত থকা চি আৰ পি সকলে নিৰপেক্ষভাৱে কাম কৰা নাই তেওঁলোকৰ ওপৰত নির্ভৰ কৰিব নোৱাৰি। গতিকে সেই বিলাক ঠাইত বেটেলিয়ান দিয়াৰ ব্যৱস্থা কৰিব লাগে। সকলোৱে কয় দিস্পুট এৰিয়া, দিস্পুত কোনে কৰিছে দিস্পুত নাগালেণ্ডে কৰিছে, আমি অসমে আমাৰ মাটিত আছো তেওঁলোকেহে আহি দিস্পুত কৰিছে আমিটো তেওঁলোকৰ মাটিত দিস্পুত কৰিব যোৱা নাই। গতিকে

এই কথাবিলাক চৰকাৰে গুৰুত্ব সহকাৰে ল'ব লাগে। যদি চৰকাৰে নোৱাৰে নোৱাৰো বুলি কওক সেই অঞ্চলৰ ৰাইজে নিজে পৰিস্থিতি চম্ভালি ল'ব, চৰকাৰে এৰা দিয়াৰ ব্যৱস্থা কৰাটো ভাল হোৱা নাই। আজি অসমৰ মাটি অৰুণাচল, মিজোৰাম, নাগালেণ্ডে বেদখল কৰিছে সেইবিলাক মাটি দখলমুক্ত কৰা চৰকাৰৰ দায়িত্ব, চৰকাৰে তাত ব্যৱস্থা ল'ব লাগে। কিন্তু আমাৰ চৰকাৰে সহায় কৰিবলৈ প্ৰস্তুত নহয়। অকল আমাৰ মাটি আমাৰ দায়িত্ব আছে বুলি মুখেৰে ক'লেই নহ'ব, হাতে কামে লাগি যাব লাগিব। আজি এজন নগা মানুহ যদি মৰে তেওঁলোকৰ মন্ত্ৰী, তেওঁলোকৰ দিচি একেবাৰে সৰুপথাৰলৈ খেদি আহে। কিন্তু অসমৰ মানুহ যদি কিদনেপো কৰি নিয়ে আমাৰ বিষয়া বা কৰ্মচাৰী বা চৰকাৰৰ প্ৰতি নিধিয়ে তাৰ খবৰেই নলয় নগালেণ্ডলৈ যোৱা দূৰৰ কথা। এই বোৰ্ডাৰৰ কাৰণে আই জি পি বোৰ্ডাৰ আছে যি সৰুপথাৰ গোলাঘাট চাব লাগে ডি আই জি বোৰ্ডাৰ আছে যিজন যোৰহাটত থাকে কিন্তু তেওঁলোকে কোনো গুৰুত্ব নিদিয়ে। ইয়াৰ আগতে এজন এন কে সিং বুলি আছিল তেওঁটো নগালেণ্ডৰ লগত পেক্ট কৰি তেওঁলোকক আমাৰ মাটিত পকা ঘৰেই বনাব দিলে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই সমস্যাটো সমাধানৰ কাৰণে উমৈহতীয়া প্ৰচেষ্টা লওক। সৰ্বদলীয় প্ৰতিনিধি দলে ভাৰত চৰকাৰক হেঁচা প্ৰয়োগ কৰক যাতে সমস্যাটোৰ সমাধান কৰে। অসম বিধান সভাৰ ১২৬ জন বিধায়কে ঐক্যমত প্ৰকাশ কৰি কে[ন্দ্ৰলৈ] প্ৰস্তাৱ প্ৰেৰণ কৰক সমস্যাটো সমাধান কৰিব লাগে বুলি। সেই কা[ৰণে] এই বিষয়টো মই সদনত উত্থাপন কৰিলো।

*ডাঃ আদিত্য লাংথাছা ঃ মাননীয় অধ্যক্ষ মহোদয়, এটা বৰ গুৰুত্বপূৰ্ণ বিষয় মাননীয় সদস্য শ্ৰী দ্ৰুপদ বুঢ়াগোহাঁই ডাঙৰীয়াই বিস্তৃত তথ্য সহকাৰে সদনত দাঙি ধৰিছে আৰু তাৰ ওপৰত আলোকপাত কৰিছে। নাগালেণ্ড সীমা বিবাদ এটা নতুন বিষয় নহয়। এই সীমা বিবাদ বহুত দিনৰ পৰা চলি আহিছে আৰু সময়ে সময়ে বহুত বিক্ষিপ্ত ঘটনাও ঘটি আছে। আমি সেইবিলাক জানো চাক্ষুছ প্ৰমাণো দেখিছো অসমৰ লগত নগালেণ্ডৰ

* Speech not corrected

সীমা ৪৩৬ কিঃ মিঃ ব্যাপী। যোৰহাট, শিৱসাগৰ, গোলাঘাট, ডিব্ৰুগড়, তিনিচুকীয়া এই সকলোবিলাক জিলা এই সীমাৰ লগত জৰিত। এই সীমা বিবাদৰ লগত লগত কৃষিভূমি, খনিজ সম্পদ ইত্যাদি জৰিত। তেওঁলোকে এই বৃহত্তম অঞ্চল নগালীম বুলি দাবী কৰিছে। তেওঁলোকে বৃহত্তম নগালীমৰ কাৰণে এই অঞ্চলক লৈ দৃষ্টি নিক্ষেপ কৰিছে। গেলেকী সৰুপথাৰ মেৰাপানী কাৰ্বিআংলং কিছু অঞ্চল ফ্ৰণ্ট লাইনত আক্ৰমণৰ লক্ষ্য হিচাপে বাচি লৈছে। এই অঞ্চলত থকা আমাৰ প্ৰশাসনিক বিষয়া সকলোৰো নিৰাপত্তা নাই। আজি ২/৩ বছৰ আগতে দাস উপাধিৰ এজন হাকিমে নগাৰ গুলীত প্ৰাণ দিবলগীয়া হৈছে। চৰকাৰ আহিছে চৰকাৰ গৈছে কংগ্ৰেছ চৰকাৰেই হওক বা অন্য দলৰ চৰকাৰেই হওক আহিছে, গৈছে, কিন্তু সীমা সমস্যা সংক্ৰান্তত যি ধৰণে দায়িত্ব পালন কৰিব লাগিছিল সেই দায়িত্ব পালন কৰা নাই। ২০০১ চনতে নগা বিদ্ৰোহী সকলৰ লগত চুক্তি হৈছিল। সেই চুক্তিমতে লোকে মিৰোজাম, মণিপুৰ, অসম আদি ৰাজ্যৰ যিবোৰ বৃহত্তৰ এৰিয়া লৈ নগালিমৰ প্ৰস্তাৱ দিছে মণিপুৰ আদি ৰাজ্যৰ বিভিন্ন দল-উপদল, সংগঠনে তাৰ বিৰুদ্ধে যি প্ৰবল জনমত গঢ়ি তুলিছে অসমে বা অসমৰ বিভিন্ন দল সংগঠনে তেনে জনমত গঢ়ি তোলা নাই। ইয়াৰ ফলত সীমা বিবাদটো যুগ যুগ ধৰি চলি থাকিব আমাৰ ভূমিত নগা অগ্ৰাসন চলি থাকিব। কিন্তু প্ৰকৃতাৰ্থত আমি যি দায়িত্ব পালন কৰিব লাগিছিল সেই দায়িত্ব পালন কৰা নাই। সীমান্ত অঞ্চলত আমি যি ধৰণৰ উন্নয়নৰ কাম কৰিব লাগিছিল যেনে বিজুলিবাতি, খোৱা পানী সেইবিলাকৰ কোনো উন্নতি হোৱা নাই। গতিকে এই অঞ্চল বিলাকত সীমা সুৰক্ষাৰ কাৰণে যিবিলাক কাম কৰিব লাগে সেইবিলাক কৰাৰ ব্যৱস্থা কৰক আৰু নগা অগ্ৰাসন বন্ধ কৰক। এইখিনিকে মই চৰকাৰক অনুৰোধ জনালো।

**শ্ৰীপৰিমল শুক্লবৈদ্য ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ মিজো বোৰ্ডাৰত যোৱা ১৯ তাৰিখে ৩৪০ জন লোকক বন্ধক ৰাখিছিল, ৫০ লাখ টকা লুণ্ঠন কৰিছে। আমাৰ মাননীয় মন্ত্ৰী শ্ৰীগোৱালাদেৱে নিজে এই কথাবিলাক আলোচনা কৰিছে..

---

* Speech not corrected

**Mr. Speaker :** Please see, Hon'ble Member, Shri Drupad Borgohain under Rule 50 of the Rules of Procedure and conduct of Business in Assam Legislative Assmebly on a matter of public importance regarding "protection of lives of people living near Nagaland Border inside Assam has raised this. Ar you speaking about the Assam-Nagaland Borde You bring a separate question. You may plea submit your question to me then I will refer to t departmental Minister.

I will suggest that the Hon'ble Member m please give it in writing to me.

***Shri Gautam Roy (Border Areas Development Dept Minister) :** It was reported that on 5.7.07 a grou of 15/16 miscreants from Nagaland including 2/3 suspected NAP personnel came to 3 villages namely. Sonapur, Borhula and Dhekiajuli under Galeky Police Station in sibsagar District and shot dead two individuals namely. Sarbat Ali and Min Bahadur Chetri. Another person namely. Kamal Bahadur Chetri was seriously injure when a bomb left behind exploded. The miscreants also burr down dwelling houses, cattle sheds and damag tea bushes of the small tea growers. It was a v corodinated and planned attempt to encroach l within Assam through illegal means and viol activitles.

For maintenance of law and order and protectio of life and property of the people living in Assam

---

* Speech not corrected

Nagaland border areas following steps have been taken as follows:

Sharp watch has been maintained with intensified patrolling by the security forces along the inter-state border areas of Assam-Nagaland. The commandent of the 1st AP B n has been instructed to ensure strict supervision of forces deployed along the Assam-Nagaland border falling under 'F' sector in sibsagar District.

A new bop at Sonapur village has been set up to provide security to the affected villages of Assam and to prevent fresh incidents of violence. One additional Company of 11th AP BN has been posted in the area in addition to regular Bop personnel in the border areas of Sibsagar district. One platoon at Sonapur village, one platoon at Borhula billage and one platoon at Dhekiajuli and Saraisajja village are deployed for protection of life and property of the villagers at Galeky.

Regarding the recent spate of violence by Nagaland Govt., Govt. of Assam has taken up the matter with the Chief Secretary, Nagaland.

এই বিষয়টো আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে হাই লেভেলত আলোচনা কৰিছে আমাৰ মাননীয় সদস্যসকলে কোৱা কথা বিলাক আমি মানি লৈছো এইটো এটা বাৰানিং ইছু। অসমৰ মানুহ লৈ যোৱা নাই বুলি কোৱা নাই সেই দিনা কৰিমগঞ্জতো নিছে। আগৰ চৰকাৰৰ দিনত আন্তৰ্জাতিক সীমাত বেচি জোৰ দিয়া নাছিল। কিন্তু আমাৰ চৰকাৰৰ দিনত আমাৰ মন্ত্ৰী ৰকিবুল হুছেইনৰ জোৰত ১ কোটি টকা পাইছো।

*শ্ৰীদ্ৰুপদ বৰগোহাই ঃ সীমান্ত অঞ্চলৰ ৰাস্তঘাট উন্নয়নৰ নামত যোৱাবাৰ কোনো টকা পইচা নিদিলে। এইবাৰ দিব নে নিদিয়ে।

(হুলস্থুল— একো শুনা নাযায়।)

*শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ প্ৰতিটো কথা আপোনালোকে খেল কৰিব লাগিব। আগতে ৫ লাখ টকা বিচাৰোতে দিব পৰা নাছিল। যোৱাবাৰ আমি ৭০ লাখ টকা আৱণ্টন কৰিছো। আমাৰ মুখ্য মন্ত্ৰী ডাঙৰীয়াই এই বিষয়টোত খুব গুৰুত্ব দিছে।

(ভইচ— আমি কিমান টকা পাম বুলি আশা কৰিব পাৰো?) যিমান বিচাৰিছে সকলো পাব।

(ভইচ—এইটো ৰেকৰ্ড কৰি থ'ব লাগিব সকলো পাম বুলি কৈছে মন্ত্ৰীয়ে)।

মুখ্য মন্ত্ৰী ডাঙৰীয়াই ৰাস্তঘাট খোৱা পানী সকলো উন্নয়ন হ'ব বুলি কৈছে। উঠাই নিয়াতো এটা নতুন ঘটনা নহয়। মিজোৰাম বোৰ্ডাৰত ডি এছ পি এজনক উঠাই নিলে ডি চিয়ে জামিনত আনিছে। আমি এই বিষয়ত গুৰুত্ব দিছো। অসমৰ এক ইঞ্চি মাটিও এৰি নিদিও সকলোৱে মুখ্য মন্ত্ৰীক সহায় কৰক। বিৰোধী দলৰ দলপতি বৃন্দাবন গোস্বামীকো অনুৰোধ জনাইছো।

*শ্ৰীৰঞ্জিত দত্ত ঃ অৰুণাচলেও ইতিমধ্যে নাগালেণ্ডৰ নিচিনা। অসমৰ বহুত মাটি বেদখল কৰিছে বেদখল উচ্ছেদৰ ব্যৱস্থা চৰকাৰে ল'বনে?

*শ্ৰীগৌতম ৰয় (মন্ত্ৰী) ঃ এই বিষয়ে এটা কেচ চুপ্ৰিম কোৰ্টত চলি আছে। আমাৰ মুখ্য মন্ত্ৰীয়ে উদ্যোগ লৈছে আপোনালোকে সহায় কৰক।

নিউট্ৰেল ফোৰ্চ দিয়া আছে। চি আৰ পি দিব নেলাগে। অৱশ্যে ইলেকচনৰ সময়ত চি আৰ পি লাগে বুলি কয়।

*শ্ৰীবিনোদ গোৱালা ঃ অসম বেটেলিয়ান দিব লাগে।

*শ্ৰীগৌতম ৰয় (সীমান্ত অঞ্চল উন্নয়ন বিভাগ) ঃ ছাৰ, আমি আলোচনা কৰি এইটো ব্যৱস্থা ল'ম।

---

* Speech not corrected

## POINT OF ORDER

**Mr. Speaker :** Item No. 6 (pending Motion)
Hon'ble Member, Shri Ananta Deka

**Shri Chandra Mohan Patowary :** Sir, point of order.

**Mr. Speaker :** No, I have closed the discussion.
There is hardly 35 minutes. It is not allowed.

**Shri Chandra Mohan Patowary :** Sir, I understand fully.
Why not allowed?

**Mr. Speaker :** I have given one hour. You have not participated in the discussion. Please sit down.

**Shri Chandra Mohan Patowary :** Sir, you are bias.

**Mr. Speaker :** You have disturbed the procedings of the House.

**Shri Chandra Mohan Patowary :** It should be noted.

(PANDEMONIUM)

**Mr. Speaker :** No. this is too much.

**Shri Prithibi Majhi (Minister) :** If I am not allowed nobody can compel.

**Shri Chandra Mohan Patowary :** Sir, under 301. Point of order is allowed.

**Shri Prithibi Majhi (Minister) :** Hon'ble Speaker has already ruled.

**Shri Chandra Mohan Patowary :** Sir, you are bias.

**Mr. Speaker :** There is no time to speak.

**Shri Girindra Kr. Baruah :** Sir, this is point of order. That question does not arise.

# PENDING PRIVATE MEMBER'S MOTION

**Mr. Speaker : Now, item No. 6. Shri Ananta Deka.**

**শ্ৰীঅনন্ত ডেকা ঃ** ছাৰ, অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সকলো বিদ্যালয়কে পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা কৰা হওক এই প্ৰস্তাৱটো মই যোৱা বাজেট অধিৱেশনতেই উত্থাপন কৰিব বিচাৰিছিলো। প্ৰথমতে মই অসম মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত সকলো বিলাক ভেনচাৰ স্কুলকেই প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অসম চৰকাৰ আৰু অসমৰ শিক্ষা বিভাগৰ কাৰণে আজিৰ তাৰিখত এইটো এটা ডাঙৰ প্ৰত্যাহ্বান বুলি মই ভাবো। অসমত বহুতো স্কুল ভেনচাৰ অৱস্থাতেই আছে আৰু ১৯৯২ চনৰ পৰা আজিলৈকে সেই স্কুল বিলাক প্ৰাদেশিকীকৰণ কৰা হোৱা নাই। ইতিমধ্যে সেই ভেনচাৰ স্কুলত কাম কৰা প্ৰায় ১০০ জন মান শিক্ষকে অৱসৰ গ্ৰহণ কৰিছে। বিনামূল্যে পাঠদান কৰি তেওঁলোকে অবসৰ গ্ৰহণ কৰিছে। একো একোজন শিক্ষকে পঢ়ুওৱা ছাত্ৰই মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কম্পিউটাৰ লাভ কৰিছে আৰু সেই শিক্ষকসকলে দৈনিক মজুৰি পায় ২.৬০ পইচা। এইটো চৰম ট্ৰেজেদীৰ কথা হৈছে। ইতিমধ্যে সেই স্কুল বিলাকৰ কেইবা গৰাকী শিক্ষকে আত্ম হত্যাৰ পথো বাচি ল'বলগীয়া হৈছে। ভালেমান শিক্ষক কম সময়ৰ ভিতৰতেই ৰিটায়াৰমেণ্টত যাব। এই শিক্ষা অনুষ্ঠানসমূহে গ্ৰাম্যাঞ্চলত এটা বিশেষ ভূমিকা পালন কৰিছে। বঙাইগাঁৱৰ নিচিনা জিলাতো ভেনচাৰ স্কুলৰ ষ্টুডেণ্টে ষ্টেণ্ড কৰিছে। ১৯৯২ চনৰ আগলৈকে ভেনচাৰ স্কুল বিলাক প্ৰাদেশীকৰণ কৰা হৈছিল। প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ দিনত এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা হৈছিল। তেখেতে ১৯৯৫ চনতো ভেনচাৰ স্কুল বিলাক প্ৰাদেশিকীকৰণ কৰাৰ ব্যৱস্থা লৈছিল। কিন্তু কিবা কাৰণত সেইটো হৈ নুঠিল। যিকোনো কাৰণতেই তেখেতৰ সেই প্ৰস্তাৱ কাৰ্যকৰী নহ'ল। বৰ্তমান যিখন চৰকাৰ সেই চৰকাৰে ভেনচাৰ স্কুলৰ যিবিলাক সমস্যা সেই সমস্যা বিলাক সমাধান কৰাৰ কাৰণে আগবাঢ়ি অহা নাই। শিক্ষকসকল হৈছে এটা জাতি আৰু এখন সমাজৰ

মেৰুদণ্ড স্বৰূপ। গতিকে এই ভেনচাৰ স্কুলবিলাক প্ৰাদেশীকৰণ কৰি কিছু সংখ্যক শিক্ষকক কৰ্ম সংস্থাপনৰ সুযোগ দিয়া উচিত। এই সমস্যা সমাধান কৰাৰ কাৰণে শিক্ষাত ব্যয় বৃদ্ধি কৰা উচিত। মুঠ ঘৰুৱা উৎপাদনৰ কমেও ৬% আৰু কেন্দ্ৰীয় বাজেটৰ আৰু ৰাজ্য বাজেটৰ ৩০% শিক্ষা শিতানত ব্যয় কৰা উচিত। শিক্ষাত ব্যয় বৃদ্ধি কৰিলেহে ইয়াৰ যাৱতীয় সমস্যা সমাধান কৰিব পৰা যাব। কিন্তু সেইটো হে উঠা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আমি যদি অসমৰ শিক্ষাক আগবঢ়াই নিব বিচাৰো তেতিয়াহ'লে ভেনচাৰ স্কুলৰ যি বিলাক সমস্যা সেই বিলাক সমাধান কৰিব লাগিব। বহুটো সাধাৰণ ঘৰৰ ল'ৰা-ছোৱালীৰ কাৰণে ভেনচাৰ স্কুলৰ অবিহনে অন্য বিদ্যালয় নাই। তাত এল পি স্কুল, এম ই স্কুল আদি নাই। সেই বিলাক স্কুল এলিমিনেট কৰিব নোৱাৰে। আনহাতে, সেই বিলাক স্কুলৰ কাৰণে চৰকাৰে বছৰ বছৰ ধৰি কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আমাৰ বেছিভাগ গ্ৰামাঞ্চলতে ভেনচাৰ স্কুলৰ বিকল্প নাই। মই ভাবো এই ক্ষেত্ৰত শাসক বিৰোধী সকলোৱে সমানে উদ্যোগ প্ৰকাশ কৰিব আৰু ইয়াৰ সমস্যা সমাধান হোৱাটো বিচাৰিব। এই সমস্যা কেনেকৈ সমাধান কৰিব পাৰি তাৰ উপায় উদ্ভাৱন কৰিব লাগে। কাৰণ ভেনচাৰ স্কুল উঠাই দিলে তাত পঢ়ি থকা ল'ৰা-ছোৱালীবিলাক ক'লৈ যাব। গতিকে ভেনচাৰ স্কুল বিলাক শিক্ষা বিভাগে চৰকাৰীকৰণ কৰাটো দৰকাৰ। ১৯৯২ চনৰ পৰা আজিলৈকে চৰকাৰে ভেনচাৰ স্কুল লোৱা নাই। আজি শিক্ষাক এটা পণ্যত পৰিণত কৰিছে। কিছুমানে শিক্ষাক ব্যৱসায় হিচাপে লৈছে। গেট চুক্তিৰ পিছত তেওঁলোকে প্ৰপোজ কৰিছে যে শিক্ষাক ব্যক্তিগতকৰণ কৰিব লাগে। ১৯৯২ চনৰ পৰা স্কুল প্ৰাদেশীকৰণ কৰা নাই তাৰ মানে এইটো বুজোৱা নাইটো যে স্কুল ব্যক্তিগতকৰণত সমৰ্থন জনাইছে। যদি এইটো হয় তেতিয়াহ'লে অসম ৰাজ্যৰ কাৰণে ডেঞ্জেৰাচ চেলেঞ্জ হ'ব। কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰে দুটা চেক্টৰত গুৰুত্ব দিছে। এটা হৈছে শিক্ষা আৰু আনটো হৈছে স্বাস্থ্য। শিক্ষা আৰু স্বাস্থ্য বিভাগত টকাও বেছি ধৰা হৈছে। আমি জানো যে শিক্ষা মন্ত্ৰীয়ে কিবা কৰিবলৈ ইচ্ছা থাকিলেও

কৰিব নোৱাৰে, কাৰণ তেখেতৰ হাত ভৰি বন্ধা। বিত্ত বিভাগে টকা নিদিলে তেখেতে একো কৰিব নোৱাৰে। সেই কাৰণে আমি এই ক্ষেত্ৰত চিন্তা কৰাটো দৰকাৰ কেনেকৈ আমি ফাণ্ডিং প্ৰব্লেমটো সমাধান কৰিব পাৰো। কেন্দ্ৰীয় চৰকাৰে কমন মিনিয়াম প্ৰগ্ৰেমত শিক্ষাৰ ক্ষেত্ৰত শতকৰা ৬ শতাংশ খটুৱাইছে। পৰিকল্পনাৰ বিভিন্ন শিতানত আমি শিক্ষাৰ ক্ষেত্ৰত কম টকা পাইছো। ভেনচাৰ স্কুলৰ সমস্যা সমাধান কৰা কাৰণে কেন্দ্ৰীয় চৰকাৰৰ সহায় লোৱাটো উচিত। আমাৰ মাননীয় প্ৰধান মন্ত্ৰী অসমৰ পৰা ২ বাৰকৈ নিৰ্বাচিত হৈ গৈছে। গতিকে আমি সহায় পোৱাত সহায়ক হ'ব লাগে। পশ্চিমবংগত ভেনচাৰ স্কুলৰ সমস্যা নাই। এইটো আমাৰ বাবে কেৱল মানবীয় বা অৰ্থনৈতিক সমস্যাই নহয়। ই এটা সামাজিক সমস্যা, বিপদমুক্ত প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানত মোকাবিলা কৰি চৰকাৰে ভেন্চাৰ স্কুলসমূহ পৰ্যায়ক্ৰমে প্ৰাদেশিকীকৰণ কৰিব লাগে। প্ৰয়োজন হ'লে কেন্দ্ৰীয় চৰকাৰৰ ফাণ্ডিং বঢ়োৱাৰ কাৰণে চিন্তা কৰক। যাতে ভেনচাৰ স্কুলৰ সমস্যা সমাধান কৰিব পাৰি। ভেনচাৰ স্কুলৰ লগতে প্ৰাদেশীকৃত স্কুলৰ কথাও ক'ব বিচাৰিছো। একোখন বিদ্যালয়ত বহুতো শিক্ষকৰ পদ খালী হৈ আছে। যেনে আৰবিক, সমাজ অধ্যয়ন, অংক, বিজ্ঞান আদি শিক্ষকৰ পদ খালী হৈ আছে। অংকৰ শিক্ষক যদি নাথাকে তেতিয়াহ'লে ছাত্ৰ-ছাত্ৰীক অংক কোনে শিকাব, আৰবিকৰ শিক্ষক নাথাকিলে আৰবিক কোনে শিকাব। ফলত মেট্ৰিকৰ চৰকাৰী বিদ্যালয়ৰ  পৰীক্ষাৰ ফলাফল বেয়া হয়। শিক্ষাক পণ্যত পৰিণত কৰাৰ কাৰণে এইটো এটা চক্ৰান্ত। আনহাতে, বেচৰকাৰী স্কুলৰ ফলাফল ভাল হয়। ব্যক্তিগত স্কুলৰ শিক্ষকে কম দৰমহা পায়। যিবিলাক আমাৰ ছাত্ৰ-ছাত্ৰীয়ে পি জি বা বি এ পাছ কৰি শিক্ষক হিচাপে কাম কৰিছে তেওঁলোকে ৫০০ বা ১০০০ টকাহে পায়। প্ৰাইভেট স্কুল বিলাকে গৰীব মানুহক খৰচান্ত কৰিছে। ১৯৯২ চনৰ পৰা ভেনচাৰ স্কুলৰ চৰকাৰে লোৱা নাই। ১০-১২ বছৰ ধৰি পদ খালি হৈ আছে। গতিকে ৰিজাল্ট কেনেকৈ ভাল হ'ব। গতিকে শিক্ষাৰ সমস্যা দায়-দায়িত্ব চৰকাৰে গ্ৰহণ কৰাটো উচিত। শিক্ষাৰ ক্ষেত্ৰত যাতে

কোনেও ব্যৱসায় কৰিব নোৱাৰে সেই কাৰণে এই বিষয়টো উত্থাপন কৰিছো। বিভিন্ন দিশৰ পৰা এইটো গুৰুত্বপূৰ্ণ প্ৰশ্ন। গতিকে আমি সকলোৱে মিলি এটা সমাধান সূত্ৰ বাহিৰ কৰাটো দৰকাৰ। ও, বি বি শিক্ষকসকলৰ সমস্যাটোও এটা বিৰাট সমস্যা। এই ক্ষেত্ৰত বিধানসভাৰ মজিয়াত কোৱা হয় দৰমহা দিয়া হ'ব। এই প্ৰতিশ্ৰুতি বিলাক কাৰ্যকৰী কৰিব লাগে। পৰ্যায়ক্ৰমে স্কুল বিলাক চৰকাৰীকৰণ কৰিব লাগে। আমাৰ অন্য মাননীয় সদস্যসকলোৱেও যাতে এই বিষয়ত আলোচনা কৰিব পাৰে সেই কাৰণে সেই কাৰণে মই চমুৱাইছো। আৰু মাননীয় বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে এই সমস্যা সমূহ সমাধান কৰাৰ কাৰণে এটা ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। এই আশা ৰাখিয়েই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

***শ্ৰীহাফিজ বছিৰ আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অনন্ত ডেকা ডাওৰীয়াই যিটো প্ৰস্তাৱ উত্থাপন কৰিছে আৰু কোন স্কুলত কিমান পদ খালি হৈ আছে তাৰ যিখিনি তথ্য দাঙি ধৰিলে মই সমৰ্থন জনাইছো। শিক্ষাৰ ক্ষেত্ৰত আমি যিখিনি দিমেৰিট পাই আছো সেইবিলাক আমাৰ কিছুমান অভাৱৰ কাৰণে হৈ আছে। শিক্ষাৰ উন্নতিৰ কাৰণে চৰকাৰৰ ফালৰ পৰা নিজাববীয়াকৈ স্কুলসমূহ প্ৰতিষ্ঠা কৰিব উদ্যোগ ল'ব লাগিছিল। বিভিন্ন ঠাইত বহুতো ভেঞ্চাৰ স্কুল চলি আছে। সেইবোৰ বছৰৰ পিছত বছৰ ধৰি প্ৰাদেশিকৰণ হোৱা নাই। তাৰ ফলত ফলাফল ভাল হোৱা নাই। যদি আজি গাড়ী এখন লৈ কিছুমান পিছপৰা অঞ্চললৈ যোৱা যায় তেতিয়া দেখিব বহুতো ল'ৰা-ছোৱালীয়ে গাড়ীখন আগুৰি ধৰিছে। সেই অঞ্চলবিলাকত শিক্ষাৰ অনগ্ৰসৰতাৰ কাৰণে এনে হ'বলৈ পাইছে। মই মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা ক'ব খুজিছো আমাৰ ৰাজ্যখনত এনেকুৱা স্কুল আছে তাত এজনো শিক্ষক নাই। এনেকুৱা স্কুলৰ যিজন প্ৰকৃত দৰমহা পোৱা শিক্ষক তেওঁ স্কুলখন চলাবৰ বাবে এজন শিক্ষক নিজে নিযুক্তি দি ঠিকা দিয়ে আৰু নিজে চহৰত থাকি ৫ হাজাৰৰ পৰা ১০ হাজাৰ টকা দৰমহা লৈ থাকে আৰু ঠিকা দিয়া শিক্ষকজনক নামমাত্ৰ কেইটামান টকা দি স্কুল চলাই থাকে। চৰকাৰে যিটো মৌলিক অধিকাৰ

* Speech not corrected

দিছে ১ : ৪০ থাকিব লাগে তেনেস্থলত মোৰ ধুবুৰী জিলাত ১ : ১০০ হৈ আছে। ডেকা ডাঙৰীয়াই যিটো কথা উত্থাপন কৰিছে চৰকাৰে নিজৰ ফালৰ পৰা ভিতৰুৱা অঞ্চলবিলাকত শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ উদ্যোগ ল'ব লাগে। যিবিলাক পদ খালী হৈ আছে সেইবিলাক পূৰণ কৰিব লাগে। গতিকে এই বিষয় কেইটাৰ ওপৰত যথোচিত পদক্ষেপ ল'বলৈ মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনালো।

**মোঃ মহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াৰ কেইটামান কথাৰ প্ৰতি দৃষ্টিগোচৰ কৰিব খুজিছো। মাননীয় সদস্য অনন্ত ডেকা ডাঙৰীয়াই যথেষ্ট যুক্তিসহকাৰে যিকেইটা তথ্য দাঙি ধৰিলে মই সমৰ্থন জনাইছো। অসমত প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ দিনত যেতিয়া কংগ্ৰেছ চৰকাৰ আছিল তেতিয়া মইও মন্ত্ৰী আছিলো। সেই সময়ত এটা ভাল পদক্ষেপ লোৱা হৈছিল। প্ৰত্যেকজন বিধায়কক দায়িত্ব দিয়া হৈছিল। প্ৰত্যেকজনে ২০ খনকৈ স্কুল দিব লাগিব। কিন্তু এই ক্ষেত্ৰত কিছুমান বৈষম্যমূলক কাম হৈছিল। কিছুমান সমষ্টিত ৰাতিৰ ভিতৰতে স্কুল নিৰ্মাণ কৰি চৰকাৰী স্বীকৃতি লাভ কৰিলে। আমাৰ জিলা ধুবুৰীত ৭৫,৭৬,৭৭ চনৰ স্কুলবিলাক বাদ পৰি গ'ল। তাৰ পিছত অগপ চৰকাৰ আহিল, তেওঁলোকে কি কৰিলে মই সেই বিষয়ে আলোচনা কৰিব বিচৰা নাই। যোৱা চৰকাৰৰ দিনত স্কুল বিলাকক বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা কৰিছিল তাৰ কাৰণে মই মাননীয় তৰুণ গগৈ ডাঙৰীয়াক ধন্যবাদ জনাইছো। কিন্তু বৈষম্যমূলক ব্যৱস্থাটো যাতে নহয় সেইটো চাব লাগে। মাননীয় শিক্ষা মন্ত্ৰী ৰিপুন বৰা ডাঙৰীয়াই যিবিলাক ব্যৱস্থা লৈছে সেয়া ভাল পদক্ষেপ। মই বিত্তীয় সাহায্য বিতৰণৰ ক্ষেত্ৰত যাতে বৈষম্যমূলক নহয় তাৰ প্ৰতি লক্ষ্য ৰাখিবৰ কাৰণে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

***শ্ৰীঅনুপ ফুকন** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য অনন্ত ডেকা ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছে। মই তাৰ সমৰ্থন কৰি দুটামান কথা ক'ব

---

* Speech not corrected

বিচাৰিছো। ব্যক্তিগত মাধ্যমৰ বিদ্যালয়সমূহক নিয়ন্ত্ৰণ কৰাৰ কাৰণে আইন প্ৰণয়ন কৰা হৈছিল, কিন্তু একো নহ'ল। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন ঠাইত কৈছে যে চৰকাৰী বিদ্যালয় সমূহৰ অৱস্থা বেয়া হৈছে। কিন্তু ভেঞ্চাৰ স্কুলবিলাক শিক্ষাৰ ক্ষেত্ৰত ভাল হৈছে বুলি কৈছে। মোৰ সমষ্টিৰ ন-ভকতীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়খনে ভাল ফল কৰিছে। তাৰ ১৭ জনৰ ভিতৰত ১৫ জন পাছ কৰিছে, তাৰে ৯ জন প্ৰথম বিভাগত পাইছে। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব দিব। প্ৰাদেশিকৰণৰ ক্ষেত্ৰত দৃঢ় ব্যৱস্থা ল'ব লাগে। বিত্তীয় সাহায্য দিয়াৰ ক্ষেত্ৰত পক্ষপাতিত্ব হ'ব নালাগে। মাননীয় হক ডাঙৰীয়াই যিটো কথা কৈছে সেইটো সঁচা নহয়। উদাহৰণস্বৰূপে, সমাজ কল্যাণ বিভাগত ৰাজনৈতিক ব্যক্তি নাই যদিও তাত বৈষম্যমূলক হৈছে। অসম চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত যি ব্যৱস্থা ল'ব লাগে সেয়া লোৱা নাই। প্ৰাদেশীকৰণৰ উপৰিও শিক্ষক নিযুক্তি ক্ষেত্ৰত ব্যৱস্থা ল'ব লাগে। বিশেষকৈ অবিবি শিক্ষকৰ ক্ষেত্ৰতো ল'ব লাগে। এই বিষয়টো সোনকালে ল'ব লাগে। নলবাৰী জিলাত অবিবি শিক্ষকসকলে অনশন কৰিছে। মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া মোৰ সমষ্টিলৈ গৈছিল তাত কৈছে যে ইয়াত অনুপ ফুকনৰ কাম নাই। ইয়াত কংগ্ৰেছৰ মতেহে কাম হ'ব। শেষত আজি প্ৰাদেশীকৰণৰ কাৰণে যিখিনি পৰামৰ্শ আগবঢ়োৱা হৈছে। সেইখিনি মাননীয় মন্ত্ৰী মহোদয়ে গ্ৰহণ কৰিব বুলি আশা কৰি মোৰ বক্তব্য সামৰণি মাৰিলো।

**শ্ৰীৰিপুণ বৰা (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিষয়টো মাননীয় সদস্য অনন্ত ডেকা ডাঙৰীয়াই স্পেচিয়েল মোচন আনিলে এই বিষয়টো একাধিকবাৰ এই বছৰতে বিধান সভাত বিভিন্ন আলোচনা কৰা হৈছে। তথাপিও মই চমুকৈ অতি কম সময়ৰ ভিতৰত ক'ব বিচাৰিছো। ১৯৯১ চনলৈকে ছেবাৰ অধীনত যিবিলাক হাইস্কুল আৰু হায়াৰ চেকেণ্ডাৰী স্কুল আছিল সেইখিনি প্ৰভিচিয়েলাইজ কৰা হ'ল। ১৯৯২ পৰা ২০০৬ চনলৈকে মুঠ ১৮২৫ খন ভেঞ্চাৰ হাইস্কুল আছে। এই ১৮২৫ ভেঞ্চাৰ

হাইস্কুল প্ৰভিন্সচিয়েলাইজ কৰিব পৰা নহ'ব। আমি একেবাৰে এল পিৰ পৰা ডিগ্ৰী কলেজলৈ কৰিব লাগে। আমি এটা হিচাপ কৰি ওলাইছোঁ যে এল পিৰ পৰা ডিগ্ৰী কলেজলৈ প্ৰভিন্সচিয়েলাইজ কৰিবলৈ হ'লে মুঠ টকা লাগিব ৬৭ হাজাৰ ৭ শ ৯৪ কোটি টকা অতিৰিক্ত লাগিব। এইটো এটা বৃহৎ পুঁজি। বৰ্তমান আমাৰ ৰাজ্যখনৰ বিত্তীয় পৰিস্থিতি সুচল নহয়। এটা কথা ঠিক যে এ জিপিয়ে আমাক অকল সমালোচনা কৰিলেই নহ'ব। তাৰ আগতে তেওঁলোকে নিজেই নিজৰ গাত চিকুটি চাব লাগিব। তেওঁলোকেও ১০ বছৰে চৰকাৰ চলালে। ১৯৯১ চনৰ পৰা ১৯৯৪ চনলৈকে আমাৰ আমাৰ চৰকাৰে পাৰ্ট পাৰ্টকৈ স্কুল প্ৰভিন্সচিয়েলাইজ কৰিছে। তেওঁলোকে সেই ১০ বছৰত স্কুল প্ৰভিন্সচিয়েলাইজ কৰাৰ বাবে একো নকৰিলে। আমাৰ যোৱা পাঁচ বছৰীয়া কাৰ্যকালত আমি সকলো স্কুল ল'ব পৰা নাই সেইটো ঠিক। কিন্তু ইয়াৰ অৰ্থ এইটোৱে নহয় যে আমি একো কৰা নাই। আমি এতিয়াও বিষয়টো পৰীক্ষা কৰি আছো। গোটেইখিনি স্কুল আমি একেলগে ল'ব নোৱাৰো। অকল এল পি, এম ই স্কুল ধৰিলেও ১০ হাজাৰ হ'ব। গতিকে ইয়াৰ কাৰণে সুস্পষ্ট পলিচি আমি এটা কৰি আছো আৰু ইয়াৰ বাবে আমাক আৰু কিছু সময়ৰ প্ৰয়োজন হ'ব। এইবিলাক কথা বিবেচনা কৰিয়ে আমি এতিয়া চৰকাৰে বিত্তীয় সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। ভেন্সাৰ স্কুলৰ শিক্ষকসকলৰ অৱস্থা বিবেচনা কৰিয়ে তেওঁলোকক কিছু আৰ্থিক সকাহ দিয়াৰ বাবে চৰকাৰে বিত্তীয় সাহায্য দিয়াৰ ব্যৱস্থা লৈছে। আমাৰ যোৱা কাৰ্যকালত আমি বিভিন্ন শিক্ষানুষ্ঠানক বিত্তীয় সাহায্য প্ৰদান কৰিছো। আমি বিত্তীয় সাহায্য যোৱা বছৰৰ পৰা আৰম্ভ কৰিছো আৰু এইটো কনটিনিউ হৈ থাকিব, যেতিয়ালৈকে আমি স্কুল প্ৰভিন্সচিয়েলাইজ কৰিব নোৱাৰো। তাৰোপৰি বিত্তীয় সাহায্যৰ পৰিমাণো সময়ে সময়ে বাঢ়ি যাব। আমি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত এই সম্পৰ্কে যোগাযোগ কৰিছো। আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই এইচ আৰ দি মিনিষ্টাৰ মাননীয় অৰ্জুন সিং ডাঙৰীয়ালৈ চিঠিও লিখিছে। এই ক্ষেত্ৰত আমাৰ অসম চৰকাৰে

কি কি ব্যৱস্থা লৈছে আৰু ইমান ডাঙৰ বোজা এটা যে আমাৰ অসম চৰকাৰে ল'ব নোৱাৰে সেই কথাও উল্লেখ কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰী অনুপ ফুকন ডাঙৰীয়া আৰু শ্ৰী অনন্ত ডেকা ডাঙৰীয়াই স্কুলৰ প্ৰাদেশীকৰণৰ ওপৰত অনা বিলখনৰ সম্পৰ্কত যি শংকা প্ৰকাশ কৰিছে সেই সম্পৰ্কত মই কওঁ যে ইয়াত শংকা কৰিবলগা নাই। বিলখন পাচ কৰাৰ পিছত বুল প্ৰণয়ন কৰিব লাগিব। সেইটো আগৰ অধিৱেশনত আনিছিলো। কেবিনেটত ৰুল গৃহিত হৈছে। তাৰ পিছত আইন প্ৰণয়ন হ'ব। তাৰে চেষ্টা আমি কৰিছো। ভেকেন্সি থকা স্কুল বিলাকত শিক্ষকৰ পদ খালী ৰখা নাই। এল পি এম ইৰ বেলেগ লিষ্ট আমাৰ হাতত ৰেডি আছে। ৮ হাজাৰ শিক্ষকৰ পদ ৰেডি ৰাখিছো। আদালতত কেচটো নিষ্পত্তি হোৱা নাই। এই এটা বছৰে লাগি লাগি হিয়েৰিংৰ পৰ্য্যায়লৈ আহিছে। এইটো ফাইনেল পৰ্যায়ত আহিছে। ইয়াৰ পিছত জাজমেণ্ট দিব। চেকেণ্ডাৰী পৰ্যায়ত ২০০৩ চনত এডভাৰটাইজ কৰিছিলো। কিন্তু মহামান্য আদালতৰ নিৰ্দেশৰ বাবে এইটো স্থগিত কৰিব লগা হ'ল। এতিয়া এই গোচৰটো নিস্পত্তি হোৱাৰ পিছত ছেকেণ্ডাৰী স্কুলত শিক্ষক নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিব পাৰিম। হায়াৰ ছেকেণ্ডাৰীৰ ক্ষেত্ৰত হাইকৰ্টত থকা গোচৰৰ চাবজেক্ট টিচাৰৰ নিষ্পী হৈছে। আমি এডভাৰটাইজ দিছো এমাহৰ আগতে। এই গোটেই কথাবোৰ আমি চিন্তা চৰ্চা কৰিছো। আৰু প্ৰয়োজনীয় শিক্ষক নাই বুলি আমি উপলব্ধি কৰিছো। তাৰ কাৰণে আমি ৰেচনেলাইজড প্ৰক্ৰিয়া আৰম্ভ কৰিছো। ২৩ খনৰ ভিতৰত ১৬ খনৰ সম্পূৰ্ণ কৰিছো। ৭ খনৰ প্ৰপজেল বিত্ত বিভাগলৈ পঠাইছো। বাকীবোৰ প্ৰচেচ হৈছে। যিবিলাক স্কুলত অতিৰিক্ত শিক্ষক আছে, সেই শিক্ষকবোৰক ওচৰৰ স্কুললৈ পঠোৱাৰ ব্যৱস্থা লৈছো। মাননীয় অধ্যক্ষ মহোদয়, সন্মানিত সদস্যসকলে এই মোচনৰ ওপৰত অনা কথা বিলাকৰ ওপৰত মই উত্তৰ দিছো। অতি আন্তৰিকতাৰে আমি, আমাৰ চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা ল'বলৈ চেষ্টা কৰিছো।

**Mr. Speaker :** Now, it is 1.30 pm. we require some time to complete the remaining is business. The time of the sitting may be extended with the leave of the House.

***শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বড়ো মাধ্যমৰ স্কুলৰ ক্ষেত্ৰত বিত্তীয় সাহাৰ্য্য দিবলৈ অনুৰোধ কৰিলো।

***শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি অসমৰ সকলো ঠাইৰে স্কুলত বিত্তীয় সাহাৰ্য্য দিবলৈ ব্যৱস্থা কৰিছো। তাৰ মাজত বড়ো মাধ্যমৰ স্কুলো আছে, অসমীয়া মাধ্যমৰো আছে। এই ক্ষেত্ৰত আমি কোনো ডিচক্ৰিমিনেচন নকৰো।

***শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বি টি চিৰ এল পিৰ পৰা হাই ছেকেণ্ডাৰীলৈ যিবিলাক বড়ো মাধ্যমৰ স্কুল আছে সেইবিলাকৰ বাবে চিন্তা চৰ্চা কৰিব লাগে।

***শ্ৰীৰিপুন বৰা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সমানুপতিকতা ৰক্ষা কৰিবলৈ চেষ্টা কৰিছোঁ; তাত কোনো ধৰণৰ শংকা থাকিব নালাগে। এই শিক্ষা ব্যৱস্থা যাতে জনমুখী আৰু বাস্তৱমুখী হয় তাৰ বাবে আমাৰ চৰকাৰে আন্তৰিকতাৰে প্ৰচেষ্টা চলাইছে। ইয়াত সহায় কৰিবলৈ মই সকলো সদস্যকে আহ্বান জনাইছো। ইয়াৰ গভীৰতা আমাৰ চৰকাৰে সুন্দৰভাৱে উপলব্ধি কৰিছে। সেয়ে তাক সফল হোৱাৰ বাবে প্ৰচেষ্টা চলাই আছো। দেৰি হৈছে হয়, কিন্তু আমি চেষ্টা কৰিছো। মই ডেকা ডাঙৰীয়াক অনুৰোধ জনাওঁ যাতে তেখেতে এইটো উঠাই লয়।

**মাননীয় অধ্যক্ষ ঃ** ডেকা, আপুনি এইটো উঠাই ল'ব নেকি?

***শ্ৰীঅনন্ত ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰ্য্যায়ক্ৰমে প্ৰাদেশীকৰণ আৰু সকলো স্কুলকে বিত্তীয় সাহাৰ্য্য দিয়াৰ বাবে মই অনুৰোধ কৰিলো। দ্বিতীয়তে, ইয়াত এটা গাইড লাইন থাকিব লাগে আৰু ৰাজনৈতিক হস্তক্ষেপ হ'ব নালাগে। ইয়াকে মই আশা কৰিছো— মোশ্বনটো উঠাই লৈছো।

---

*** Speech not corrected**

**Mr. Speaker :** It is the pleasure of the House that the motion is to be withdrawn?

We are with the leave of the House the motion is withdrawn.

## LEAVE OF ABSENCES

**Mr. Speaker :** I have received a letter dated 3/8/2007 from Hon'ble Member Shri Prafulla kumar Mahanta informing that he will not be able to attend the ensuing August Session, 2007 commencing from 6th August, 2007 as he shall be out of station from 4th to 23rd August 2007. He has requested to grant him leave of absence for the above period.

As prayed for his leave of absence for the above period is granted under Rule 185(A) (1) of the Rules of procedure and Conduct of Business in Assam Legislative Assembly.

I hope, this has the approval of the House.

## STATEMENT BY MINISTER

**Mr. Speaker :** Now, Hon'ble Minister, Sri Rockybul Hussain.

***শ্ৰীৰকিবুল হুছেইন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনৰ কাৰ্যবিৰৰণী চলি থকা অৱস্থাত মাননীয় সদস্য চন্দ্ৰমোহন পাটোৱাৰী, প্ৰণৱ কলিতা আদিয়ে যি কিলয়াৰিফিকেচন বিচাৰিছে, তাৰ উত্তৰত মই কও যে অৰুণাচলৰ পৰা যিসকল মানুহ আমাৰ ইয়াত সোমাইছে সেই মানুহবিলাক ভাৰতীয়, বাংলাদেশী নহয়। তেওঁলোকে ভাত, কাপোৰৰ কাৰণেহে তালৈ গৈছিল। সেইবোৰ সাধাৰণ মানুহ।...

---

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় পাটোৱাৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো, এই কাৰণে যে আজি 'বাংলাদেশী নাগৰিক' সম্পৰ্কে উত্থাপিত হোৱা কথাটোত কিলয়াৰিফিকেশ্যন দিয়াত তেখেতে সহায় কৰিছে।

**Mr. Speaker :** Under Rule 55, a statement may be made by a Minister on a matter of public importance with the consent of the speaker but no question shall be asked at the time the statement is made. under Rule 49.1 half-an-hour time is allowed.

